Shri Mahendra Mohan Choudhury, (Chief Minister) There was no commitment to that effect. The Prime Minister in a statement on December, 5,1969 in the Lok Sabha on certain programme relating to the Economic Development of Assam stated that the Central Govt. accorded high pricrity to the evolution and implementation of a comprehensive plan of Flood Control through the agency of a Brahmaputra Flood Cntrol Commission. On the basis of the above, the matter was taken up with the Planning Commission at the Secretariat level regarding the Centre's provision of Rs. 15 crores for the Brahmaputra Flood Control Works. But the Planning Commission replied that as the Atate's Fourth Plan ceiling has been raised from Rs. 225.50 crores to Rs. 261.75 crores, the requirements of Flood Control programme ineluding Brahmaputra Flood Control Works have to be accommodated in full within the ceiling of Rs.261.75 crores.

I want to give further information about it. We have taken up the matter with the Government of India. We informed the Govt. of Iudia that the control of the Brahmaputra is beyond the means and capacity of the Government of Assam. Therefore, the control of the Brahmaputra should be taken up by the Govt. of India. The problem of the Brahmaputra floods and erosion had been examined by many Committees and Experts. They have given some short and long term proposals for providing reasonable proteetion against floods in a phased manner. They also

proposed an immediate and short term programme by raising and strengthening embankments, filling up the missing links in the existing embankments and certain exposed areas. We require about Rs. 50 crores for these works including investigation. Then again there are certain medium projects in which we are to construct dams in the tributaries like Pagladiya, Subansiri and Dehang which will cost about Rs. 350 crores. We concentrate to start construction of these dams in course of different years. For providing detention basin in Pagladiya alone, we require 35 crores. We have been able to collect the geological, hydrological and other data for these three tributaries of the Brahmaputra and now we will discuss with the Prime Minister and the Finance Minister, Govt. of India.

Mr. Speaker: Order, order please. The Question Hour is over.

Shri Dulal Chandra Barua: Sir, will you please keep this question pending till tomorrow?

Mr. Speaker: Yes. This question will be taken up tomorrow again.

লক্ষীমপুৰ আৰু শিৱসাগৰ জিলাত মদ-নিবাৰণী ব্যবস্থা

শ্ৰীভদ্ৰকান্ত গগৈয়ে সুধিছে :

*১৫৯। মাননীয় আৱকাৰি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) লক্ষীমপুৰ আৰু শিৱসাগৰ জিলাৰ পৰা ১৯৭১ চনৰ পহিলা এপ্ৰিলৰ পৰা ৩০ ইউ, পি মদ উঠাই দিয়াৰ ব্যৱস্থা লোৱাটো সত্য নে?

(খ) যদি সত্য তেন্তে সকলোবিলাক মহলৰ পৰা এই ৩০ ইউ, পি উঠাব নে?

(গ) যদি সকলোবিলাক মহলৰ পৰা নুঠায়, তাৰ বিশেষ কাৰণ কি ?

আৱকাবি বিভাগৰ মন্ত্ৰী শ্ৰীৰমেশ চন্দ্ৰ বৰুৱাই উত্তৰ দিছে ঃ

১৫৯। (ক)—অকল লক্ষীমপুৰ আৰু শিৱসাগৰ জিলাতে নহয়, তাৰ লগতে দৰং আৰু কাছাৰ জিলাৰ সকলো দেশী মদৰ মহলৰ পৰাও তিনিটা স্তৱত ৩০ ইউ, পি মদ উঠাই দি থকা কথাটো সত্য।

(খ)—হয়, অহা ১৯৭২ চনৰ ১লা এপ্ৰিলৰ পৰা সকলোবিলাক মহলৰ পৰা ৩০ ইউ, পি মদ উঠি যাব।

(গ)—প্ৰশ্ন নুঠে।

*Re :* **Goalpara Scheduled Castes Advisory Committee**

Shri KANDARPA NARAYAN BANIKYA asked :

*160 Will the Minister-in-charge of Welfare of Backward Classes be pleased to state how many members are there in the Goalpara Scheduled Castes Advisory Committee ?

Shri JOY BHADRA HAGJER (Minister, Walfare of Backward Classes) replied :

160.—18 (eighteen). A list of members is placed on the Table of the House.

## UNSTARRED
## QUESTIONS AND ANSWERS

(To which replies were laid on the table)

*Re :* চিনা মাটি

শ্ৰীকন্দৰ্প নাৰায়ণ বনিক্যাই সুধিছে ঃ

১৬। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে জনাবনে—

(ক) বইটামাৰী আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত তামৰঙ্গা বিলৰ উত্তৰ মুৰে

২য় শ্ৰেণীত চিনা মাটি পোৱা কথাটো সচাঁনে ?

(খ) যদি সচাঁ তেন্তে তাত উদ্যোগ স্থাপনৰ ব্যৱস্থা হবনে নহয় ?

(গ) এই কথা সচানে যে বেঙ্গল পটাৰী কোম্পানীয়ে সেই মাটিৰে উদ্যোগ স্থাপনৰ ব্যৱস্থা হাতত লৈছে ?

(ঘ) যদি লৈছে তেন্তে চৰকাৰী খণ্ডত সেই উদ্যোগ কিয় লোৱা নহ'ল ?

শ্ৰীবিশ্বদেৱ শৰ্ম্মা ( উদ্যোগ বিভাগৰ মন্ত্ৰীয়ে ) উত্তৰ দিছে :

১৬। (ক)—হয়, সচা।

(খ)—উদ্যোগ স্থাপন হব নোৱাৰে। কিয়নো সেই চিনা মাটিৰে অৰ্থনৈতিক ফালৰ পৰা কাম কৰিব পৰা সম্ভৱপৰ নহয়।

(গ)—এই কথা চৰকাৰৰ গোচৰলৈ অহা নাই।

(ঘ)—চৰকাৰী খণ্ডত উদ্যোগ স্থাপনৰ প্ৰশ্ন নুঠে। উপৰুক্ত (খ) কাৰণত।

*Re :* **Road from Sonaphuli to Bahbari**

Smti. PRANITA TALUKDAR asked :

17. Will the Minister, P. W. D. ( R. and B. ) be pleased to state—

(a) Whether it is a fact that a road from Sonaphuli to Bahbari has been sanctioned during the Fourth Five Year Plan ?

(b) If so, why this road has not yet been constructed ?

(c) When this road will be constructed ?

Shri ALTAF HOSSAIN MAZUMDER [ Minister, P. W. D. (R. & B.)] replied :

17. (a) and (b)—This project has been selected by the M.L.A. Sub-Committee for execution during the Fourth Five Year Plan and accordingly an estimate has since been received and now under scrutiny of the Department for sanction.

(c)—This project is expected to be completed during the Fourth Five Year Plan period.

*Re :* **Salbari Bashbari road**

Smti. PRANITA TALUKDAR asked :

18. Will the Minister, P. W. D. (R. and B.) be pleased to state—

(a) The amount sanctioned for the remaining length of Salbari Bashbari road during the Fourth Five Year Plan ?

(b) The amount spent on earthwork up till now ?

(c) When earthwork will be completed ?

Shri ALTAF HOSSAIN MAZUMDER [Minister, P. W. D. (R. & S.)] replied :

18. (a)—Rupees 49,000.

(b)—The amount spent on earthwork up to 31st March 1971 is Rs. 5,737.

(c)—The earthwork is expected to be completed by 1971-72.

*Re :* **Sidolsuti Geruhabari P. W. D. Road**

Shri KANDARPA NARAYAN BANIKYA asked :

19. Will the Minister, P. W. D. (R. & B.) be pleased to state—

(a) Whether it is a fact that the Sidolsuti Geruhabari P. W. D. Road under Kokrajhar Division was badly damaged by the last floods ?

(b) Whether any repairs have been done so far ?

(c) If not, the reasons thereof ?

Shri **ALTAF HOSSAIN MAZUMDER** [Minister, P. W. D. (R. & B.)] replied :

19. (a)—Yes.

(b)—Repairs have been done as far as practicable.

(c)—Does not arise.

*Re :* সৃজনগ্ৰাম আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত ৰাস্তা

শ্ৰীকন্দৰ্প নাৰায়ণ বনিক্যই সুধিছে :

২০। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰীমহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) তৃতীয় পঞ্চ বাৰ্ষিক পৰিকল্পনাত লোৱা কিমান ৰাস্তা সৃজনগ্ৰাম আঞ্চলিক পঞ্চায়তত লোৱা হৈছিল ?

(খ) কিমান টকা সেই ৰাস্তাৰ বাবে ধৰা হৈছিল ?

(গ) ৰাস্তাৰ কাম সম্পূৰ্ণ হল'নে ?

(ঘ) যদি হোৱা নাই, কেতিয়া হব ?

শ্ৰীআলতাফ হোচেন মজুমদাৰ, (গড়কাপ্তানি বিভাগৰ মন্ত্ৰীয়ে) উত্তৰ দিছে :

২০। (ক)—১। ববঘোলা সিদলস্থূতী ৰাস্তা।

২। বহা চাক্‌লা কোকিলা ৰাস্তা।

(খ)—১। ববঘোলা সিদলসূতী ৰাস্তা—৯০,০০০'০০টকা।

২। বহা চাক্‌লা কোকিলা ৰাস্তা—১,৫০,০০০'০০ টকা।

(গ)—মাটি অধিগ্ৰহণ বাদে প্ৰাক্‌কলনত ধৰা সকলো কাম সম্পূৰ্ণ হৈছে।

(ঘ)—প্ৰশ্ন নুঠে।

**Leave of absence to Shri Satindra Mohan Dev, M.L.A.**

Mr. Speaker—Order, order, please. I have an announcement about leave of absence of Shri Satindra Mohan Dev.

I, hereby, inform the House that Shri Satindra Mohan Dev representing Silchar Constituency has duly submitted

an application for leave of absence from the Assam Legislative Assembly which reads as follows :—

Sir,

I regret very much to inform you that due to my prolong ailment I will not be in a position to attend the present Assembly Session.

Under the sireumstances, I would pray to your honour to condone my absence from the Assembly and grant me leave.

Thanking you Yours faithfully,
Satindra Mohan Dev.

I think the House will condone the absence and also grant leave of absence applied for in the application.

Is it the sense of the House that the leave of absence be granted to the hon'ble Member ?

(Voice—Yes, yes.)

The leave is granted.

**Voting on Demands for grants— Demand No. 10**

Mr. Speaker—We are now dealing with yesterday's grant. I remind the hon'ble members to avoid repetition of the same facts. This will facilitate finishing the grants.

M. Shamsul Huda—অধ্যক্ষ মহোদয়, এই বিবাটকায় মন্ত্ৰী সভাত এনেকুৱা কিছুমান মন্ত্ৰী আছে যিবিলাকৰ কোনো কাম নাই। সেই কাৰণে ফাইল নেদেখেই। কামৰ ভিতৰত আমাৰ মহিলাৰ তাতশালৰ মাকোৰ দৰে অহা যোৱা কৰে ছিলং-লামডিং, ছিলং-নগাওঁ, এইদৰে অহাযোৱা কৰি তেওঁ-

লোকে নিজৰ দলৰ কাম কৰে। দলৰ কাম কৰিবলৈ ৰাইজৰ টকা খৰছ কৰা উচিত নহয়। তাৰ পৰিবৰ্ত্তে তেওঁলোকে আহুখেতি, পাট খেতি আৰু ফেক্টৰী আদি চায় একোটা ৰিপট দিব পাৰে তেতিয়াও এটা কাম হয়। ইফালে ৰাইজে যদি মেমোৰেন্দাম দিব ওলায় তেতিয়া কয় বহুত ব্যস্ত পাৰ্টি মিটিং আছে বা কেবিনেট মিটিং আছে। ৰাইজৰ টকা খৰচ কৰি দলৰ কাম কৰা অগণতান্ত্রিক। কেতিয়াবা একো ঠাইত মন্ত্ৰীৰ ইমান ভীৰ হয় যেন কুম্ভ মেলাতহে যাত্ৰীৰ ভীৰ হৈছে। সেই কাৰণে তেওঁলোকৰ ভ্ৰমন সীমাবদ্ধ কৰি দিব লাগে। তেতিয়া হয়তো কিছু কাম হব পাৰে। মন্ত্ৰী সকল ভ্ৰমনত থাকিলে কৰ্ম্মচাৰী সকল বহি থাকে। ফলত বছৰৰ শেষত দেখিব লক্ষ্য লক্ষ্য টকা তামাদি হৈ যায়।

এই মন্ত্ৰী সভাত কৰ্মক্ষম মন্ত্ৰী যে নাই এনে নহয়, কিন্তু তেওঁলোকক মুখ্য মন্ত্ৰীয়ে বান্ধি ৰাখিছে অৰ্থাৎ তেওঁলোকক ষ্টেট লেভেলত ৰাখিছে। তেতিয়া পূৰ্ণ ক্ষমতা নেপায় গতিকে মন্ত্ৰীৰ সংখ্যা কমায় তাৰ পৰা ৰাইজক টকাৰে অজ্ঞঃ বানপানী প্ৰপীড়িত সকলক সহায় কৰিব পাৰে নাইবা ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰীক টকা বঢ়ায় দিব পাৰে।

আৰু এটা কথা মই কব বিচাৰো যে ক্ষমতাত থকা দলৰ সদস্য সকলৰ কিছুমানে এই মন্ত্ৰী সভাই কৰি দিলেও বিৰোধী দলৰ সদস্য সকলৰ কাম কেতিয়াও কৰি নিদিয়ে তেওঁলোকক মাহী আইৰ চকুৰে চায়। বিধান সভাৰ সদস্য সকলৰ মন্ত্ৰী সকলৰ নিচিনাকৈ হুকুম দিবৰ ক্ষমতা নিদিলেও তেওঁলোকক কিছুমান সুবিধা দিলেও ৰাইজৰ কাৰণে বহুখিনি কাম কৰিব পাৰি। কিন্তু বৰ্ত্তমান অৱস্থাত প্ৰাকৃতিক দুৰ্যোগৰ নিচিনা সময়তো আমি ৰাইজৰ কাম কৰাত কোনো সুবিধা চৰকাৰৰ পৰা পোৱা নাই। আমাৰ পৰাই বেলেগ হৈ যোৱা নাগালেণ্ডতো দেখিছো যে তাত প্ৰত্যেক **M. L. A.** ক জনে গাড়ী দিছে আৰু সেই গাড়ী জৰিয়তে তেওঁলোকে ৰাইজৰ উন্নয়ন মূলক কাম কৰাত সুবিধা পাইছে।কিন্তু আমাৰ ৰাজ্যত এই চৰকাৰে সদস্য সকলক জীপ গাড়ী দিব পৰা নাই তাৰ কাৰণ হৈছে যে বিৰোধী সদস্য সকলক গাড়ী দিলে চৰকাৰ খনেই ভাঙি যাব বুলি তেওঁলোকে সন্দেহ কৰে। কিন্তু যদি সদস্য সকলক গাড়ী দিয়া হয় তেতিয়া হলে ৰাইজৰ প্ৰকৃত কাম সদস্য সকলে কৰিব পাৰিব আৰু যদি গাড়ীৰ কাৰণে টকা খৰছ কৰিব নোৱাৰে তেনে-

হলে যিবিলাক পুৰণি গাড়ী চৰকাৰে বিক্ৰী কৰে বা নীলাম কৰে বা যিদৰে Defance ৰ পুৰণী গাড়ী সদস্য সকলৰ কাৰণে দিয়াৰ ব্যৱস্থা আছে সেইদৰে আমাৰ চৰকাৰে যিবিলাক গাড়ী নীলাম কৰিব লগীয়া আছে সেইবিলাক সদস্য সকলক দিলে তেওঁলোকৰ কাম কৰাত সহায় হব আৰু তাৰ কাৰণে আমি ২/৩ হাজাৰ টকা খৰচ কৰিবলৈ ৰাজী আছো। কিন্তু চৰকাৰে ভাবে বিৰোধী সদস্যই গাড়ী পালে চৰকাৰ ভাঙি পেলাব কিন্তু গণতন্ত্ৰ সুচাৰুপে কাম কৰিবলৈ সদস্য সকলক সুবিধা দিব লাগে।

আজি আমাৰ মন্ত্ৰীৰ সংখ্যা বঢ়া হৈছে যদিও ৰাইজৰ সমস্যা সমাধান কৰিব পৰা নাই শিক্ষা ক্ষেত্ৰত মাত্ৰ শতকৰা ১ভাগহে বৃদ্ধি হৈছে ইয়াতকৈ লাজৰ কথা আৰু একো হব নোৱাৰে। এই অবস্থা :লে আমি আইনৰ ওচৰত নাক উলিয়াম কেনেকৈ?

এই যে যি শতকৰা ১ভাগ শিক্ষাৰ ক্ষেত্ৰত বৃদ্ধি হৈছে সিও মাত্ৰ ৰাইজৰ চেষ্টাতহে হৈছে চৰকাৰৰ চেষ্টাত নহয়।

বেকাৰ সমস্যাৰ সমাধান ভূমি সমস্যাৰ সমাধানত চৰকাৰে একো কৰিব পৰা নাই। বানপানীত আৰু গড়াখহনীয়াত পৰা মানুহক একো সহায় কৰিব পৰা নাই আৰু সেই কাৰণে আমাৰ উংপাদন বৃদ্ধি হোৱা নাই। সিদিনা মই ব্ৰহ্মপুত্ৰৰ চৰ দেখি আহিছো হাজাৰ হাজাৰ মাইল ধুবুৰীৰ পৰা গোৱাল-পাৰালৈকে ব্ৰহ্মপুত্ৰৰ চৰ পৰা মাটি আছে আৰু দেখিলো সেইবিলাক চৰত ১০০/২০০ মান গৰু চৰি আছে। সেইবিলাক মাটি বানপানীত প্ৰপীড়িত আৰু গড়াখহনীয়াত পৰা মানুহক দিব পাৰে নহলে সমবায় ভিত্তিত গৰু মহ ইত্যাদি পুহিবলৈ দিব পাৰে। বানপানীত পৰা মানুহক loan আদি সেই মাটিবিলাক গৰু ম'হ পুহিবলৈ দিব পাৰে। নেপালৰ পৰা মানুহ আহি ইয়াত খুটি পুতিব পাৰে যদি আমাৰ মানুহে নোৱাৰিবনেকি? বানপানীত পৰা মানুহে যে কেৱল কৃষিয়েই কৰিব লাগিব সেইটো নহয় তেওঁলোকক গৰু ম'হ পোহাৰো ব্যৱস্থা কৰি দিব পাৰি। গধুৰ শিল্পৰ ক্ষেত্ৰত চৰকাৰে কোনো ব্যৱস্থা লব পৰা নাই। গাওঁ অঞ্চলত সৰু সৰু শিল্প কৰি বেকাৰ সমস্যা সমাধান কৰিব পাৰি। এই ক্ষেত্ৰত এটা কথা কব পাৰি যে প্ৰত্যেক জিলাতে এটা এটা গেণ্ট কল পাতি দি অন্ততঃ ৫০ হাজাৰকৈ প্ৰত্যেক খনতে মানুহ নিয়োগ কৰি বেকাৰ সমস্যা সমাধান কৰিব পাৰি। কিন্তু সেই বিলাক

ব্যৱস্থা চৰকাৰৰ নাই কেৱল মন্ত্ৰীসভাৰ আকাৰ বঢ়াই তেওঁলোকৰ নিজৰ সুবিধা কৰাৰ ব্যৱস্থা কৰিছে।

এই খিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাব উত্থাপন কৰিলো।

Shri Atul Chrndra Goswami—অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মই ডুবাবমান কৰ খুজিছো, এই দাবীটোৰ সাধাৰণ নাম দিয়া হৈছে, সেইটোক অসাধাৰণ প্ৰশাসন নাম দিয়া হলে বেছি ভাল আছিল। মোৰ বন্ধু কেইজনমানে কৈছে যে মন্ত্ৰী সভাখন ভাল হোৱা নাই। কিন্তু মই কও যে মন্ত্ৰী সভাখন বৰ ভাল হৈছে কাৰণ মন্ত্ৰী সকলে প্ৰতিশ্ৰুতি দি সেই প্ৰতিশ্ৰুতি পালন নকৰাত যি Record ভাঙি ধৰিছে সেইটো আগৰ কোনো মন্ত্ৰী সভাই কৰিব পৰা নাছিল। মুখ্যমন্ত্ৰী ৰাজহ মন্ত্ৰী বিত্তমন্ত্ৰী আদি সকলোৱে প্ৰতিশ্ৰুতি দি পালন নকৰে আৰু বিধান সভাত দিয়া প্ৰতিশ্ৰুতি পালন নকৰা সত্বেও যদি এই মন্ত্ৰী সকলে ৰাইজৰ আদৰ পাই থাকে তেন্তে সেই মন্ত্ৰী সভা কেতিয়াও বেয়া হব নোৱাৰে। এনে এখন মন্ত্ৰীসভা "ন ভূতো ন ভবিষ্যতি"

আমাৰ আগৰ কৃষি মন্ত্ৰী জনাই যোৱা বছৰত অসমত Bumper crop হৈছে বুলি এসময়ত ঘোষণা কৰিছিল আনকি আমাৰ চাউলো বাহিৰলৈ পঠিয়াইছিল ইয়াৰ সম্পৰ্কত নানা কেলেঙ্কাৰী ঘটিল তদন্ত কমিটি হ'ল চুপাৰিলো দিলে কিন্তু সেই মন্ত্ৰীজনাৰ ওপৰত চৰকাৰী ব্যৱস্থা গ্ৰহণ কৰা নহল। গতিকে আমি বৰ্ত্তমান যি অৱস্থাত উপনীত হৈছো সেই অৱস্থাত মন্ত্ৰী সভা বৃদ্ধি কৰা কোনো কাৰণ নাই। তদুপৰি ৰাজ্যপালৰ কাৰণে আমি যথেষ্ট টকা পইচা খৰচ কৰো। তাৰো আমি কোনো যুক্তি যুক্ত কাৰণ দেখা নাই। ৰাজ্যপালে চিলংৰ পৰা Nagaland লৈ চৰকাৰী কামত যাওতে Dimapu লৈকে আৰু ডিমাপুৰৰ পৰা চিলংলৈ অহাযোৱাৰ খৰচ আমিয়েই দিব লাগে যদিও ৰাজ্যপালজনে Nagaland ৰো ৰাজ্যপাল।

মই আন এটা কথা কব খুজিছো। আমাৰ মন্ত্ৰী সকলে ভ্ৰমন কৰে। কেইদিনমানৰ আগতে কৃষি মন্ত্ৰী নগাওলৈ গৈছিল চিওত এখন কৃষি সম্পৰ্কীয় মিটিং উদ্ধোধম কৰিবলৈ। কিন্তু ৰাতা-ৰাতি সেই program বদলি কৰি কুঠৰিত এটা program কৰিলে। কিন্তু তাৰ স্থানিয় M.L.A. জনে

কোনো খবৰকে নাপালে। এইদৰে Local M.L.A. সকল আৰু পঞ্চায়তৰ মেম্বাৰ সকলক নজনোৱাকৈ কোনো লোকৰ নিমন্ত্ৰণ ৰক্ষা কৰিবলৈও মন্ত্ৰী গুচি যায়। এইবিলাক কথা গণতান্ত্ৰীক দেশ এখনৰ কাৰণে সোভনীয় নহয়। আশাকৰো মুখ্যমন্ত্ৰী ডাঙৰীয়াই এইবিলাক কথা বিবেচনা কৰিব।

আমাৰ এই বিধান সভাৰ বিত্তমন্ত্ৰীজনে ১৯৬৭ চনতে (তেখেতে Publicity ৰো Minister অছিল) প্ৰতিশ্ৰুতি দিছিল যে চিলঙৰ যিটো Publicity Directorate আছে তাৰ আহিলাপাতিৰ এটা Physical verification কৰা হব। কিন্তু সেইটো এতিয়ালৈকে নহল। বিভাগীয় কৰ্ম্মচাৰীৰ দুৰ্নীতিৰ অভিযোগ থাকিলে সেইবিলাক সদৰি কৰাত কি বাধা থাকিব পাৰে আমি বুজি নাপাওঁ। মন্ত্ৰী সকলৰ বিৰুদ্ধে কিবা থাকিলে সেইটো কথা বেলেগ। মই জনাত আমাৰ যিজন D.P.I. আছে তেওঁৰ ওপৰত ভিজিলেন্স কমিচনাৰৰ Stricture আছে। আৰু সেই Report আজিলৈকে বাহিৰ কৰিবলৈ চৰকাৰে সাহস কৰা নাই। এই মন্ত্ৰী সভাখন যে এখন দুৰ্নীতি পৰায়ন মন্ত্ৰী সভা ইয়াতকৈ আৰু কিবা ভাল প্ৰমাণ দিব লাগে বুলি মই নাভাবো। এজন ভিজিলেন্স কমিশ্যনাৰে ৰিপট দিয়াৰ পাচত সেই ৰিপট আমাৰ ৰাইজে জনাত কি বাধা থাকিব পাৰে। মই ভাবো কোনো বাধা নাই। মন্ত্ৰী সকলৰ দুৰ্নীতিৰ সম্পৰ্কত ৺বিমলা প্ৰসাদ চলিহা দেৱে লোকায়ুক্ত আৰু লোকপাল নিয়োগ কৰাৰ কথা কৈছিল আৰু সেই-বিলাক তেওঁলোকে চাব বুলি কৈছিল। কিন্তু সেইবিলাক কাগজতে থাকিল আৰু কংগ্ৰেছ চৰকাৰ থাকে মানে বোধহয় কৰা নহব। আমাৰ Industry Minister এ এটা আশ্বাস দিছিল যে Indian Carbonত কোন কোন মানুহৰ Share আছে তাৰ এখন লিষ্ট দিব। কিন্তু সেইটোও নহল। P.W.D. Ministerয়ে কৈছিল National Highwayৰ জখলা বন্ধাত যত বাচ ৰয়, তাত পানী দম হৈ থাকে তাৰ ফলত যাত্ৰী অহা যোৱা কৰিব নোৱাৰে। তাত এটা Drain দিয়াৰ কথা কৈছিল—কিন্তু সেই Drain আজিলৈকে নহল। আমাৰ Transport Ministerএ কুৰবী তলত যাত্ৰী থাকিবলৈ এটা 'চেদ' দিয়াৰ কথা কৈছিল—কিন্তু সেই কথাও কোৱা থাকিল। এতেকে যিবিলাক মন্ত্ৰীয়ে ৰাইজৰ কাম কৰিম বুলি প্ৰতিশ্ৰুতি দিও ৰাইজৰ কাম নকৰে তেওঁলোকৰ কাৰণে ১৮ কোটি ১৩ লাখ টকা

ৰাইজে কিয় বহন কৰিব? বাইজৰ কাম কৰাত সহায় হব এনে পৰিপ্ৰেক্ষিততে মন্ত্ৰী সভাৰ সংখ্যা বহুৱা হল কিন্তু কাম কিমান হৈছে? মন্ত্ৰী সভাৰ সংখ্যা বৃদ্ধিৰ প্ৰশ্ন কৰিলে তেওঁলোকে কেৰেলা বিহাৰৰ কথা কয় আৰু কামৰ ফালে আঙুলিয়ালে বৃটিছৰ শাসনৰ কথা কয়। তেওঁলোকে কয় যে শিক্ষাৰ ক্ষেত্ৰত ইংৰাজৰ দিনত ১৩ লাখ টকা খৰচ হৈছিল আৰু এতিয়া তাৰ পৰিমান ৩১ কোটিলৈ বাঢ়িল। কিন্তু এই মন্ত্ৰী সভাই নিজৰ টকাৰে অসমৰ কোনো এখন গাৱত এখন L.P. স্কুল কৰি দিয়াৰ কথা কব পাৰেনে? প্ৰত্যেকখন L.P. স্কুলেই গাৱঁৰ মানুহে টকা তুলি পাতি ৪/৫ বছৰ চলোৱাৰ পাচত Boardএ লয়। শিক্ষা বিভাগৰ মন্ত্ৰী মুখ্যমন্ত্ৰী নিজেই। তেখেতক ব্যক্তিগতভাৱে বা সামূহিকভাৱে লগ ধৰি নগাওঁ সংমণ্ডলৰ বৰ্ত্তমান পৰিদৰ্শক জনক বদলি কৰিবলৈ জোৱাত তেখেতে সেই কাম কৰা হব বুলি আশ্বাস দিয়ে কিন্তু সেইমতে কাম হলে আজিলৈকে কৰা নাই আৰু এই Instrctor জনে লামডিঙৰ এজন ভদ্ৰলোকক নিজৰ ঘৰত মৰিয়াই নাক ভাঙি দিছে ভদ্ৰলোকৰ লৰাজনক Goverment স্কুলত Admision দিয়াৰ সংক্ৰান্তত তেওঁ D.P.I.ৰ এটি নট লৈ যোৱাত নগাৱৰ Instructor জনে এনে গৰ্হিত কাম কৰে। এনেকুৱা দুৰ্নীতি পৰায়ন স্কুলৰ Inspector Nowgongত ৰখা হৈছে। মই কব খুজিছো যে Minister সকলে বাহিৰত আৰু এই বিধান সভাত দুয়ো ঠাইতে প্ৰতিশ্ৰুতি দিয়ে কিন্তু সেইবিলাক ৰক্ষা নকৰে। মোৰ বোধেৰে অন্ততঃ বাহিৰৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিব লাগে। যদি তাকে নকৰে তেন্তে তেওঁলোকক ৰখাৰ কোনো মানে নাই। আজি তেওঁলোকে যিবিলাক কাম কৰিছে তাৰ প্ৰতিক্ৰীয়া অদূৰ ভবিষ্যতে আহিব যত এই দুস্কৃতিৰ কাৰণে তেওঁলোকে অনুসূচনা কৰিব লাগিব। ইয়াকে কৈ মই কৰ্ত্তন প্ৰস্তাবটো সমৰ্থন কৰিলো।

Shri Maneswar Boro—মাননীয় অধ্যক্ষ মহোদয়, মই মাত্ৰ কেইমিনিট মানহে কম।

Mr. Speaker কওক

Shri Maneswar Boro—অধ্যক্ষ মহোদয়, আমাৰ নতুন মন্ত্ৰীসভা বঢ়াৰ ফলত ১৯৭০-৭১ চনত ১৯৭১-৭২ চনত কেবিনেট মিনিষ্টাৰৰ দৰমহাৰ

বাবদ ৩৬ হাজাৰ আৰু ৰাজ্যিক মন্ত্ৰীৰ বাবদ ২০,৪০০ মুঠ ৫৬,৪০০ বেচি ব্যয় হৈছে। আমাৰ ৰাজ্যখনৰ আৰ্থিক পৰিস্থিতি সম্পৰ্কত বহুতো সদস্যই আলোচনা কৰি গৈছে আৰু কৈছে যে চৰকাৰে স্কুলৰ কাৰণে লৰা-ছোৱালীৰ শিক্ষাৰ কাৰণে সাজ-সৰঞ্জাম দিব পৰা নাই, ৰাষ্টা-ঘাট দিব পৰা নাই; স্কুলঘৰ মেৰামত কৰিব পৰা নাই। এনে অৱস্থাত মিনিষ্টাৰৰ সংখ্যা বঢ়াই তেওঁলোকৰ ঘৰভাৰা, মটৰ কিনা আৰু ভ্ৰমণ বানচ দিয়াৰ বাবদ অৰ্থ ব্যয় কৰাটো যুক্তিসঙ্গত হোৱা নাই। কম সংখ্যক মন্ত্ৰী হলে তলতীয়া কৰ্ম্মচাৰী সকলে ভয় নকৰে বুলিয়েই নেকি মন্ত্ৰীৰ সংখ্যা বৃদ্ধি কৰিছেনেকি? মই যোৱা ১৯ ফেব্ৰুৱাৰীত ১৯৭১ ইং P.W.D. মটৰ লৈ বঢ়ীয়াৰ পৰা দৰঙালৈ যোৱা P.W.D. ৰাষ্টাটোৰ আৰম্ভ হোৱা কাউন্সীলৈ যোৱা ৯ মাইল খুটৰ পুৰা নতুন ৰাস্তাৰ ঠিকাদাৰ সকলে কাম কৰা ভাল হোৱা নাই বুলি এখন চিঠি লিখি দিলো। সেই ৰাস্তাৰ বাবে ১ লাখ ২০ হাজাৰ টকা ধৰা হৈছিল। সেই ৰাষ্টাত ১ লাখ ২০ হেজাৰ টকা দিয়া হৈছে। তাত যি ধৰণে Plan Estimate কৰা আছিল সেই ধৰণে কাম নকৰি কৰবাত ৫ ইঞ্চি কৰবাত ৬ ইঞ্চি মাটি দি মোটোকা মাৰি থৈ দিলে। অৱশ্যে হৈজনমান ঠিকাদাৰে ভাল কাম কৰা নাই বুলি নকও। এই প্ৰসঙ্গত মন্ত্ৰী মহোদয়লৈ লিখিলো যে কাম সম্পূৰ্ণ নোহোৱাকৈ যে জোখ মাখ কৰি বিল পাছ কৰিবলৈ অৰ্ডাৰ দিলে কিয়? এইটো মন্ত্ৰীক জনোৱাত তেখেতে R & Bৰ Chief Engineer & Secretary লৈ লিখিছিল 24/2/71 ইং তাৰিখে

"C.E. & Secy. P. W. D. (R & B)

Letter dated 19th February, 1971 from Shri Moneswar Boro, M.L.A., Tamulpur regarding the earthwork of Rongia Doranga P.W.D. road from 9th mile onwards is enclosed. He has made certain allegations against the S.O. Please get the allegations enquired into without least delay by an officer not below the rank of Superintending Engineer. Shri Boro desires that he should be intimated

when the officer goes for enquiry. Please ask the Enquiring Officer to give due information to the local M.L.A."

তেখেতে দিয়া চিঠিখন মই ১/৩/৭১ তাৰিখে পালো। কিন্তু আজিলৈকে তাৰ কোনো অনুসন্ধান কৰা নাই। এই সদন চলি থকা অৱস্থাতেই বাৰে বাৰে কোৱা সত্ত্বেও আজিলৈকে তাৰ কোনো কাম হোৱা নাই। আনকি তেখেতে নিজে ফোন কৰা সত্ত্বেও তাৰ কোনো Chief Engineer এ respond নকৰিলে। ইয়াৰ পিছত ২২/৪/৭১ তাৰিখে এখন চিঠি লিখিছিল তাত লিখিছিল—

"Office of the Subdivisional Officer, P.W.D., Rangia Subdivision.

From—S.D.O., P.W.D.

To

Shhri Moneswar Boro, M.L.A.

Sir,

I beg to inform you that allegation have been received for construction of a road from Rangia Darranga to 9th mile of Kuali P.W.D. road via Barkhata, Jhargaon, Majguri, Tebitols etc. and Executive Engineer, North Kamrup Division, Nalbari wants to enquire about it in your presence. If you desire so kindly intimate the date and time suitable for you for the same at an early date as all the bills of contractors have been held up"

ইয়াৰ পৰা দেখা যায় আজি মন্ত্ৰী সকলক তলতীয়া অফিচাৰ বোৰে নেমানেই। ইমানখিনি এজন cobinet মিনিষ্টাৰে কোৱা সত্ত্বেও যেতিয়া officer সকলে মন্ত্ৰীৰ কথা মনা নাই তাৰ পৰা সন্দেহ হয় যে নিশ্চয় P.W.D. মন্ত্ৰীৰ নিজৰে কিবা দুৰ্ব্বলতা থাকিব পাৰে। আজি ফেব্ৰুৱাৰী মাহৰ পৰা আজিলৈকে ইয়াৰ কোনো enquiry নহল। আনহাতে ঠিকাদাৰ সকলে কব যে আমি মাটিৰ কাম ভাল দৰে কৰিছিলো বানপানীয়ে উতুৱাই নিলে।

কাৰণ এই বানপানী আহিবৰ হলহি। আজি P.W.D. বিভাগতেই বেছি খৰছ কৰা হয়। P.W.D. বিভাগতেই বেছি দুৰ্নীতি হয় আৰু বহু টকা খৰছ কৰা হয়, এই কথা চৰকাৰে জানে।

Shri Altaf Hossain Mazumder, Minister, P.W.D. (R&B) Mr. Speaker, Sir, once the allegation was brought to my notice and I immediately asked the Department to enquire in to it. I have ordered that the enquiry by an off.ce not below the rank of Superintending Engineer. should be done without the least delay. Now I will enquire at what stage the matter stands.

Shri Moneswar Boro—ইয়াৰ বাহিৰেও খাটৰ বড়ী State dispensary ৰ বিষয়ে health minister ক মই এখন চিঠি লিখিছিলো। তাত Dispensary মেৰামতি আৰু fancing আদিৰ কাৰণে টকা দিছিল ৯০০০/—কিন্তু fancing ৰ ক্ষেত্ৰত ভলুকা বাহ দিবলৈ কোৱা সত্বেও সৰু সৰু জাতি বাহৰ খুটা দিলে। এই প্ৰসঙ্গত মই স্বাস্থ্যমন্ত্ৰীলৈ লিখিছিলো। তেখেতে মোলৈ লিখিলে

My dear Boro,

Kindly refer to your letter dated the 16th April 1971, regarding non-execution of the repair works of the Khatabari State Dispensary as per specification. I have asked the D.H.S. to cause an enquiry into the matter, and also contacted the Civil Surgeon, Gauhati regarding the same. I have suggested that if the work has not been executed according to specifications, then the question of deducting such amount from the contractors' bill may be considered.

This is for favour of your present information. With regards,"

যিমানুহে সম্পূৰ্ণ কাম কৰিবলৈ চুক্তিত আৱদ্ধ হৈ আধাহে কাম কৰে তেতিয়া হলে তেওঁলোকৰ বিল কেনেকৈ পাছ হব পাৰে। মই কালি তেখেতৰ chamber ত কথা পাতোতে তেখেতে কৈছিল যে যিখিনি কাম তেওঁলোকে কৰে সেইখিনি কামৰহে টকাটো দিব লাগে। বাকী খিনি কাম কেতিয়া কোনে কৰিব ? আমিটো local M.L.A. হিচাবে এই বিলাক মিছা কথা কোৱা নাই।

এই বিলাকেই হ'ল মন্ত্ৰীৰ কাৰ্য্য। এনেকুৱা মন্ত্ৰীৰ দ্বাৰা দেশ শাষন কৰিব নোৱাৰে। ইয়াকে কৈ মোৰ বক্তৃতা সামৰিলো।

Shri Mahendra Mohan Choudhury (Chief Minister)—অধ্যক্ষ মহোদয়, এই মঞ্জুৰীৰ শিতানত যিখিনি আলোচনা হৈছে সেইখিনিৰ সম্পৰ্কত মই কেইআষাৰমান কথা মই উত্তৰ হিচাবে কব খুজিছো। আমাৰ বিশেষকৈ সমালোচনা হৈছে মন্ত্ৰীৰ সংখ্যা বৃদ্ধি কৰাৰ কাৰণে। এই কথাটো আগতেও সদনত অনাস্থা প্ৰস্তাৱৰ যোগেদি আলোচনা কৰা হৈ গৈছে আৰু তাৰ যথাযথ উত্তৰো দিয়া হৈছে। মন্ত্ৰীৰ সংখ্যা বঢ়োৱাৰ প্ৰধান কাৰণ হৈছে যে আমাৰ অসমখন বিভিন্ন জনসমষ্টিৰ গোটত বিভক্ত। এই প্ৰত্যেক জনসমষ্টিৰে পৰোক্ষ বা প্ৰত্যক্ষভাৱে প্ৰসাসনত অংশ গ্ৰহন কৰাৰ আশা বা আকাংখ্যা আছে। সেই কাৰণেই যি কোনো সমষ্টিয়েই যাতে গণতান্ত্ৰিকভাৱে প্ৰশাসনিক ক্ষেত্ৰত অংশ গ্ৰহন কৰিব পাৰে তাৰ কাৰণেই মন্ত্ৰীৰ সংখ্যা বঢ়োৱা হৈছে। অসমৰ আগৰ মুখ্যমন্ত্ৰীয়েও কৈছিল যে—অসমত কোনো মন্ত্ৰী সভা গঠন হোৱাটো বৰ সহজ নহয়। যি কোনো এজন মুখ্যমন্ত্ৰী হলেও তেখেতে এইবিলাক কথা বিবেচনা কৰি চাই যদি কাম কৰিব খোজে তেন্তে তেখেতে মন্ত্ৰীৰ সংখ্যা কিছু পৰিমাণে বৃদ্ধি কৰিবই লাগিব। সেই ভিত্তিৰ ওপৰতেই অসমত মন্ত্ৰীৰ সংখ্যা বঢ়োৱা হৈছে। এই সন্দৰ্ভত সদনত বিশেষ ধৰণৰ বাখ্যা কৰি কোৱা হৈছে।

ইয়াৰ পিছত ৰাজ্যপাল এই পদবীটোৰ সম্পৰ্কত আমাৰ মাননীয় সদস্য শ্ৰীতুলাল চন্দ্ৰ বৰুৱা আৰু আমাৰ বন্ধু শ্ৰীহুদা ডাঙৰীয়াই বৰ কৰ্কশভাৱে সমালোচনা কৰিছে আৰু পৰামৰ্শ আগ বঢ়াইছে যে ৰাজ্যপালৰ পদটো বিশেষ

লাগতিয়াল পদ নহয় আৰু ইয়াক তুলি দিব লাগে। মই তেখেত সকলক বিনীতভাৱে জনাব খুজিছো যে ৰাজ্যপালৰ পদটো এটা সংবিধান সম্মত পদবী। সংবিধানত ৰাজ্যপালৰ পদটো ৰাখিছে। গতিকে যেতিয়ালৈকে সংবিধান সংশোধন কৰি ৰাজ্যপালৰ পদটো তুলি নিদিয়ে তেতিয়ালৈকে ৰাজ্যপালৰ কাৰণে খৰছ কৰিবলগীয়াখিনি খৰছ কৰিবই লাগিব। গতিকে যিহেতু এই সদনৰ হাতত ৰাজ্যপালৰ পদটো ৰখা-নৰখাৰ কোনো হাত নাই, সেই সময়ত কোনো ব্যৱস্থা গ্ৰহন কৰিব নোৱাৰি। স্বৰ্গীয় চলিহা ডাঙৰীয়াই কোৱা মোৰ মনত আছে যে আমাৰ মুখ্যমন্ত্ৰী চলিহা ডাঙৰীয়াইও কৈছিল যে সৰ্ব্বভাৰতীয় ভিত্তিত সকলো দলৰ representative সকলে লোক সভাত এই কথাটো তুলিছিল। এই আন্দোলনৰ ফলত ৰাজ্যপালৰ পদটো যদি তুলিও দিয়া হয় তাত হস্তক্ষেপ নকৰো। ৰাজ্যপালৰ কিছুমান দায়ীত্ব সংবিধানে নিৰ্দ্ধাৰন কৰিছে আৰু সেই দায়ীত্ব বিলাক ৰাজ্যপালে পালন কৰি আহিছে। এইখিনি দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত আমি কিছুমান খৰছ কৰিব লাগিব। আমাৰ মাননীয় সদস্য বৰুৱা ডাঙৰীয়াই ৰাজ্যপালৰ Pay and allowance সম্পৰ্কে সুধিছে যিহেতু তেওঁ অসম তথা নগালেণ্ড উভয় চৰকাৰৰ ৰাজ্যপাল। ৰাজ্যপালৰ Pay and Allowance দুখন ৰাজ্যই ভাগ কৰি লৈছো ৩৭ঃ১ হিচাৱে। অৰ্থাৎ অসমৰ ৩৭ টকা হলে নগালেণ্ডৰ ১ টকা।

Shri Atul Chandra Goswami—নগালেণ্ড আৰু অসম চৰকাৰে বহি এই ৩৭ঃ১ কৰিলে নে বিষয়াসকলে এই ৰেচিৱ উলিয়ালে নে কেন্দ্ৰীয় চৰকাৰে এইটো কৰি দিছে ?

Shri Mahendra Mohan Choudhury—Population basisত কৰা হৈছে।

Shri Dulal Chandra Barua—এই ruleটো কোনে কৰিলে কেন্দ্ৰীয় চৰকাৰে নে অফিচাৰে ?

Shri Mahendra Mohan Choudhury—এই কথাটো মই ঠিক কৰ নোৱাৰো বোধকৰো নগালেণ্ড চৰকাৰ আৰু আমাৰ চৰকাৰৰ বুজাপৰাৰ মাজত হৈছে আৰু তাত কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনাইছে। ৰাজ্যপালৰ পদটো উঠাই দিয়াৰ কথা কৈছে।

Shri Dulal Chandra Barua—মই ৰাজ্যপালৰ Postটো উঠাই দিয়াৰ কথাটো কোৱা নাই। এই দাবী কৰিছো এইজন ৰাজ্যপালক ইয়াৰ পৰা আতৰাই দিবলৈ।

Shri Mahendra Mohan Choudhury—সেই সম্পৰ্কে জবাব দিবলৈ মই অক্ষম, সেই বিষয়ে যদি সদনত প্ৰস্তাব লোৱা হয় তেনেহলে বিহিত ব্যৱস্থাৰ কাৰণে ভাৰত চৰকাৰলৈ পঠিয়াব পাৰো, এজন সদস্যৰ প্ৰস্তাবত উত্তৰ স্বৰূপে মই একো কব নোৱাৰো। আৰু এটা কথা কোৱা হৈছে—যে ৰাজ্যপালে অসম বিধান সভাত যি বক্তৃতা দিয়ে তাৰ গুলোটা বক্তৃতা নাগালেণ্ড বিধান সভাত দিয়ে। অৱশ্যে প্ৰমাণ মই পোৱা নাই।

Shri Atul Chandra Goswami—আমাৰ বিধান সভাৰ বাজেট বক্তৃতা আৰু নাগালেণ্ড বিধান সভাৰ বাজেট বক্তৃতা পঢ়িলেই তাৰ প্ৰমাণ পাব।

Shri Mahendra Mohan Choudhury—বাজেট বক্তৃতাত তাক বিচাৰি উলিওৱাটো টান, নাগালেণ্ড বিধান সভাত সীমা সম্পৰ্কে উল্লেখ কৰি কৈছিল যে ১৯২৫ চনতে যি সীমা নিৰ্দ্ধাৰণ কৰা হৈছিল সেই সীমা পোনৰ কেন্দ্ৰীয় চৰকাৰে সোনকালে নিৰ্দ্ধাৰণ কৰিব। ইয়াৰ বাহিৰে অন্য কথা কোৱা নাই।

Shri Dulal Chandra Barua—আপুনি Official Record নোচোৱাকৈ কেনেকৈ কব। আমাক জানোবা যি ভাষন দিছে আৰু নাগালেণ্ড বিধান সভাত যি ভাষন দিছে তাৰ মাজত নিশ্চয় তাৰতম্য আছে, আজি আমি দুয়োখন ভাই ভাইৰ মাজত কাজিয়া কৰিবলৈ ওলাইছো, গতিকে এইটো এটা গুৰুত্বপূৰ্ণ কথা।

Shri Mahendra Mohan Choudhury—একেজন মানুহে দুখন ৰাজ্যৰ ৰাজ্যপাল হলে তেওঁৰ দ্বৈত দায়িত্ব থাকে। আৰু সংবিধান অনুসৰি তাক পালন কৰিব লাগে। আজি কিছুমান ক্ষেত্ৰত আসোঁৱাহ নোহোৱা নহয়। আৰু কিছুমান ক্ষেত্ৰত দায়িত্ব পালন কৰাও অসুবিধা হৈছে। এই কাৰণে নাগালেণ্ডৰ পৰা দাবী কৰিছে যে তেওঁলোকক এজন বেলেগে ৰাজ্য-পাল লাগে। আৰু কেন্দ্ৰীয় চৰকাৰে মোৰ বিশ্বাস অতি সোনকালে এই

বিষয়ে সিদ্ধান্ত গ্ৰহন কৰিব।

নগা সমস্যা সম্পৰ্কে আলোচনা হৈ আছে। আমি দুয়োখন ৰাজ্যৰ মাজত অশান্তি হোৱাটো কামনা নকৰো। আমাৰ বৰুৱা ডাঙৰীয়াই ঠিকেই কৈছে যে এই সমস্যাটোৰ সমাধান কৰিবলৈ আমি দুয়োখন দেশেই ভাৰত চৰকাৰৰ লগত আলোচনা কৰিব লাগিব। এই বিষয়ে সিদ্ধান্ত গ্ৰহন কৰাও হৈছে। কিন্তু যি কোনো কাৰণতেই নহওক এই সিদ্ধান্তৰ বিষয়ে মই ঘোষণা কৰিব নোৱাৰি দুঃখিত।

মন্ত্ৰীসকলৰ ভ্ৰমন সম্পৰ্কীয় আলোচনা হৈছে। মন্ত্ৰীসকলৰ ভ্ৰমন বেছি হৈছে আৰু মই নিজে বেছি ভ্ৰমন কৰা বুলি অনুভব কৰিছো। কিন্তু প্ৰশাসনৰ আসোৱাহবিলাক বুজাৰ কাৰণে ভ্ৰমন দৰকাৰ হৈ পৰে। আমাৰ বৰুৱা ডাঙৰীয়াই ঠিকেই কৈছে যে যি কোনো কাম কাজতেই মন্ত্ৰীসকলে কৰ্ম্মচাৰী সকলৰ লগত হস্তক্ষেপ কৰিব নেলাগে। কিয়নো তেতিয়া প্ৰশাসনৰ সৃজনী শক্তি নাইকিয়া হয়। অফিছাৰ সকলৰ সহযোগৰ দ্বাৰা মন্ত্ৰীসকলে কাম নকৰিলে উপায় নাই। কিন্তু ভ্ৰমন বেছি হৈছে—এই কথা মই স্বীকাৰ কৰিছো আৰু এই ভ্ৰমন কমাবলৈ চেষ্টা চলোৱা হৈছে। একে ঠাইতে দুজনকৈ মন্ত্ৰী যোৱা কথাটো যিমান পৰা যায় নিয়ন্ত্ৰণ কৰিব লাগে আৰু এই বিষয়ে মই সহকৰ্ম্মী সকলকো অনুৰোধ কৰিছো।

সেই কাৰণেই এই বিলাক কাৰ্য্যকৰী কৰিবৰ কাৰণেই কোনো কোনো ক্ষেত্ৰত মন্ত্ৰী সকলে সময়ে সময়ে ভ্ৰমণ বেচি কৰিব লগীয়া হয় আৰু কেতিয়াবা কেতিয়াবা জোৰে যে ভ্ৰমণ বেছি হয় এই কথা মই অস্বীকাৰ নকৰো সময়ে সময়ে এনেকৈ প্ৰশাসনৰ বেমেজালি বিলাক বুজিবৰ কাৰণেই বেছি ভ্ৰমণৰ প্ৰয়োজন হয়। আৰু কোৱা হৈছে যে একে সময়তে, একে ঠাইতে বহুত মন্ত্ৰীয়ে ভ্ৰমণ কৰে। মই কওঁ এই বিলাক এৰাবলৈ চেষ্টা কৰিব লাগে। আৰু আমাৰ মাননীয় সদস্য সকলে যি বিলাক পৰামৰ্শ আগবঢ়াইছে সেই বিলাক বিভাগীয় মন্ত্ৰী সকলক কাৰ্য্যকৰী কৰিবলৈ মই অনুৰোধ জনাইছো।

আৰু এটা কথা কৈছে যে মন্ত্ৰী সকলে ভ্ৰমণ কৰোতে স্থানীয় M.L.A. সকলক নজনায়। এই সংক্ৰান্তত মই কওঁ যে আমাৰ এটা নিৰ্দ্দেশ আছে যে যি ঠাইতে মন্ত্ৰীয়ে ভ্ৰমণ কৰে সেই ঠাইৰ M.L.A. জনক আগতিয়াকৈ

জনাব লাগে। কিন্তু কেতিয়াবা মন্ত্ৰী সকলে ভ্ৰমণ কৰাৰ প্ৰগ্ৰেম কৰি লৈয়ে জনাব লগীয়া হয়। এই ধৰনেৰে প্ৰগ্ৰেম সলনি কৰোতে হয়তো স্থানীয় M.L.A. সকলক জনাবলৈ সময় নহয় কিন্তু যিমান পৰা যায় স্থানীয় M.L.A. সকলক জনাবলৈ চেষ্টা কৰিব লাগে। আৰু আমি যলৈকে যাও তাৰ খবৰ M.L.A. সকলে যেন পায় তাৰ সুবিধাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। মই এই বিলাক কথা বিশেষ ভাবে কাৰ্য্যকৰী কৰিবলৈ চেষ্টা কৰিম। ( শ্ৰীএ; এন আক্ৰাম হুচেই—পৰিবহন মন্ত্ৰী মনে মনে যায়। )

Shri Sailen Medhi—আমি জনাত মন্ত্ৰী, ৰাজ্যিক মন্ত্ৰী বা উপমন্ত্ৰী সকলৰ চৰকাৰী কামৰ বাহিৰেও ব্যক্তিগত কাম থাকিব পাৰে বা পাটিৰ মিটিং মিটিৰ কুটুমৰ বিয়া বাৰু আদিত যাব লগীয়া হয়। কিন্তু আমি আজিলৈকে মন্ত্ৰী সকল এনে ধৰণৰ বক্তিগত কামত ঘূৰাৰ কথা শুনা নাই। আমি ভাবো যে তেওঁলোকে চৰকাৰী কামৰ অযুহাত লৈ এই ধৰণৰ বিয়া-বাৰু বা পাটিৰ মিটিং আদিত ঘূৰি ফুৰে। কিন্তু এনে ধৰনেৰে যাওতে স্থানীয় M.L.A. ক নজনায় গতিকে মুখ্যমন্ত্ৰী মহোদয়ে এই বিলাক কথা বিবেচনা কৰিব লাগে যাতে ব্যক্তিগত কাম লৈ যাওতে ভ্ৰমণ বানচ আদায় নকৰে।

Shri Mahendra Mohan Choudhary—কেতিয়াবা পাটিৰ আদিৰ কামত যাওতে ৰাজহুৱা কাম কৰিব লগীয়া হয়। কিন্তু এনে ধৰনেৰে পাটিৰ কাম বা ব্যক্তিগত কামত ভ্ৰমণ কৰিলে ভ্ৰমণ বানচ লোৱাটো উচিত নহয়। কিন্তু মন্ত্ৰী সকলে ৰাজহুৱা কাম কৰিলে বা চৰকাৰী কামত ভ্ৰমণ কৰিলে ভ্ৰমণ বানচ লোৱাটো অপৰাধ নহয়। এই ক্ষেত্ৰত আমাৰ মাননীয় সদস্য মেধী ডাঙৰীয়াই যি বিলাক পৰামৰ্শ ডাঙি ধৰিছে সেই বিলাক মানি চলিবলৈ চেষ্টা কৰিম।

Shri Dulal Chandra Barua—মই এটা কথা জনাব খুজিছো। কথাটো বৰ লাজ লগা ধৰণৰ যদি ইয়াৰ কিবা প্ৰমাণ লাগে বা সাখী-বাদী লাগে তেন্তে মই মুখ্য মন্ত্ৰী ডাঙৰীয়াক ব্যক্তিগত ভাৱে দিব পাৰিম। কিন্তু এনে ধৰনেৰে মুকলি ভাৱেৰে কৈ কাকো অপদস্ত কৰা মোৰ উদ্দেশ্য নহয়। আমাৰ মন্ত্ৰী সকল ভ্ৰমণ গলে ভাত, চাহ খোৱাৰ ব্যৱস্থা আছে। কিন্তু দুখৰ কথা হল যে মন্ত্ৰী সকলে ভাত, চাহ খাই; কিন্তু তাৰ বিল Paid

নকৰে। তেওঁলোকৰ লগত যি সকল অফিচাৰ থাকে সেই সকলেই বিল Paid কৰিলেই হয়। এমুঠি ভাত খাই তাৰ দাম নিদিয়াটো কেনে ধৰণৰ কথা। তেওঁলোকে যি T.A. পায় তাৰ পৰাওটো দি আহিব পাৰে। এই ধৰণৰ ব্যৱস্থা চলি থকাৰ কাৰণেই প্ৰশাসনত ঘূনে ধৰা বুলি অনুমান হৈছে। যি সকলে এনে কৰিছে তেওঁলোকৰ চাগৈ মন গোন্ধাইচেই। এই সম্পৰ্কে মুখ্য মন্ত্ৰী মহোদয়ে সতৰ্ক কৰি দিব লাগে।

Shri Mahendra Mohen Choudhury— শ্ৰীবৰুৱা ডাঙৰীয়াৰ পৰামৰ্শ মানিবলৈ চেষ্টা কৰিম।

তাৰ পাচত বৰুৱা ডাঙৰীয়াই কেইজনমান মন্ত্ৰীৰ বিৰুদ্ধে অভিযোগ আনিছে। বিশেষকৈ P.W.D. ৰ মন্ত্ৰীৰ বিৰুদ্ধে আৰু যোৱা বাৰৰ বিধান সভাত তেখেতে এই কথা উত্থাপন কৰিছিল। এই অভিযোগৰ বিৰুদ্ধে ভিজিলেন্স কমিশ্যনাৰৰ দ্বাৰা তদন্ত কৰোৱা হৈছে। আৰু সেই তদন্তৰ ৰিপট হাউচৰ কনভেণ্শ্যন অনুসৰি সদনত দিব পৰা নাযায়। যি সকল সদস্যই সেই ৰিপট চাবলৈ ইচ্ছা কৰে তেখেত সকলে অধ্যক্ষ মহোদয়ৰ অনুমতি লৈ তেখেতৰ চেম্বাৰত চাব পাৰে।

(এটি স্বৰ মন্ত্ৰীৰ বিৰুদ্ধেহে ৰিপট দিহেনে অফিচাৰৰ বিৰুদ্ধেও দিছে।)

তাৰ পাচত আমাৰ হুদা চাহাবে কৈছে যে মন্ত্ৰী সকল বা ৰাজ্যপালে যেনেকৈ ভ্ৰমণ কৰে তেনেকৈ M.L.A: সকলেও ভ্ৰমণ কৰিবৰ কাৰণে প্ৰত্যেক M.L.A. কে একোখনকৈ জিপ দিয়াৰ ব্যৱস্থা কৰিব লাগে। যদি সদস্য সকলে এইটো পাচ কৰি দিয়ে তেতিয়া হলে মোৰ একো কবলগীয়া নাই। জিপ যদি দিব নোৱাৰে তেন্তে বুক ভেলুত চৰকাৰৰ ব্যৱহৃত বিক্ৰী কৰিব লগীয়া গাড়ী থাকিলে সেই বিলাক দিব লাগে। আগতে তেনেকুৱা এটা কৰা হৈছিল ২/৪ জন মেম্বাৰে লৈছিলে কিন্তু সেই পদ্ধতিটো থিক নহয় বুলি বহুতো সমালোচনা হল তাৰ ফলত বন্ধ কৰিব লগীয়া হয় আৰু সেই গাড়ী বিলাক পিচত নিলামত বিক্ৰী কৰাৰ ব্যৱস্থা লোৱা হয়। যদি সদস্য সকলে বিচাৰে তেন্তে সেই কথা মানিবলৈ ৰাজি আছো।

আমাৰ এই বাৰৰ লোক পিয়লত শতকৰা ১ জনকৈ শিক্ষিতৰ সংখ্যা বাঢ়িছে। দৰাচলতে এই সংখ্যা ভুল। এইটো হব লাগে শতকৰা ৩০৪%।

ইয়াৰ কাৰণ হৈছে আমাৰ ৰাজ্যত বহুতো বাহিৰৰ মানুহ আছে।

আমাৰ এইবাৰ জনপিয়লৰ যি হিচাব হল সেই হিচাবত আমাৰ শতকৰা ৩৪ কিবা এটা জনসংখ্যা বৃদ্ধি পাইছে। ইমানখিনি বৃদ্ধি স্বাভাবিক বৃদ্ধি নহয়। আজি ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ বৃদ্ধিৰ পৰিমান শতকৰা ২৫ ৰ ওপৰলৈ যোৱা নাই। ইমান ছাত্ৰ সংখ্যা বৃদ্ধি পোৱা সত্বেও আমাৰ যে শিক্ষিত লোকৰ সংখ্যা কমিছে তাৰ প্ৰধান কাৰণ হল যে বাহিৰৰ পৰা যিবিলাক মানুহ আহে তাৰ সংখ্যা হল শতকৰা ৯ ভাগ। এই বিলাক মানুহৰ বেছি ভাগেই মজুৰীৰ কাম কৰিবলৈ আহে। লিখা পঢ়া বা শিক্ষিত মানুহৰ সংখ্যা কম সেই কাৰণে আমাৰ যিমান পৰিমাণে শিক্ষিত মানুহৰ সংখ্যা বাঢ়িব লাগিছিল সেই পৰিমাণে বঢ়া নাই।

আমাৰ শ্ৰীছদা চাহাবে কৈছে যে বানবিধ্বস্ত লোকক যথেষ্ট পৰিমানে সাহায্য দিয়া হোৱা নাই আৰু এই সাহায্য বঢ়াবৰ কাৰণে মন্ত্ৰীৰ সংখ্যা কমাব লাগে, কিন্তু মন্ত্ৰীৰ সংখ্যা যিমানেই নহওক আমি সাহায্য বঢ়াবৰ কাৰণে চেষ্টা চলাই আছোঁ।

আমাৰ শ্ৰীবড়ো ডাঙৰীয়াই কৈছে যে মন্ত্ৰীৰ সংখ্যা বেছি হোৱাৰ কাৰণে মুঠ খৰচ বাঢ়িছে ৫৪ হেজাৰ টকা। কেবিনেট মন্ত্ৰীৰ কাৰণে বাঢ়িছে ৩০ হেজাৰ টকা আৰু বাকী বিলাক মন্ত্ৰীৰ কাৰণে বাঢ়িছে ২৪ হেজাৰ টকা মুঠতে বাঢ়িছে ৫৪ হেজাৰ টকা এই ৫৪ হেজাৰ টকাৰে বানবিধ্বস্ত দুৰ্গতঃ লোক সকলক সহায় কৰিব পাৰি। মই কওঁ যে বৰ্ত্তমান আমাৰ বান পানীত দুৰ্গতঃ লোক সকলৰ সহায়ত প্ৰায় বছৰি ডেৰকোটি টকা খৰছ কৰা হয়। ইয়াৰে কিছু ভাৰত চৰকাৰে দিয়ে আৰু কিছু আমাৰ ৰাজ্যিক বাজেটৰ পৰা খৰচ কৰা হয়।

Shri Atul Chandra Goswami—বড়ো ডাঙৰীয়াৰ অঙ্কটো আপুনি শুদ্ধ বুলি ভাবে নেকি?

Shri Mahendra Mohan Choudhary—তেখেতে শুদ্ধ বুলি কলে মইও শুদ্ধ বুলি কম।

Shri Dulal Chandra Barua—মই কালি হিচাব দিছিলো যে মন্ত্ৰী সকলৰ T.A. ৰ কাৰণে ৬ মাহত লাগিব ৪ লাখ ২৮ হেজাৰ আৰু

যোৱাবছৰ T.A. ত খৰচ কৰিছে ৮ লাখ ৪৯ হেজাৰ। অন্যান্য Official লোকক বাদ দি এইখিনি অকল মন্ত্ৰীয়ে খৰছ কৰে। এটা Head তে যদি ইমান টকা খৰছ কৰে তেন্তে কেনেকৈ হব? আনহাতেদি ঘৰৰ ভাৰাটো যথেষ্ট খৰছ বাঢ়িছে। আগৰ C.M ৰ ঘৰটোও এনেই পৰি আছে। ভাৰৈ তেখেত যাবলৈ ভয় কৰিব পাৰে; কিন্তু ভয় কৰিব লগীয়া কথা একো নাই, কাৰণ এইটো ভাগ্যৰ কথা। যি নহওক কালি হিচাব কৰি দেখিছো যে ১০/১২ টা ঘৰভাৰা লৈছে, গাড়ী লৈছে চাপ্ৰাছী লৈছে আৰু দৰ্মহা লৈছে। এই বিলাকত আগতকৈ প্ৰায় শতকৰা ৫৫ ভাগ খৰছ বাঢ়িছে। গতিকে গোটেইবোৰৰ হিচাব আমাক দিব লাগিব।

Shri Mahendra Mohan Chaudhury—সেই সকলোবোৰ হিচাব বাজেটতেই দিয়া আছে।

Shri Dulal Chandra Barua—ইয়াত House rent ৰ বাবে ৫০ হেজাৰ টকাৰ হিচাব দিছে, কিন্তু দুটা ঘৰ ভাৰাতে ৫০ হেজাৰ টকা দিব লাগে।

Shri Maneswar Boro—কেবিনেট মন্ত্ৰীৰ ৩৪ হেজাৰ আৰু State Minister ৰ ৫৬ হেজাৰ Basic pay.

Md. Shamsul Huda—মূখ্যমন্ত্ৰীয়ে ৫৫ হেজাৰ টকা বঢ়াৰ কথা কলে—House কো Mislead কৰা হব আৰু জনসাধাৰণকো Mislead কৰা হব।

Sri Mahendra Mohan Choudhury—মোৰ নিজৰ পৰা কোৱা নাই। আমাৰ মাননীয় সদস্য মনেশ্বৰ বড়োৱে উল্লেখ কৰাৰ কাৰণে মই কৈছো। শ্ৰীবৰুৱা দেৱে T. A. ৰ সংক্ৰান্তত আসোঁৱাহ তুলিছে যে ইয়াত যিটো T.A. ধৰা হৈছে সেইখিনি ৬ মাহতে খৰছ হব। আমি যোৱাবছৰৰ খৰছৰ ওপৰত ভিত্তি কৰি এই টকাটো ধৰিছোঁ।

Current year's provision has been repeated in each case on the basis of last year's actuals and to maintain effective economy on T.A. of Ministers, house rent and conveyance allowance and leave salary etc........

তাৰ পাছত শ্ৰীহুদা চাহাবে এটা ভাল পৰামৰ্শ আগবঢ়াইছে যে—ব্ৰহ্মপুত্ৰত প্ৰত্যেক বছৰে 'চৰ' পৰে আৰু তাৰ ফলত বহুতলোক গৰাখহনীয়াৰে

কৰলত পৰিছে। যদি সেই 'চৰ' বিলাকলৈ গৰাখহনীয়া মানুহ যাবৰ কাৰণে ইচ্ছা কৰে, তেন্তে আমাৰ সিদ্ধান্ত অনুসৰি তেনে লোকক পট্টা আদি দিবলৈ ৰাজী আছোঁ। সেইবিলাক ঠাইত কোনোবাই যদি গৰু ম'হ ইত্যাদি পোহিব খোজে সমবায় ভিত্তিতেই হওক বা ব্যক্তিগত ভিত্তিতেই হওক সেইটো দিবৰ কাৰণে আমি ৰাজী আছো। এইটো মই বিবেচনা কৰি মঞ্জুৰ কৰিছো।

আমাৰ প্ৰত্যেক মহকুমাই মহকুমাই চেনিকল কৰিব লাগে বুলি যিবিলাক পৰামৰ্শ দিছে, সেইবিলাক এই শিতানত নপৰে। Small scale industry বৰাবৰ কাৰণে আৰু নিবনুৱা সমস্যা সমাধানৰ কাৰণে যিখিনি কৰাৰ প্ৰয়োজন সেইখিনি কৰিবলৈ চেষ্টা কৰিছো।

তাৰ পাছত Publicity store verification কৰিবৰ কাৰণে শ্ৰীত্ৰিপাঠী ডাঙৰীয়াই আশ্বাস দিছে এই ক্ষেত্ৰত মইও ব্যক্তিগত ভাবে ব্যৱস্থা গ্ৰহণ কৰিম। India Carbon ত কাৰ অংশ আছে আৰু কোন কোন মন্ত্ৰীৰ অংশ আছে সেইটো মই চোৱা নাই। এইটো কাৰ্য্যকৰী কৰিবৰ কাৰণে মই Industry Minister ক সোঁৱৰাই দিম।

ইয়াৰ পাছত নগাওঁৰ এজন কৰ্মচাৰীৰ বদলিৰ ক্ষেত্ৰত মই আশ্বাস দিছিলো আৰু সেই আশ্বাস মই পুনৰাবৃত্তি কৰিব বিচাৰিছো। এজন Officer ক বদলি কৰিবলৈ যাওঁতে কেইবাজনো Officer ক বদলি কৰিব লগীয়া হয়। গতিকে এজন Officer ৰ দোষৰ কাৰণে বদলি কৰা হয়, কিন্তু সেইজন বদলি কৰিব যাওতে যদি আন কিছুমান অফিচাৰক বদলি কৰিব লগীয়া হয় তেতিয়া হলে এইটো ভাল কথা নহব।

Sri Maneswar Boro—এতিয়া February, March শেষ হৈ April পালেহি। কিন্তু আজিলৈকে তদন্ত নহল কিয়।

Sri Mahendra Mohan Choudhury—তাৰ পাছত ঠিকাদাৰে যদি কাম আধৰুৱা কৰে তেন্তে আধৰুৱা কামৰ টকা-পয়ছা দিব নালাগে বুলি কৈছে। কিন্তু এইক্ষেত্ৰত বেলেগ বেলেগ কামৰ এটা নিৰ্দ্দিষ্ট নিয়ম আছে। যদি ঠিকাদাৰে কাম কৰাত অকৃতকাৰ্য্য হয় তেনেহলে Notice cancel কৰিব লাগে আৰু বাকী পাবলগীয়া টকাৰ হিচাব ৰাখিব লাগে। আৰু যদি সম্পূৰ্ণ কৰে তেন্তে নতুন ব্যৱস্থা গ্ৰহণ কৰা হয়। সেই নতুন ব্যৱস্থাত

যদি বেছি খৰছ হয় তেন্তে সেই খৰছখিনি তেওঁৰ Billৰ পৰা কাটি লব লাগে। কিন্তু ঠিকাদাৰৰ টকা পইছা বাজেয়াপ্ত কৰা নিয়ম আছে বুলি মোৰ জনা নাই, যদি criminal action ত hold up কৰা হয়।

তাৰ পাছত শ্ৰীলক্ষ্য চৌধুৰীয়ে কৈছিল আমাৰ অসমলৈ পূৰ্ব পাকিস্তানৰ পৰা ভগনীয়া আহি আছে আৰু কিছুমান সমস্যা সৃষ্টি হৈ আছে আৰু এই সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰক উদাসীন বুলি কৈছে আৰু কৈছে যে আজিলৈকে বাংলাদেশক স্বীকৃতি নিদিয়াটো অন্যায় হৈছে। মই কওঁ যে এইটো ৰাজ্যিক চৰকাৰৰ কাম নহয় কেন্দ্ৰীয় চৰকাৰৰহে কাম এই বিষয়ে আলোচনা কৰিবৰ কাৰণে এটা Secret session হব লাগে আৰু আজি চাৰে বাৰ বজাত আলোচনা কৰিব লাগে। সদনৰ সদস্য সকলৰ ফালৰ পৰা এটা সজাতি দল গৈ চাব লাগে যে আমাৰ সীমান্তত ভগনীয়াবিলাক কেনে অৱস্থাত আছে। তেতিয়া হলে আমাৰ আলোচনাত সহায় হয়। সেই কাৰণে এই বিষয়ে এতিয়া মই বেছি নকও। মই যিখিনি জানো আলোচনা হোৱাৰ পাছত সদনক জনাম। বাংলাদেশক আক্ৰমন কৰা বিষয়ে আগতে এদিন ইয়াত আলোচনা হৈ গৈছে। গতিকে ইয়াৰ পৰিপ্ৰেক্ষিতত যিবিলাক ঘটনা ঘটে সেইবিলাকৰ দায়িত্ব আমি গ্ৰহন কৰিব লাগিব।

Premadhar Bora—আমি বাংলাদেশক সমৰ্থন কৰি প্ৰস্তাৱ লৈছিলো আৰু সেইমতে শৰানাৰ্থীৰ শিবিৰ পাতিছো আৰু চিকিৎসাৰ ব্যৱস্থা কৰিছো কিন্তু সেইবিলাক মানুহ যেতিয়া ইয়ালৈ একেবাৰে আহি থাকে সেই বিষয়ে চৰকাৰৰ দায়িত্ব নাইনে?

Shri Mahendra Mohan Choudhury— দায়িত্ব আছে; কিন্তু আমাৰ capacity ৰ ওপৰত নিৰ্ভৰ কৰিহে আমি ব্যৱস্থা কৰিম।

কালি মই পশ্চিম বঙ্গ ত্ৰিপুৰা আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰিছো। পশ্চিম বঙ্গৰ মুখ্যমন্ত্ৰীয়ে কৈছে যে তালৈ ৫ লাখ ভগনীয়া আহিছে ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰীয়ে কৈছে যে তালৈ আঢ়ৈ লাখ ভগনীয়া আহিছে আমাৰ সংখ্যাৰ পৰিমান যেতিয়া আলোচনা হয়, তেতিয়া জনাম।

তাৰ পাছত শ্ৰীলক্ষ্য চৌধুৰীয়ে কৈছে যে বদৰপুৰত যিটো ঘটনা ঘটিল সেইটো ইয়াৰ প্ৰতিক্ৰিয়া। আমাৰ যিখিনি চৰকাৰী Report আছে সেইমতে

এইটো কথা ভগনীয়াৰ লগত সম্বন্ধ নাই। সৰু Pick pocketৰ কথা লৈয়েই এই ঘটনা ঘটিছে আৰু ই বৰ দূৰ্ভাগ্যজনক কথা।

চৰকাৰৰ ফালৰ পৰা এইটো বন্ধ কৰিবৰ কাৰণে নিৰ্দ্দেশ দিছো আৰু ফৌজ ৰাখিবলৈ নিৰ্দ্দেশ দিয়া হৈছে। যদি কোনোবা মানুহে সাম্প্ৰদায়িক সম্প্ৰীতি নষ্ট কৰিবলৈ চেষ্টা কৰে তেনেহলে কঠোৰভাবে ব্যৱস্থা গ্ৰহণ কৰি দমন কৰিব লাগে। এইখিনিয়েই যিবিলাক প্ৰশ্ন সদনত উত্থাপন হৈছিল তাৰ জবাব দিলো। মই আশা কৰিছো যে কৰ্ত্তন প্ৰস্তাৱটো তুলি লোৱা হব আৰু এই মঞ্জুৰী সদনে গ্ৰহণ কৰিব।

Mr. Speaker Now, Cut Motion. The question is that the total provision of Rs. 18,62,600, under Grant No.10, Major head "19-General Administration-1-Heads of States and Ministers", at pages 45-50 of the Budget, be reduced to Re. 1, i. e., the amount of the whole grant of Rs. 18,62,600, do stand reduced to Rs. 100.

(Division : Voice Vote)

Mr. Speaker : Ayes 16 and Noes 38. The motion is lost.

Mr. Speaker—মঞ্জুৰী নং ১০। ১৯৭২ চনৰ ৩১ মাৰ্চ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত "১৯—সাধাৰণ প্ৰশাসন। ৰাজ্যিক মুৰব্বী সকল আৰু মন্ত্ৰী সকলৰ শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত ব্যয় বহন কৰিবলৈ প্ৰয়োজনীয় ১৮,৬২,৬০০ টকাৰ কাৰণে ভাৰ প্ৰাপ্ত মন্ত্ৰীক ১৩,৯৭,০০০ টকা মঞ্জুৰ কৰা হওক।

(The motion was adopted)

Adjournment

The House then adjourned for lunch till 2 P. M.

(The House reassembled at 2 p. m. with Mr. Speaker in the Chair.)

Demand Nos. 11 and 12

Shri Mahendra Mohan Choudhury—(Chief Minister) Grant Nos. 11 and 12 while are similar demands. They

are parts of the one demand.

অধ্যক্ষ মহোদয়, মই ১১ নং আৰু ১২ নং মঞ্জুৰী দুটা সদনত দাভী ধৰিছো।

Shri Dulal Chandra Barua—অধ্যক্ষ মহোদয়, মই ১১ নং আৰু ১২ নং দাবী দুটাৰ বিৰোধিতা কৰি মোৰ কৰ্ত্তন প্ৰস্তাৱ দাঙি ধৰিছো।

অধ্যক্ষ মহোদয়, আজি চৰকাৰৰ প্ৰশাসনীয় ব্যৱস্থাই অসমৰ অৰ্থনৈতিক, সামাজিক বা ৰাজনৈতিক জীৱনৰ মানদণ্ড উন্নত কৰাত সম্পূৰ্ণ ভাবে ব্যৰ্থ হৈছে। আজি যি প্ৰশাসন চলিছে তাত কোনো নিশ্চয়তা নাই। ইংৰাজৰ পৰা দেশ মুক্ত হোৱাৰ পিচৰ পৰা যি ধৰণে প্ৰশাসন যন্ত্ৰ চলাব লাগিছিল সেইদৰে চলোৱাত চৰকাৰ সম্পূৰ্ণ ব্যৰ্থ হৈছে, ফলত ২৪/২৫ বছৰ আগতে আমাৰ যি সামাজিক, অৰ্থনৈতিক বা ৰাজনৈতিক জীৱনৰ যি ভূমিকা সি সম্পূৰ্ণ ভাৱে পৰিবৰ্ত্তন হৈছে। মানুহ হিচাপে জীয়াই থকাৰ প্ৰয়াস নাগৰিক হিচাপে জীয়াই থকাৰ প্ৰচেষ্টাৰ আমূল পৰিবৰ্ত্তন ঘটিছে; অৱশ্যে এই পৰিবৰ্ত্তন যিমান হব লাগিছিল সিমান হোৱা নাই। আজি বহুত বিভাগ খোলা হৈছে। অৰ্থনৈতিক মানদণ্ড উন্নত কৰাৰ মানসেৰে নানা বিভাগৰ সৃষ্টি হৈছে যদিও যিটো মূল বস্তুৰ পৰিবৰ্ত্তন কৰিব লাগিছিল সেইটোৰ কোনো পৰিবৰ্ত্তন কৰা নহল। আজি প্ৰশাসনৰ ভাৰ সাম্যতা ৰক্ষা কৰিব পৰা নাই। আমি নামতহে welfare state বুলি কৈছো। অৰ্থনৈতিক উন্নতিৰ কাৰণে যি ৰকমে খৰচৰ ব্যৱস্থা কৰিব লাগিছিল সেইদৰে কৰাত সম্পূৰ্ণ ব্যৰ্থ হৈছে। তাৰ পৰিবৰ্ত্তে উপৰি গধুৰ শাসন যন্ত্ৰ সৃষ্টি কৰা হৈছে। সৰ্ব্বপ্ৰথমে মন্ত্ৰীৰ কথাকে কওঁ। আজি মন্ত্ৰীৰ সংখ্যা বঢ়াৰ লগে লগে বিষয়াৰ সংখ্যাও বৃদ্ধি কৰিছে আৰু নতুন নতুন বিভাগৰ সৃষ্টি কৰিছে। অৱশ্যে কব পাৰে যে ইয়াৰ দ্বাৰা নিৰনুৱা সমস্যা সমাধান কৰিব পাৰিছে। কিন্তু তাৰ লগতে ৰাইজক গণতান্ত্ৰিক ভিত্তিত গঢ় দিবলৈ চৰকাৰ সম্পূৰ্ণ ভাবে ব্যৰ্থ হৈছে। আজি সকলো ক্ষেত্ৰতে বিত্তমন্ত্ৰীয়ে কয় টকা পয়ছাৰ অভাব। বানপানীৰ কথা কলেও কয় টকা পইছাৰ অভাৱ। সেইটো আমি মানি লৈছো। কিন্তু শাসন যন্ত্ৰৰ নামত ইমান টকা খৰচ কৰিছে যদিও ৰাইজৰ আৰ্থিক উন্নতি হোৱা নাই। আজি কিবা এটা কাম চৰকাৰে হাতত লৈ বিভাগলৈ পথায় কাৰ্য্যকৰী কৰিবৰ কাৰণে। বহুত ক্ষেত্ৰত কাৰ্য্যকৰী কৰাত পলম হয় আৰু কিছুমান ক্ষেত্ৰত কৰাই নহয়। ফলত ৰাইজে কোনো ফল নেপায়। আজি আমি কবলৈ বাধ্য হৈছো যে

Speech not corrected

শাসন যন্ত্ৰ নামত শোষণ কৰা হৈছে। আজি সকলো ঠাইতে I.A.S. অফিচাৰ বহুত্ৰাই যদি শাসন যন্ত্ৰৰ উন্নতি কৰা হব বুলি ভাৱে তেনেহলে প্ৰকাণ্ড ভূল কৰা হব। আজি শাসন যন্ত্ৰই ৰাইজৰ ফালে চাব লাগে।

শ্ৰীদন্তুমন্থিয়াৰ সভাপতিত্বত Administrative reforms কমিটি পাতিছিল। তাৰ পৰা কি reforms হল আমি নেজানো।

মই কব বিচাৰিছো যে আমাৰ শাসন যন্ত্ৰটোৰ আমোল পৰিবৰ্ত্তন কৰিব লাগে। আজি আমি যি সকলে ৰাইজৰ প্ৰতিনিধীত্ব কৰিছো সেই সকলৰ ওপৰত বিষয়া সকলৰ আস্থা কমি গৈছে। কাৰণ আমি বৃটিছ Bureaucracyক ওকৰাই পঠাইছিলো আৰু ভাবিছিলো, আমি জাতীয় চৰকাৰৰ অধীনত শাসন যন্ত্ৰৰ মুৰব্বী সকলে সামাজিক বিষয়ৰ যি বিলাক কথা সদস্য সকলে কও সেই কথা বিলাকৰ প্ৰতি শ্ৰদ্ধা জনাব কিন্তু মন্ত্ৰী সকলে যি প্ৰতিশ্ৰুতি দিয়ে সেই বিলাক কাৰ্য্যত পৰিণত নহয়। মই নিজে assurence কমিটিৰ সদস্য আছিলো। এতিয়াও এই কমিটিত যি সকল সদস্য আছে তেখেত সকলেও ইয়াৰ প্ৰমাণ পাব, প্ৰতিশ্ৰুতি দিয়া হয় কিন্তু তাৰ এটাও কাৰ্য্যত পৰিণত নহয়। মন্ত্ৰী সকলে যি প্ৰতিশ্ৰুতি দিয়ে তাৰ বাবে যিবিলাক নিৰ্দ্দেশ দিব লাগে সেইবিলাক বিভাগ বিলাকক দিয়া নহয় তাৰ বহিৰেও অন্যান্য যি কমিটি আছে সেই বিলাক কমিটিৰ reportকো বিষয়া সকলে পঢ়িবলৈ ভ্ৰূক্ষেপ নকৰে আৰু কমিটি বিলাকে যি বিলাক পৰামৰ্শ আগবঢ়ায় সেইবিলাকো dust paper basket ত পৰি থাকে। ১৯৬৭ চনতে শিক্ষানুস্থান বিলাক পৰিভ্ৰমণ কৰি সদস্য সকলে এটা Recommendaticn দিছিল যাতে আমাৰ স্থানীয় লৰা বিলাকক এই Industry বিলাকত চাকৰী দিয়া হয়, কিন্তু তাৰ কোনো ফল আজিলৈকে আমি দেখা নাই। সেইবিলাক এবাৰ যদি গ্ৰহণ কৰা হ'লহেঁতেন তেনেহলে আজি যি অৱস্থা হৈছে সেই অৱস্থা নহলহেতেন। চৰকাৰে যদি নিয়ম নীতি মতে ব্যৱস্থা কৰিলেহেঁতেন তেনেহলে এনে দুৰৱস্থা নহলহেঁতেন। আজি মুখ্য মন্ত্ৰী বা অন্যান্য মন্ত্ৰী বা এই সদনৰ সদস্য সকলৰ ওপৰতো ৰাইজৰ কোনো আস্থা নাই। এতিয়াও যদি কোনোবাই মালা পাইছে তেনেহলে সেই মালাৰ ফুলত গোন্ধ নাই, ৰাইজৰ কিবা grant ৰ আশাতে মালা পিন্ধে; গতিকে এই মালা পিন্ধাওতা ৰাইজৰ কোনো আন্তৰিকতা নাই। ইয়াৰ

দ্বাৰাই প্ৰমাণ নহয়নে যে, মালা তেওঁলোকে পিন্ধিবলৈ পাইছে স্বাৰ্থৰ কাৰণে আনৰ মনত কি ভাব উদয় কৰ নোৱাৰো কিন্তু মোৰ নিজৰ ভাৱহে প্ৰকাশ কৰিছো। ১০ বছৰ আমি বহুত কন্দা কটা কৰিলো, মন্ত্ৰী সকলেও প্ৰতিশ্ৰুতি দিলে যে ১৯৭২ চনৰ আগতে উত্তৰ লক্ষীমপুৰ মহকুমাত পূৰ্ণ পৰ্যায়ৰ জিলালৈ পৰিণত কৰা হব আৰু সেই আশ্বাস মতে আমি ভাবিছিলো যে সেই কথা কাৰ্য্যত পৰিণত হব। আমি মন্ত্ৰী সকলৰ পৰা আশ্বাস পাই ৰাইজক কবলৈ আগবাঢ়ি আহো কিন্তু আশ্বাস দিয়া মতে কাম নহলে মন্ত্ৰী সকলক মিছা কঠিয়া বুলি নকয় আমাকহে কয়, ইয়াৰ দ্বাৰা আমাৰ সকলোৰে সন্মান লাঘব হৈছে আৰু ইয়াৰ কাৰণেই বিষয়া সকলেও তেনেধৰণৰ ব্যৱহাৰ কৰিবলৈ লৈছে। উদাহৰণ স্বৰূপে কও যে আমি মন্ত্ৰী সকলক কিবা কাগজ দিয়াৰ পাচতো বিষয়া সকলৰ ওচৰলৈ যাব লগিয়া হও, কিন্তু সেইটো হব নালাগিছিল। কোনো মন্ত্ৰীক কাগজ দিয়াৰ পিছত আমি peon, চাপৰাচিৰ নিচিনাকৈ কাগজৰ পিচে পিচে ঘূৰি ফুৰিব লাগে। আনকি এনেকুৱা মন্ত্ৰীকো দেখিছো যি আমি গলে বহ বুলিও নকয়, মন্ত্ৰী সকলৰ পৰা এনে ব্যৱহাৰ পালে বিষয়া সকলেও আমাক তেনে ব্যৱহাৰ কৰাটো একো আচৰিত কথা নহয়। সিদিনা বিধান সভা বহি থাকোতেই মই বন বিভাগৰ মন্ত্ৰী Ranendra Basumatary ৰ ৰুমত বহিছিলো আৰু তাত এটা বৈদ্যও বহি আছিল, সেই সময়তে শিক্ষা বিভাগৰ চেক্ৰেটাৰী শাসিত সোমাই আহে, তেতিয়া শ্ৰীবৈদ্যই শিক্ষা বিভাগৰ কিবা এটা কথা সোধাত তেওঁ কলে যে Branch ত খবৰ কৰক। আজি যদি আমাৰ M.L.A. সকলৰ বিষয়া সকলে চিনি নাপায় আৰু কোন মন্ত্ৰী কোন M.L.A. সেইটো নামানে তেনেহলে চাওক আমাৰ কি অৱস্থা হৈছে?

এই বিলাকৰ কাৰণে আমি আন্তৰিক ভাৱে ৰাইজৰ কাম কৰিব নোৱাৰা হৈছো, ৰাইজক প্ৰতিশ্ৰুতি দিয়া সত্বেও সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰিব পৰা নাই। তাৰ বাবে দায়ী মন্ত্ৰীসভা আৰু চৰকাৰ। স্কুল কলেজৰ Grant বিচাৰি আমি মন্ত্ৰী সকলৰ ৰুমে ৰুমে গৈ থাকিব লগিয়া হও আৰু তাৰ পাচত Branch ত ত ঘূৰি ফুৰিব লগিয়া হও। মৰিয়নী কলেজ সম্বন্ধে মুখ্য মন্ত্ৰীয়ে এটা খবৰ দিছিল কিন্তু Education branch য়ে সেই কাগজ খনৰ উত্তৰ নিদিলে।

মুখ্যমন্ত্ৰীয়ে order দিছে; কিন্তু কাগজখন স্থানীয় ঠাইলৈ পঠোৱা নহল। আমাৰ সদৌ ছাত্ৰ অবিবৰ্তনৰ বাবে Public Library Hall টো

বিচাৰিছিল মুখ্যমন্ত্ৰীয়ে কৈছিল যে লৰা-ছোৱালীবিলাকে Representation দিছে। মুখ্যমন্ত্ৰীয়ে ৩ জানুৱাৰীৰ দিনা order দিছিল যে কিবা ধৰণে কৰি দিব লাগে। অভিবৰ্ত্তন হৈ গল ১৯/২০ ফেব্ৰুৱাৰীত J. B. auditerium Hallত। কিন্তু orderটো পঠিয়াইছে Dy/Secy Ednএ ২৩ মাৰ্চৰ দিনা। Chief Ministerৰ orderটোকেই ইমান পলমকৈহে পঠিয়াইছে আৰু তাত বেয়াকৈ মন্তব্য কৰি সভাপতিলৈ লিখিছে; তাৰ Copy মুখ্যমন্ত্ৰীকো দিছে।

১৯৬৬ চনত মুখ্যমন্ত্ৰী Speaker হৈ থাকোতেই তিনিজন English Reporterৰ Efficiency Bar সম্পৰ্কীয় Fileটো ১৯৭০ চনৰ অক্টোবৰ মাহ পৰ্য্যন্ত ঘূৰি ফুৰিয়েই থাকিল; কিন্তু তাৰ কোনো সিদ্ধান্তই নহল। ১৯৬৬ চনৰ Speaker আজি ৰাজহ মন্ত্ৰী হৈও মুখ্যমন্ত্ৰী হল; তথাপি সেই Fileটো Appointmentতেই পৰি থাকিল। আজি এনেকুৱা পৰিস্থিতি হৈছে যে আমি ৰাইজৰ কিবা কাম কৰি দিও বুলিলে ৰাইজে নামানি ইয়ালৈ আহে। আজি মন্ত্ৰীসকলৰ Means আছে কাৰণে আলহীক ঘৰত নাৰাখি Hotelলৈ পঠাই দিব পাৰে। কিন্তু আমি আলহী নাৰাখিলে নহয়, ইফালে আমাৰ পয়ছা শেষ হৈ যায়। আজি এনেকুৱা এটা পৰিস্থিতি কিয় হৈছে? চৰকাৰে ৰাইজৰ কামবোৰ সুচাৰুৰূপে কৰি দিয়া হলে আজি এই পৰিস্থিতিৰ সন্মুখীন হবলগীয়া নহলহেতেন।

চৰকাৰৰ কোনো নিৰ্দ্দিষ্ট Policy নাই, স্কুল Grantৰ ক্ষেত্ৰত Clear cut policy নাই। স্কুল Grantৰ কাৰণে If D.P.I. আৰু D.P.I. অফিচৰ Branchত ঠিয় হৈ থাকিব লাগে। মুখ্যমন্ত্ৰীয়ে যোৰহাটলৈ যাওঁতে কেবাটাও ক্ষেত্ৰত Order দিছিল, কিন্তু সেইবিলাকৰ আজিলৈকে কোনো কাগজ পত্ৰ পোৱা নগল। আজি সকলো ক্ষেত্ৰতে এইটো অৱস্থা হৈছে।

Appointmentৰ সংক্ৰান্তত চৰকাৰে প্ৰতিশ্ৰুতি দিছিল যে শতকৰা ৭৫ ভাগ স্থানীয় লোকক লব লাগে, কিন্তু আজিলৈকে তাক কাৰ্য্যকৰী কৰা নাই। বান নিয়ন্ত্ৰন আৰু উদ্যোগ মন্ত্ৰী আদিয়ে এই বিষয়ে কোনো ধৰণে Step নললে। Employment Exchangeৰ যোগেদি প্ৰকৃততে মানুহ নিয়োগ কৰিব লাগে, কিন্তু সেইটোও আজি হোৱা নাই। State Bankত মানুহ নিয়োগ কৰা হয় শতকৰা ৭৫ ভাগ বাহিৰৰ মানুহ Directly আহে। এই বিষয়ে আবেদন নিবেদন কৰা হৈছে। Assistant

General Secretary of State Bank, Shillong Branch শ্ৰীদুলাল বেনাৰ্জীয়ে Employment Exchangeৰ যোগেদি মানুহ নানি নিজৰ Care of ত ৰাখি নিয়োগ কৰি নিজৰ ঠাইলৈ পঠিয়াই দিছে। Employment Directorএ আজিলৈকে কোনো action লোৱা নাই।

তাৰ পাছত Shillong Branchৰ Cachier প্ৰদীপ বেনাৰ্জীক হাওৰাৰ পৰা আনি Posting কৰিছে আৰু পাছত হাওৰালৈ বদলি কৰি দিছে। তাৰ পাছত দীলীপ নাথ নামৰ এজনক কলিতাৰ পৰা লৈ আহিছে আৰু S. K. Mukhargy আৰু Ranjit Mishraক Posting কৰি কলিকতালৈ পঠাই দিছে। তাৰোপৰি নিজৰ ভায়েক এজনক হাফলঙত Posting কৰিছে।

তাৰ পাছত কোনোবা মুখাপাধ্যায়ক গুৱাহাটী Branchত আৰু এজন মুখাপাধ্যায়ক Shillong Branchত appointment দিছে। এইবিলাক দূৰ্নীতিৰ কোনো ব্যৱস্থাই আজিলৈকে লোৱা নহল।

এইদৰে P.W.D. বিভাগতো কিছুমান Tracerৰ post খালি হৈছিল আৰু তাত Employment Exchangeৰ পৰা Candidate আনি এখন List তৈয়াৰ কৰিছিল; কিন্তু মন্ত্ৰী মহোদয়ে তাত interfere কৰি সেই List আতৰাই কোনো দৰ্খাস্ত নকৰা এজন লোকক appointment দিছে। এই বিষয়ে লৰাবিলাকে অভিযোগ জনাইছে আৰু ঘূৰি ফুৰিছে। পিচত খবৰ ললো যে অফিচাৰে সহায়হীন অৱস্থাত পৰিছে।

Shri Altaf Hossain Mazumdar—এইটো সত্য নহয়। Boardএ Select কৰে।

Shri Dulal Chandra Barua—Boardএ Select কৰে সচা; কিন্তু Boardএ Select কৰা মানুহবোৰক appointment দিয়া নাই। মন্ত্ৰীয়ে আনৰ নামত Back dateৰ দৰ্খাস্ত দি Posting কৰিছে। গতিকে মূখ্যমন্ত্ৰী মহোদয়ক এই সম্বন্ধে অনুসন্ধান কৰিবলৈ মই অনুৰোধ জনালো।

মন্ত্ৰীসভাত কিছুমান গেলাগন্ধৰ সৃষ্টি হৈছে। এইবিলাক আতৰাব লাগে। এতিয়া কৰ্ম্মত মতি দিয়াৰ পৰিবৰ্ত্তে অকৰ্ম্মত অংশ গ্ৰহণ কৰাৰ প্ৰমাণ ওলাইছে। এইবিলাক দোষণীয় কথা। মন্ত্ৰী হৈ এনেকুৱা গেলাগুন্ধত লিপ্ত হৈ থকাটো ভাল নেদেখি।

Shri Altaf Hossain Mazumder, Minister, P. W. D. (R. & B)—Mr. Speaker, Sir, whenever any matter is brought to my notice by any hon. Member, I immediately take it up with the Department. If my hon. friend Shri Barua gives me any specific case where something wrong has been done, I will definitely look into the matter, and if he is not satisfied, the Chief Minister may look into it. I will be glad if any specific thing is passed on to me and I will definitely enquire into it, but there are many wild things to which cannot answer.

(At this stage (2.40 P.M.) the Speaker left the Chair and Shri Rathindra Nath Sen took it.)

Shri Dulal Chandra Barua—মই মুখ্যমন্ত্ৰী মহোদয়ক জনাব খুজিছো যে Appointment সংক্ৰান্তত ভাল ধৰণে বিচাৰ কৰি চাব লাগে। আজি প্ৰশাসনৰ মেৰপাক গুচাবৰ বাবে চৰকাৰে গুৰুত্ব দিয়া নাই। System of Administration সন্তুৰ কৰিবলৈ হলে Secretariat আৰু Directorate সংলগ্ন কৰিব লাগিব আৰু তেওঁলোকৰ দৰমহাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। এতিয়া দেখা গৈছে Note এটা তৈয়াৰ কৰোতে ১৫/২০ দিন লাগে, এইটো মিনিষ্টাৰৰ ওচৰ পাবলৈ আৰু বহুত দিন লাগে। আমাৰ ২০ বছৰৰ আগৰ শাসন যন্ত্ৰ ভাঙি চিডি নতুনকৈ পতাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ যি Administrative Reform Committee আছে তাত Short term আৰু long term systemত গোটেই শাষণ যন্ত্ৰটো পুনৰ সংস্কাৰ কৰিব লাগিব। এটা কথা নকলে নহয় যে I.A.S অফিচাৰ সকলে ভাবে যে "হম সবকুছ জানতা হেয়" - উদাহৰণ স্বৰূপে মই কওঁ যে, এজন I.A.S অফিচাৰৰ উদ্যোগৰ কোনো জ্ঞান নথকা স্বত্বেও তেওঁক উদ্যোগ চেক্ৰেটৰী, কৃষিত জ্ঞান নথকা জনক কৃষি চেক্ৰেটৰী পাতি দিছে। সেইকাৰণে A.C.S সকলক বিশেষ ট্ৰেইনিং দি আমাৰ অনুস্থান সমূহত নিয়োগ কৰিব লাগে। আমি যদি এতিয়াই এইবিলাকৰ সংস্কাৰ নকৰো তেন্তে

ভৱিষ্যতে আমাৰ সতি সন্ততি সকলে একো দেখিবলৈ নাপাব। আজি দেখা যায়, অফিচাৰ সকলৰ মাজত অসন্তুষ্টি-প্ৰত্যেক বিভাগতে প্ৰায়বিলাক অফিচাৰে আপত্তি কৰে। অৱশ্যে সকলোকে সন্তুষ্টি কৰাও সম্ভৱপৰ নহয়। ১৯৬৪ চনতে Pay Committee হৈছিল আসোঁৱাহ শেষ নোহোৱাকৈ আকৌ Pay Committee পাতিব লগা হৈছে। আগৰ Pay Committee ৰ আসোঁৱাহ মাৰিবৰ কাৰণে Das Commission পাতি দিয়া হল। সেই Das Commission আগত বহুতো Case দিয়া হোৱা নাই। Grade III, IV কৰ্ম্মচাৰী সকলৰ কোনো ভাল ব্যৱস্থা নহল আগৰ দৰেই থাকি গল।

ইয়াৰ পাছত আমাৰ Aided Schoolৰ শিক্ষক সকলৰ কোনো ভাল ব্যৱস্থা নহল। গতিকে মই তেওঁ যে, বৰ্ত্তমান যি Pay Committee পতা হব তাত নিম্নস্তৰৰ কৰ্ম্মচাৰী সকলো যাতে সময় আৰু সমাজৰ লগত খাপ খাই চলিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। গতিকে এনে এটা Pay Committee কৰিব লাগে যাৰ দ্বাৰা অসন্তুষ্টিও নহয় আৰু যোগ্যতাও বাঢ়ে। আজি দেখা গৈছে অফিচাৰ সকলৰ মাজতো হিংসাৰ মনোভাৱ জাগিছে। এইটো দুখজনক কথা। যেনে—A.C.S. I আৰু I.A.Sৰ মাজত A.C.S. I আৰু A.C.S. II মাজত, এই হিংসাৰ ভাৱ আতৰাব নোৱাৰিলে আমাৰ শাষণ যন্ত্ৰ ভাল হব নোৱাৰে। আজি দেখা গৈছে Head of the Deptt. কোনো প্ৰমোচনৰ Scope নাই। A.C.S সকল মাটিৰ হাকিম কৰি ৰাখিছে তেওঁলোক তেনেকৈয়ে Retire হব। আমি স্বাধীন হোৱাৰ পিছতো যিটো শাষণ যন্ত্ৰ চলিল সেইটো আজিও চলি আছে। আজি A.C.S লবৰ কাৰণে P.S.Cয়ে পৰীক্ষা পাতে। এই পৰীক্ষাও Defective উদাহৰণ স্বৰূপে কওঁ যে এইবাৰ ১৬ জন A.C.S. লব পৰীক্ষাত ১ৰ পৰা ১৬লৈ Position পোৱাক A.C.S. I কৰিলে আৰু বাকীখিনিক A.C.S. II কৰিলে। গতিকে এইটো এটা Defective System. ৰবদলৈ জীয়াই থাকোতে A.C.S. I আৰু II উঠাই দিয়াৰ ব্যৱস্থা কৰিছিল কিন্তু সেইটো নহল। তেওঁলোকে ঘোচ খায়—অৰ্থাৎ ঘোচ খাবলৈ আমিয়ে কৈছো। কাৰণ তেওঁলোকৰ Prospect নাই। এইদৰে মানুহবিলাক "ডিমৰেলাইজ হৈছে"।

এই চেক্‌চনটো বাদ দিলে চৰকাৰৰ কোনো প্লেন প্ৰগেম নচলিব। কাৰণ S.D.C. বিলাকে যদি বিপর্ট নিদিয়ে বা Inplimantation নকৰে তেনেহলে চৰকাৰৰ কামো নচলিব আৰু আমি এই বিধান সভাত যিবোৰ কওঁ সকলো "গালো কলো খোল বটিব তালহে হব"। গতিকে এই শ্ৰেণীৰ কৰ্ম্মচাৰী সকলক মাহী আইৰ চকুৰে চোৱাটো বৰ অন্যায় হৈছে। তেওঁলোকৰ প্ৰতি ন্যায় প্ৰদান কৰিব লাগে। এওঁলোকৰ প্ৰতি কেনেকৈ অন্যায় কৰা হৈছে চাওক! I.A.S. অফিচাৰ সকলে যিবিলাক সা-স্থবিধা পাইছে তাত আমি আপত্তি কৰা নাই। কিন্তু এইবিলাক Propotrationate হব লাগে। এজন I.A.S. অফিচাৰে ৫ বছৰত তিনিবাৰ প্ৰমোচন পায় আৰু ১২ বছৰত ৭/৮টা প্ৰমোচন পায়গৈ A.C.S. Iৰ কৰ্ম্মচাৰীবিলাকে ৫ বছৰত এটামান প্ৰমোচন পায়, আৰু ১২ বছৰত তিনিটাৰ পৰা ৫টা মান হয়। সেইদৰে পুলিচ বিভাগত ৫ বছৰত এটামান প্ৰমোচন হয় আৰু ১২ বছৰৰ ভিতৰত A.S.P. বা S.P. হয়গৈ আৰু I.G.P. হোৱাও দেখা পাও। কিন্তু S.D.C. হলে ১৫/২০ বছৰৰ ভিতৰতো একো নহয়। গতিকে এই শ্ৰেণীৰ মানুহৰ পৰা আমি কি আশা কৰিব পাৰো। আশা কৰো চৰকাৰে গোপীনাথ বৰদলৈয়ে যি সিদ্ধান্ত লৈছিল সেইমতে A.C.S. I আৰু A.C.S. II এই দুই শ্ৰেণীৰ কৰ্ম্মচাৰী সকলক একত্ৰিকৰণ কৰিব লাগে। এইটো কৰাত নিশ্চয় অস্থবিধা নহব। যিদিনাখনৰ পৰা এই দুটা শ্ৰেণী এক কৰা হয় সেইদিনাৰ পৰা চেনিয়ৰিটি দি আগৰ কামখিনি পেনচনৰ বেনিফিটৰ কাৰণে দিব লাগে। আৰু A.C.S. I আৰু II এই দুইটা কেডাৰত বিক্ৰুইট কৰিব নালাগে। বৰ্ত্তমান মুখ্যমন্ত্ৰীয়ে A.C.S. Iৰ কাৰণে কিছু স্থবিধা দিছে। তাৰ বাবে ভাল পাইছো কিন্তু A.C.S. IIৰ কাৰণে যেন চেষ্টা কৰে। স্পান চিঙ্ক শিল্পত I.A.S. Officer দিছে। মই কব খুজিছো যে A.C.S. Iৰ মানুহ তাত দিলেই হব। তাৰ কাৰণে বহুতো ডেকা ডেকা কৰ্ম্মচাৰী আছে আৰু জ্ঞানো আছে। তথাপি Commercial বা Industrial Lineৰ জ্ঞান আহৰণৰ কাৰণে A.C.Sৰ মানুহবিলাকক প্ৰশিক্ষণ দিয়াব লাগে আৰু সেই ক্ষেত্ৰত নিয়োগ কৰিব লাগে। কেন্দ্ৰীয় চৰকাৰে দেশৰ Intigrity ৰক্ষাৰ কাৰণে I.A.S. মানুহ বিলাকক লয়। এই মানুহ বিলাকে যদি কাম কৰা ৰাজ্যখনক নিজৰ ৰাজ্য হিচাপে গণ্য কৰিব

নোৱাৰে তেনেহলে তাৰ পৰা কি Intigrity ৰক্ষা পৰিব। মই ভাবো এই কৰ্মচাৰীবিলাক by Rotation হব লাগে। আমাৰ যিবিলাক Existing Clark আছে তেওঁলোকক বিভিন্ন ধৰনৰ Training দিব লাগে যেনে ছেক্ৰেটৰীয়েল প্ৰেকটিচ, Accouutancy Type আদিৰ Training দিয়াই Efficiant কৰি তুলিব লাগে যাতে আমাৰ Eff c ant Administration চলে। আগৰ দৰে Note System ত চলি থকাই আমাৰ শাসন যন্ত্ৰটো একেবাৰেই অচল কৰি দিছে।

I.A.S. অফিচাৰ সকলৰ এটা Supertime Scale আছে। A.C.S. সকলৰ যিবিলাক নীতি নিয়ম আছে সেইবিলাক এখন চাবকুলাৰৰ দ্বাৰাই টুইষ্ট কৰা হৈছে। আৰু I.A.S. কৰ্মচাৰীবিলাকে আমাৰ অসমীয়া থলুৱা কৰ্মচাৰীবিলাকৰ প্ৰতি বিৰোদ্ধাচৰন কৰিছে। এতিয়া অসমৰ বুকুৰ পৰা মেঘালয় আতৰি গল। সেই কাৰণে I.A.S. অফিচাৰৰ হাৰ কমাব লাগে আৰু প্ৰমোচনো কমাব লাগে। আন হাতে A.C.S. বিলাকক সুবিধা দিবৰ কাৰণে অন্ততঃ ২/৩ বছৰ মানৰ কাৰণে I.A.S. অফিচাৰৰ নিয়োগ বন্ধ কৰিব লাগে।

আমি দেখিছো কিছুমান কমিশ্যনাৰ তৈয়াৰ হৈছে। যেনে—মিজো হিল চ কমিশ্যনাৰ, Agricultural Commissioner, Financial Comissioner ইত্যাদি। মিজুহিলচ ৰ কমিশ্যনাৰ মিজু পাহাৰত নাথাকে। তেওঁ থাকে চিলচৰ নাইবা চিলঙত। এইদৰে অন্য ঠাইত বহি যি শুনে তাকেই ৰিপৰ্ট দি কয় যে মিজু পাহাৰৰ অবস্থা Normal প্ৰকৃত পক্ষে এই কমিশ্যনাৰ সকলক বহুৱাই বহুৱাই দৰ্মহা দি বগা হাতী পোহাৰ বাহিৰে অন্য কাম তেওঁলোকৰ নাই। তাৰ পাচত অফিচাৰৰ সংখ্যা ইমান বাঢ়িছে যে তেওঁলোকক বিচাৰিলে পোৱা নাযায় কাৰণ তেওঁলোকে ১২-৩০টা মান বজাতে অফিচৰ পৰা ওলাই আৰু ইচ্ছামতে বিচৰন কৰি ফুৰে। ইচ্ছা কৰিলে পুনৰ অফিচলৈ আহে নহলে নাহে। গতিকে ইয়াৰ পৰা প্ৰমান হয় যে এহাতে অফিচাৰৰ সংখ্যা বাঢ়িছে কিন্তু তেওঁলোকৰ কাম নাই। গতিকে এই মানুহ বিলাকৰ Work Loadৰ এটা হিচাব ৰাখিব লাগে আৰু Crganisation আৰু Mathod Departmentএ হিচাপ ৰাখি ৰিপৰ্ট প্ৰকাশ কৰিব লাগে। কিন্তু দুখৰ বিষয় তেওঁলোকে এতিয়ালৈকে কোনো

Report প্ৰকাশ কৰা নাই। তাৰ পাচত চৰকাৰে এনে কিছুমান মানুহ অপৰিহাৰ্য্য বুলি ৰাখিছে যে তেওঁলোকে ৰাজ্যখনৰ কল্যান কৰক চাৰী—অমঙ্গলহে কৰিছে। গতিকে এই কৰ্ম্মচাৰী বিলাকক বিদায় দিব লাগে। এইবিলাকৰ Work Load আৰু কৰ্ম্মচাৰীৰ Proportion নথকাৰ কাৰণে চৰকাৰৰ বহু পৰিমানৰ অৰ্থ অথলে গৈছে আৰু তাৰ বিনিময়ে কোনো কাম পোৱা নাই।

অন্য হাতেদি আজি আমি দেখিছো যে আমাৰ যিবিলাক অৰ্থনৈতিক অসামঞ্জস্যতা সেইফালে চৰকাৰে চকু দিয়া নাই। এই অসামঞ্জস্যতা দুৰ কৰিবলৈ আমি বাৰে বাৰে চৰকাৰক কৈ অহা স্বত্বেও চৰকাৰে কান দিয়া নাই। এনেকুৱা কিছুমান আঁচনি আছে যিবিলাকৰ দৰ্কাৰ নাই—অথচ তাৰ বাবদ অৰ্থব্যয় হৈয়ে আছে। তাৰ প্ৰতি চৰকাৰে দৃষ্টি দিয়া নাই। এই বজ কত কেনেকৈ খৰচ হৈছে বিত্তমন্ত্ৰী ডাঙৰীয়াই খবৰ ৰখা নাই। টকা বিনিয়োগৰ ক্ষেত্ৰত চৰকাৰৰ লাভ নহলেও লোকচান হব নালাগে।

সকলো ক্ষেত্ৰতে দুৰ্নীতি ভৰি পৰিছে আৰু এই দুৰ্নীতি নিৰ্বাচনৰ পৰাই আৰম্ভ হৈছে বুলি মই সিদিনাখন কৈছোয়েই। যিজন Vigilnt commissioner অনা হৈছে, তেওঁক কৰ পৰা অনা হৈছে, তেওঁ যি report এবাৰ দিয়ে সেই report আকৌ সলাই পেলোৱা হয়, সেইজন বগা হাতীৰ বাহিৰে একো নহয় তেওঁ যি report দিয়ে তাৰ পৰা আমাৰ একো কাম নয়হ তেওঁক তালি টোপোলা বান্ধি দি ইয়াৰ পৰা তেওঁক বিদায় দিবলৈ চেষ্টা কৰিব লাগে। allyation সম্পৰ্কে যি কমিটি পাতি দিয়া হৈছিল সেই কমিটিয়ে ৬টা condispan কৰি দিয়াৰ পিচতো তাৰ তদন্ত চলি আছে। কোনো case পোৱাৰ ৬ মাহ পাচতো তদন্ত চলি থকাৰ কি মানে আছে? আনহাতে মই কবলৈ বাধ্য যে আমাৰ কেবাখনো Enjuiry cmmittee হল কিন্তু তাৰ কোনো report আমি নাপালো। চৰকাৰৰ এই সংক্ৰান্তত বহুত টকা পইছা খৰচ হৈছে আৰু খৰচ হোৱাৰ পাচতো কি হল নাযানো আৰু চৰকাৰেও যদি নাযানে তেনেহলে বিহীত ব্যৱস্থা কেনেকৈ কৰিব? আজি কেন্দ্ৰীয় চৰকাৰে আমাক চেপি ৰখাৰ প্ৰচেষ্টা চলাইছে কিন্তু ইয়াৰ কাৰণে আমিয়েই দায়ী। আজি central sett. ত আমাৰ, যি Repusutation থাকিব লাগিছিল সেইটো আজিলৈকে নহল পাত্তাৰে কিন্তু সকলো

কাম কৰি গৈ যায় কাৰণ central sectt ত তেওঁলোকৰ মানুহ আছে। আমাৰ ইয়াতো বহুতো অভিজ্ঞ বিষয়া আছে সেই সকলক central sectt. পথাব লাগে। আনহাতেদি আমাৰ ইয়াৰ পৰা Embany ৰ কাম কৰিবলৈ এজনো উপযুক্ত মানুহ নাইনে? সেই কাৰণে মই এটা প্ৰশ্ন দিছিলো যে বাহিৰৰ মানুহ আমাৰ ইয়াৰ office বিলাকত কিমান আছে central sectt. কিমান আছে তাৰ এটা হিচাব লাগে কিন্তু তাৰ উত্তৰ আজিলৈকে পোৱা নাই। আমাক আজি parochial বুলি কোৱা হয় কিন্তু আজি আমাৰ ইয়াৰ office বিলাকত যথেষ্ঠ সংখ্যক বাহিৰৰ মানুহে কাম কৰি আছে। থিকা আদিৰ কামো বাহিৰৰ মানুহে পায়। postal taligraph আদি বিভাগটো অধিক সংখ্যক বাহিৰা মানুহ আছে। গতিকে কিমান পইচা বাহিৰলৈ যায় সেইটো post office ত খবৰ কৰিলেই পাব। সেই কাৰণে সকলো প্ৰকাৰৰ কাম কৰিবলৈ আমাৰ ইয়াত এটা atmospher ৰ সৃষ্টি কৰিব লাগিব আৰু তাৰ দ্বাৰা আমাৰ অৰ্থনৈতিক অৱস্থাৰ টনকীয়াল কৰিব লাগিব।

কিন্তু সেই ফালৰ পৰা আমাৰ চৰকাৰৰ কোনো ব্যৱস্থা নাই। সনাতক ডাঙৰীয়াই হয়তো নিশ্চয় স্বীকাৰ কৰিব যে নিজৰ power ৰাখিবৰ কাৰণে বনুৱা শ্ৰেণীৰ বাবে যিবিলাক ব্যৱস্থা কৰিব লাগিছিল সেইবিলাক কাগজে পত্ৰে থাকিলেও সেই বিলাক কাৰ্য্যত পৰিণত হোৱা নাই। বনুৱাৰ মজ্জা খাই পেলোৱা হৈছে মানুহ হিচাবে জীয়াই থাকিবলৈ তেওঁলোকৰ বাবে কোনো ব্যৱস্থা হোৱা নাই। Tea plantus profident fund Act. ৰ বিষয়ে বনুৱা সকলক বুজাই দিয়াৰ কোনো ব্যৱস্থা হোৱা নাই। এই বনুৱা সকলক খুলি খুলি খাই শেষত আমাৰ নিজৰ অস্তিত্বই নাইকীয়া হব। সেই কাৰণে এই কৰ্ত্তন প্ৰস্তাৱৰ যোগেদি মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ জনাও যে আমাৰ শাসন যন্ত্ৰৰ উন্নতি কৰক আৰু তাকে নকৰালৈ আমাৰ দেশ কেতিয়াও ৰক্ষা কৰিব নোৱাৰে।

সেইকাৰণে মই যিবিলাক পৰামৰ্শ আগবঢ়াইছো সেই খিনি চাই শাসন যন্ত্ৰটো শুধৰাবলৈ চেষ্টা কৰি আৰু low paid Goverment ৰ তলৰ খাপৰ বাচি থাকিব পৰাকৈ দৰ্মহা নিৰ্দ্ধাৰণ কৰি প্ৰশাসনৰ উন্নতি সাধন কৰিব বুলি আশা কৰি মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

Shri Sailen Medhi—সভাপতি মহোদয়, আমাৰ ফালৰ পৰা তুলি ধৰা কৰ্তন প্ৰস্তাৱটোৰ সমৰ্থনত মই দুআষাৰমান কথা কব খুজিছো। আজি অসমত সাধাৰণ প্ৰশাসনটো যি ধৰণেৰে নিম্নগামী হৈছে, যি ধৰণে ধ্বংশৰ আগলৈ আগ বাঢ়িছে, তেনেকৈ বোধকৰো কোনো সময়তে কোনো ৰাজ্যতেই হোৱা নাছিল। এই প্ৰশাসনীয় যন্ত্ৰটো কেৱল আজিয়েই দুৰ্ব্বল হৈ পৰা নাই প্ৰাক্তন মুখ্য মন্ত্ৰী স্বৰ্গীয় চলিহা দেৱৰ দিনৰে পৰাই ক্ৰমান্বয়ে দুৰ্ব্বল হোৱা বুলি অনুভৱ কৰি অহা হৈছে। তেতিয়াৰ পৰাই আমি প্ৰশাসনীয় যন্ত্ৰটোক এটা নতুন প্ৰাণেৰে সঞ্জীৱিত কৰিবলৈ নানান পৰামৰ্শ, উপদেশ আদি আগবঢ়াই আহিছো আৰু ইতিমধ্যে বহুত সমালোচনা চৰকাৰক কৰি আহিছো। নতুন মুখ্য মন্ত্ৰী হোৱাৰ পিছত আমাৰ ধাৰণা নাছিল যে ই আমাক অৰ্থাৎ অসম ৰাজ্যখনক এটা সবল পদক্ষেপ দিব পাৰিব। ফলত গোটেই ৰাজ্যতে আউলীয়া প্ৰশাসন যন্ত্ৰটোৱে এটা নতুন ৰূপ লব পাৰিব। কিন্তু দুভাগ্যজনক কথা যে নতুন মন্ত্ৰীসভা গঠন হোৱাৰ পিছতো এই প্ৰশাসনীয় ব্যৱস্থাটো অধিক দুৰ্ব্বল আৰু বেয়াৰ ফালেহে ঢাল খাইছে। বৃটিছ যোৱাৰ পিছৰে পৰাই আমাৰ এটা উদ্দেশ্য আছিল যে কেন্দ্ৰীভূত শাসন পদ্ধতিটো বিকেন্দ্ৰীত কৰি কেনেকৈ প্ৰশাসনীয় যন্ত্ৰটোৰ লগত জনসাধাৰণৰ নিবীৰ সম্বন্ধ স্থাপন কৰিব পাৰি। এই বিকেন্দ্ৰীত শাসন পদ্ধতি কেনেকৈ জনসাধাৰণৰ কাষ চাপি গাওঁ-ভূইলৈকে ছাটি পৰিব পাৰে আৰু যাতে তাৰ দ্বাৰা প্ৰত্যেক জন জন-সাধাৰণেই শাসন যন্ত্ৰটো উপলব্ধি কৰিব পাৰে। সেইকাৰণেই এই শাসন পদ্ধতিটো বিকেন্দ্ৰীত কৰি ইয়াক জনসাধাৰণৰ ওচৰলৈ, গাওঁ-ভূই অঞ্চলৰোবলৈ বিস্তাৰিত কৰি নিব পাৰি তাৰ কাৰণে নন আচনি, পৰামৰ্শ আদি দাঙি ধৰিছিলো। তাৰ ভিতৰত পঞ্চায়ত পদ্ধতিটো উল্লেখনীয় গুৰুত্বপূৰ্ণ পৰামৰ্শ আছিল। পঞ্চায়ত, সমবায় আদিৰ জৰিয়তে আমাৰ যিটো শাসন পদ্ধতি কেন্দ্ৰীভূত হৈ নাছিল তাক বিকেন্দ্ৰীত কৰি আমাৰ গাওঁ-ভূইলৈকে ব্যাপ্তকৰি তাৰ দ্বাৰা জনসাধাৰন উপকৃত হোৱাৰ কাৰণে একান্তই প্ৰয়োজনীয় আছিল। কিন্তু আজি প্ৰত্যেক ক্ষেত্ৰতে সেই বিকেন্দ্ৰীত অৱস্থা আছিল যদিও আজি কেন্দ্ৰীভূত শাসনত পৰিণত হৈছে।

সভাপতি মহোদয়, আপোনি আচৰিত হব যে প্ৰত্যেক বিভাগতে বেলেগ বেলেগ বিষয়া আছে। তেওঁলোকৰ কাম ভগাই দিয়া আছে। প্ৰত্যেকৰে

তেওঁৰ কাৰ্য্য পৰিচালনাৰ কাৰণে নিৰ্দ্ধাৰিত Jurisdiction আছে তাৰ ভিতৰত তেওঁলোকে নিজা নিজা কাম নিজৰ সামৰ্থ্য অনুযায়ী কৰিব পাৰে। কিন্তু প্ৰশাসনৰ সেই ব্যৱস্থাটো এতিয়া ক্ৰমান্বয়ে বিলুপ্তি হৈ তেওঁলোকৰ ক্ষমতা চিলঙত আহি কেন্দ্ৰীভূত হৈ পৰিছেহি। প্ৰত্যেক ক্ষেত্ৰতে মিনিষ্টাৰ সকলৰ হস্তক্ষেপ হৈছে। আজি আনকি পিয়ন, চকিদাৰ, সামান্য L. P. School ৰ মাষ্টৰ এজনৰ কাৰণেও মূখ্য মন্ত্ৰীয়ে order দিলেহে হয়। পাছ হেজাৰ টকাৰ এটা grant ৰ কাৰণেও Chief minister এ recommend কৰিলেহে হয়: মিষ্টাৰে order নিদিলে বিল, নেপায়, সৰু এটা projector কাৰণেও মিনিষ্টাৰৰ অৰ্ডাৰ লাগিব। মুঠৰ ওপৰত সকলো বিলাক ক্ষেত্ৰতে শাসন পদ্ধতিটো কেন্দ্ৰীভূত হৈ পৰিছে। তাৰ ফলত হাজাৰ হাজাৰ মানুহ চাৰিও ফালৰ শ্বিলঙলৈ আহিব লগা হৈছে। M.L.A. ৰ ক্ষমতা নাই সকলো বিলাক কাম কৰি দিয়াৰ কাৰণে। শ্বিলঙৰ বিধান সভা বহি থকাৰ সময়ত হাজাৰ হাজাৰ মানুহৰ ভিৰ। Chief Engineer, Executive Engineer, Supervising Engineer আদি আছে তেওঁলোকে যদি নিজৰ Juristiction ত কাম নকৰে তেতিয়া হলে Public money misappropriation কৰাৰ কাৰণে তাৰ appeal ৰ কাৰণে ওপৰলৈ অহাৰ ব্যৱস্থা থাকে। কিন্তু যদি প্ৰত্যেক কামকে ওপৰত কৰা হয় তেতিয়া হলে প্ৰশাসনীয় যন্ত্ৰ নষ্ট হবই। আজি তলৰ বহুত সৰু সৰু case ও Supreme court ত হে বিচাৰ হব। তলৰ কাছাৰীত মৰ্কদমা বেয়া হলে ই যায় Supreme court লৈ। কাৰণ তাত হয়তো ক্ষমতাৰ অপব্যৱহাৰ কৰাই কিবা এটা কৰাৰ ৰাষ্টা থাকে। কিন্তু প্ৰশাসনীয় যন্ত্ৰটো শ্বিলঙৰ পৰা চলি থকাৰ কাৰণেই গোটেই প্ৰশাসনীয় যন্ত্ৰটো কেন্দ্ৰীভূত হৈ গৈছে। চৰকাৰৰ লগত জনসাধাৰণৰ সম্পৰ্ক নষ্ট হৈ গৈছে। গোটেই শাসন যন্ত্ৰটোতে কেৰোণে ধৰি ধ্বংশ কৰি পেলাইছে। মুঠৰ ওপৰত প্ৰশাসনীয় যন্ত্ৰত দুৰ্নীতি যেনেকৈ সোমাইছে তাক কৈ কেতিয়াও শেষ কৰিব নোৱাৰি। দুৰ্নীতিৰ কথা আগতে শুনিছিলোহে কৰবাত কৰবাত হোৱা বুলি। কিন্তু আজি দুৰ্নীতি হৈ পৰিছে order of the day এখন দৰ্খাস্ত দিলে তাৰ লগত যদি ২/৪ টকা দিয়া নেযায় তেনেহলে তাৰ পাত এটাও বিছাৰি পাবলৈ টান হৈ পৰে। গতিকে এইটো এটা নিয়মত পৰিনত হৈ গৈছে। ইয়াৰ মূলীভূত কাৰণ বিশ্লেষণ

কৰিলে দেখা যায় যে দুৰ্নীতি ওপৰতেই। কিয়নো ওপৰত দুনীতি নহলে তলত কেতিয়াও দুৰ্নীতি হব নোৱাৰে।

এই বিধান সভা চলি থকা অৱস্থাত যদি মিঠাতেলত মবিল মিহলাই বিক্ৰী কৰা এজন তেল ব্যৱসায়ীক high court এ খালাচ নিদিয়াটো যদি তেওঁৰ বেমাৰ হৈছে বুলি মন্ত্ৰীয়ে appeal dismiss কৰাই খালাচ দিয়াব পাৰে তেন্তে সৰু সৰু কামতেই বা দুৰ্নীতি নহব কিয়? এনেকুৱা ১৮/২০ টা case আমাৰ সন্মুখত স্পষ্ট হৈ ওলাই আছে। যদি এনেকুৱাই হব পাৰে তেন্তে তলৰ কম দৰ্মহা পোৱা নিম্নখাপৰ চাকৰিয়াল সকলে বাধ্য হৈয়েই দুৰ্নীতি পৰায়ন হলেও তাক দুৰ্নীতি হৈছে বুলি ধৰিব নোৱাৰি।

এজন Law Secretary ৰ Agaist এ এটা দুৰ্নীতিৰ অভিযোগ আছিল acquisition ৰ লক্ষ লক্ষ টকা ভুল কৰি লৈ যোৱাৰ কাৰণে। এইটোৰ এটা State appeal হব লাগিছিল। কিন্তু তাৰ কাৰ্য্য-কাৰিতাৰ কাৰণে কোনো পৰামৰ্শ দিয়া নহল এই বিষয়ে vigilance commissioner ক report দিয়াত তাৰ ব্যৱস্থা ললে যদিও যেতিয়া সেই একেজন মানুহকে Legal rememberance ৰ মেম্বাৰ কৰি লোৱা হল তেতিয়াই তেওঁৰ সকলো দোষ নাইকীয়া হৈ গ'ল।

গতিকে দুৰ্নীতি তলত নাই, দুৰ্নীতি আছে ওপৰত অৰ্থাৎ চিলংত আৰু এই দুৰ্নীতিবিনাক মন্ত্ৰী সকলৰ ভিতৰত বেছি। সমগ্ৰ দেশখনেই দূৰ্নীতিপৰায়ন হৈ পৰিছে। আমাৰ মাননীয় মন্ত্ৰী (P. W. D. বিভাগৰ) মোৰ এজন অন্তৰঙ্গ বন্ধু। বহুত মানুহ P. W. D. মন্ত্ৰী হৈ গল। কিন্তু আমাৰ এইজন মন্ত্ৰীৰ বিৰুদ্ধে ইমান বেছি অভিযোগ আছে আন কাৰো এনে অভিযোগ নাছিল। মোৰ বহুত Executive Engineer, S.D.O. বন্ধু আছে, আৰু বহুত Contractor আদিও বন্ধু আছে। তেওঁ-লোকৰ মুখত শুনিছো যে এইজন মন্ত্ৰী এনেই ভয় কাৰণ টকা নহলে এওৰ ওচৰলৈ যাব নোৱাৰি। মই অৱশ্যে Specific অভিযোগ দাঙি ধৰিব খোজা নাই।

Shri Altaf Hussain Mazumdar—I think even if specific allegation is there probably.

Mr. Chairman (Shri Rathindra Nath Sen)—Whatever the hon' Memder is trying to express is not because there is any specific allegation. He is expressing his sorrow that such things are being heard. So, I think that the Hon'ble Minister will be benefitted by these words. These may be wild rumour also.

Shri Sailen Medhi—সভাপতি মহোদয়, অকল সেয়ে নহয় আমাৰ P.W.D. State Minister তেখেত অবশ্যে আজি নাই মই দুখেৰে সৈতে মাননীয় মুখ্যমন্ত্ৰী মহোদয় দৃষ্টি আকৰ্ষণ কৰিলো তেখেতে এজন S.D.O.লৈ চিঠি লিখিলে যে শিৱসাগৰৰ কোনো অঞ্চলৰ যে তাৰ P.W.D. Contractor, ইটা ভাটীৰ মালিক Rice Millৰ মালিক সকলক Circuit Houseত মাটিবলৈ হুকুম দিলে। এজন State Minister P.W.Dৰ Rice Millৰ মালিকৰ লগত কি Official কাম থাকিব পাৰে? উদ্দেশ্য হল ভোটৰ কাৰণে পইছা Collectionৰ বাহিৰে কি হব পাৰে? এই বিষয়ে যোৱাকালিও আমাৰ মাননীয় সদস্য শ্ৰীদুলাল বৰুৱাই অভিযোগ ডাঙি ধৰিছে। মুখ্যমন্ত্ৰী শ্ৰীচলিহা ডাঙৰীয়াইও Electionৰ কাৰণে টকা লোৱা হয় বুলি কৈছিল। গতিকে এই বিলাক দুৰ্নীতি নহয়নে? দুৰ্নীতি ওপৰ মহলে নকৰিলে তলৰ সকলে সাহস নকৰিলেহেতেন। এতিয়া চাওক মাননীয় সদস্য শ্ৰীফণি বৰাই কৈছিল গুৱাহাটী চিৰিয়াখানা ৰোডত এজন Sell tax Supdt. চাৰেতিনি বছৰত ৩টা RCC building বনালে প্ৰায় ৩ লাখ টকাৰ। এই সম্পৰ্কে মন্ত্ৰী মহোদয়ক জনোৱা হৈছিল অন্ততঃ তেওঁক গুৱাহাটীৰ পৰা বদলি কৰিবৰ কাৰণে কিন্তু বিষয়া জনৰ লগত মন্ত্ৰীৰ যোগা-যোগ থকা কাৰণে এই কাম কৰিব পৰা নাই। গতিকে ইংৰাজৰ দিনত যি Democracy বা আমোলতন্ত্ৰ চলিছিল আজি আমাৰ গণতন্ত্ৰৰ মাজত কি পাৰ্থক্য আজি আমাৰ আমোলা সকল গাদীত বহি থকাৰ ফলত তলতীয়া সকলৰ কোনো ক্ষেত্ৰতে হাত নোহোৱা হৈছে। তেতিয়া দুৰ্নীতি এই আমোল সকলৰ মাজতে সন্নিবিষ্ট হৈ থাকে তেতিয়া তলৰ কৰ্মচাৰী সকলে তাৰে চেলু লৈ বেছিহে কৰে। আনহাতে যি সকলে কম দৰ্মহা পাই তেওঁলোক বাধ্যত পৰি দুৰ্নীতিৰ আশ্ৰয় লৈছে। আৰু ই স্বভাৱ পৰিনত হৈছে।

সভাপতি মহোদয়, Cabinet বা মন্ত্ৰীসভা হৈছে Policy making body আৰু চেক্ৰেটৰীয়ে তাক execute কৰিব লাগে আৰু Director সকলে তাক implement কৰিব। কিন্তু Director সকল প্ৰশাসনৰ বা implemetation কোনো হাত নাই। কাৰণ ছিলংৰ পৰা Secretary, Minister ইয়াত হাত দিলে প্ৰশাসন কেনেকৈ চলিব। কিন্তু বৰ্ত্তমান অৱস্থাত Secretary সকলে প্ৰমাণ কৰে। আচলতে Secretary সকলে Policy বিলাক Ministerৰ লগত আলোচনা কৰিব আৰু সেইমতে D.C. Director implement কৰিব। কিন্তু ওপৰ মহলে এইবোৰত হাত দিয়াত কি Agriculture Director, কি Housing Direltor কোনেও কাৰ্য্য-ক্ষেত্ৰত অভিহনা যোগাব পৰা নাই।

Policy making body আৰু Inplimantation Bodyৰ মাজত class হোৱাৰ কাৰণে সকলো ক্ষেত্ৰতে উজুতি খাবলগীয়া হয়। Directorএ যি কয় Secretaryয়ে এইদৰে নকয়। এইদৰেই শাসন যন্ত্ৰৰ অসামঞ্জস্যতাৰ সৃষ্টি হয় আৰু প্ৰশাসনীক যন্ত্ৰত দুৰ্নীতি আৰু দুৰ্ব্বলতা আহি পৰে। A.C.S. (II) কৰ্ম্মচাৰী সকলৰ সংক্ৰান্তত মাননীয় সদস্য শ্ৰীদুলাল বৰুৱা দেৰে কৈ গৈছে। মই মাত্ৰ সেই সম্পৰ্কত এটা কথা কও যে চৰকাৰী নীতি কাৰ্য্যকৰী কৰা সম্পৰ্কত এই A.C.S. (II)ৰ কৰ্ম্মচাৰী অৰ্থাৎ S.D.C. সকলৰ ওপৰতেই দায়িত্ব ভাৰ সকলোতকৈ বেচি ন্যস্ত হয়। এওঁলোকেই ভুমি আৰু ৰাজহ সংক্ৰান্ত ব্যাপাৰত কাম কৰিবলগীয়া হয়। সেইদৰে নিৰ্ব্বাচনৰ ক্ষেত্ৰত নিৰ্ব্বাচনী অফিচাৰ আৰু Block উন্নয়ন ক্ষেত্ৰত B.D.O. বিলাকৰ ওপৰত দায়িত্বভাৰ অৰ্পণ হৈছে। এওঁলোকৰ Praspect of promotion নাই। মই জনাত S.D.C.ৰ শ্ৰেণীৰ ৬ জন কৰ্ম্মচাৰীৰ ২০ বছৰ চাকৰী কৰাৰ পাচতো Promotion হোৱা নাই। ৪ জনে ১৯ বছৰ কৰিও একো হোৱা নাই। ৫ বছৰ ১৭ জনে কৰিও একো হোৱা নাই। গতিকে প্ৰশাসনীয় ক্ষেত্ৰত কৰ্ম্মচাৰী সকলৰ উৎসাহ, উদ্দিপনাৰ প্ৰয়োজনীয়ৰ বিষয়ে আশা কৰো মুখ্যমন্ত্ৰী ডাঙৰীয়াই দৃষ্টি দিব।

(সময়ৰ সংকেত)

আমাৰ চৰকাৰে সিদ্ধান্ত লৈছিল যে P.W.D. বিভাগৰ R & B আৰু E & D বিভাগৰ কামৰ দায়িত্ব এজন Secretaryৰ ওপৰত ন্যস্ত থাকিব।

কিন্তু তাকে নকৰি বেলেগ বেলেগ Chief Engineer আৰু Secretary কৰি বিষয়া বৃদ্ধি কৰি অৰ্থ ব্যয় কৰিছে। চৰকাৰী সিদ্ধান্ত থকা স্বত্বেও এইবিলাক কেনেকৈ হয় সেই কথা মুখ্য মন্ত্ৰী ডাঙৰীয়াই বিবেচনা কৰিব লাগে।

অধ্যক্ষ মহোদয়, নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰে যি প্ৰশাসনক ব্যৱস্থা হাতত লব লাগিছিল সেই ব্যৱস্থা লোৱা হোৱা নাই। সংবিধানৰ ১৫ দফা মতে ভাৰত চৰকাৰে নিয়োগৰ ক্ষেত্ৰত ভাৰতীয় নাগৰিকে সকলো ৰাজ্যতে কৰ্ম্মসংস্থান পাব লাগে বুলি কৈছে। কিন্তু এই ক্ষেত্ৰত অসমৰ ৰাজ্যিক নিবনুৱা সমস্যা ইমান জটিল যে চৰকাৰে ইয়াত প্ৰয়োজন অনুসৰি নগালেণ্ড অন্ধ্ৰ প্ৰদেশ পশ্চিম বঙ্গৰ চৰকাৰৰ দৰে কৰ্ম্মসংস্থান ব্যৱস্থাত হস্তক্ষেপ কৰিব লাগে নহলে প্ৰবল বেগে বাঢ়ি অহা নিবনুৱা সমস্যাৰ সমাধান নহব। এই মৰ্ম্মে প্ৰয়োজন অনুসৰি আমাৰ নিজৰ বোল কৰা দৰ্কাৰ। Constituent Assemblyৰ সময়ত আমাৰ চৰকাৰে এই ক্ষেত্ৰত কোনো Protection নিবিচাৰিলে। কিন্তু নাগালেণ্ডএ এই সুবিধা গ্ৰহণ কৰিলে। গতিকে এতিয়াও যদি পাৰে সেই 'কেটেগৰিত' অসমৰ Backwardness ৰ কাৰণে অসমক অন্তভুক্ত কৰিবলৈ চেষ্টা কৰিব লাগে; নহলে অসমৰ নিবনুৱা সমস্যা সমাধান নহব। এই মৰ্ম্মে ওপৰৱালা কৰ্ম্মচাৰীসকলে দৃঢ়ভাৱে নিৰ্ভয়ে অসমীয়া থলুৱা মানুহক কৰ্ম্মসংস্থান দিবলৈ থিক কৰিব লাগিব আৰু মন্ত্ৰী সকলেও সেইদৰে কাম কৰিব লাগিব।

F. C. I.ৰ নিয়োগৰ ক্ষেত্ৰত পশ্চিমবঙ্গ চৰকাৰে কেন্দ্ৰীয় চৰকাৰক সেই বিভাগত পশ্চিমবঙ্গৰ Supply Deptt. মানুহ লবলৈ যি ব্যৱস্থা কৰিছিল সেইটো কেন্দ্ৰীয় চৰকাৰে মানি লৈছিল। আমাৰ চৰকাৰে এইদৰে কৰিব নোৱাৰাৰ ফলত ভাৰত চৰকাৰে এই F. C. I.ত অসমৰ বাহিৰৰ মানুহক কাম কৰিবলৈ ইয়ালৈ পঠাইছে। এই মৰ্ম্মে বহুতো অভিযোগ হৈছে যদিও তাৰ ব্যৱস্থা হোৱা নাই।

(সময়ৰ সংকেট)

এই বিষয়ত চৰকাৰ যদি দৃঢ় হয় তেনেহলে কিছু কাম হব পাৰে।

তাৰ পাচত চৰকাৰৰ আয় বিভাগত অৰ্থাৎ আবকাৰীৰ সম্পৰ্কত আৰু কৰ তোলাৰ সম্পৰ্কত আশা কৰো মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজে চকু দিব। নহলে অসমৰ

আৰ্থিক উন্নয়নৰ ক্ষেত্ৰত আগবাঢ়িব পৰা নহব। প্ৰশাসনৰ ক্ষেত্ৰত যিবিলাক দুৰ্নীতি যিবিলাক বেমেজালি সেইবিলাক তেখেতে নিজে চাব আৰু প্ৰশাসনীক যন্ত্ৰটোৰ উন্নতি সাধন কৰিব্।

গতিকে ২৬ জন মন্ত্ৰীৰ প্ৰয়োজন নাই। আমি জানো ৰাজনৈতিক কাৰণত লব লগা হৈছে। প্ৰশাসন শক্তিশালী কৰাৰ ক্ষেত্ৰত দুৰ্নীতি দূৰ কৰাৰ ক্ষেত্ৰত, কাম কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত এটা বিশেষভাৱে মন্ত্ৰী কমিটি কৰি দিয়ক। যদি এই ব্যৱস্থা লোৱা নহয় তেন্তে অসমৰ উন্নতি নহব আৰু অসমখন ধ্বংস হৈ যাব। এইখিনি কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

Shrimati Lily Sen Gupta—মাননীয় চেয়াৰমেন মহোদয়, সাধাৰণ প্ৰশাসন সম্পৰ্কে অভিযোগ এই সদনত আগতেও উঠিছিল আৰু আজিও উঠিছে। এই অভিযোগবোৰৰ গুৰুত্ব আছে আৰু অভিযোগ দুৰ কৰি ৰাইজলৈ সেৱা আগবঢ়াবৰ কাৰণে সদনৰ আমি যিসকল সদস্যকনে আগবঢ়োৱা পৰামৰ্শ আদি কাৰ্য্যকৰী কৰিবৰ কাৰণে চৰকাৰেও যত্ন কৰিছে। আজি দেশৰ প্ৰশাসন আৰু বেছি সবল কৰাৰ সময় হৈছে। কাৰণ এতিয়াৰ সমাজ বহু-ধৰণে পৰিবৰ্ত্তিত হৈছে আৰু মানুহৰ চাহিদা বহু বেছি। সেই কাৰণে কাম বিলাক কৰোতে যদি পলম হয়, তেন্তে প্ৰশাসনত অযথা খৰচ হব আৰু বহুত ৰকমৰ অভিযোগ উঠিব পাৰে। সেই কাৰণে এই কথা বিলাক বিবেচনা কৰি চাই আমাৰ প্ৰশাসনত যিসকল বিষয়াই বিশেষ বিশেষ দায়িত্বত আছে, তেওঁলোকে নিজৰ দায়িত্ব সৎসাহেৰে পালন কৰিছেনে নাই, নে দায়িত্ব লৈ থাকি দায়িত্বৰ প্ৰকৃত কাম কৰা নাই চাবৰ হল? বিষয়া সকলে সাহেৰে দায়িত্ব গ্ৰহণ কৰিলে ভয়ৰ কাৰণ নেথাকে আৰু ৰাজনৈতিক হেচাৰ প্ৰভাৱে অন্যায় সাধিবলৈ সকাশ নেথাকে। অৱশ্যে কামৰ পৰিমাণ আৰু প্ৰকাৰো কিমান খিনি আমি চাব লাগিব আৰু তেওঁলোকে কাম কৰাৰ সুবিধা যদি নাই সেই সুবিধা আমি দিব লাগিব। কিন্তু সেইটো Assesment হয় নে নহয় আমি Member সকলে নাজানো। প্ৰশাসনৰ যন্ত্ৰ কাৰ্যক্ষম কৰিব হলে সকলো প্ৰকাৰৰ সুবিধাও দিব লাগিব।

আজি পঞ্চায়ত কৰি প্ৰশাসনীয় ক্ষমতা বিকেন্দ্ৰীকৰণ কৰা হৈছে আৰু পঞ্চায়তক বহুতো দায়িত্ব দিয়া হৈছে। কিন্তু তাতো কাম আৰু কৰ্ম্মীলোকৰ যোগ্যতা আৰু অযোগ্যতাৰ কাৰণে ভাল আৰু বেয়া হোৱা আমি দেখিবলৈ

পাইছো। তথাপিতো যি কোনো কাৰণত নহলেও এইটো কথা সচা যে প্ৰশাসনত কিছু হেমহী হৈছে। দুখৰ কথা যে কাম কৰাৰ কাৰণে আৰু ৰাইজক সেৱা কৰাৰ কাৰণে ব্যৱস্থা বিলাক যিমান দ্ৰুতগতি হব লাগিছিল সেইটো হোৱা নাই। আজি প্ৰশাসনৰ ক্ষেত্ৰত এইটো আমি সহ্য কৰি চাই থাকিব নোৱাৰো। আমাৰ প্ৰশাসনত থকা কৰ্ম্মচাৰী সকলে কৰ্ত্তব্য কামৰ বাবে তৎপৰ বা যথেষ্ট নহয়। অৱশ্যে কৰ্ম্মচাৰী সকলৰ ভিতৰত সদ কৰ্ম্মচাৰী নথকাও নহয় কিন্তু তেওঁলোকে ৰাইজৰ প্ৰতিয়ে নহয় নিজৰ নিজৰ বিভাগৰ অধীনত থকা কৰ্ম্মচাৰী সকলৰ দুখ, কষ্টও চাব লাগিছিল কিন্তু দুখৰ বিষয় সেই ক্ষেত্ৰতো যথেষ্ট উদাসীনতা থকা দেখা যায়। আৰু আমাৰ মন্ত্ৰী সকলেও তেওঁলোকৰ প্ৰতি তৎপৰ হব লাগিব। আমি দেখিছো যে এজন চৰকাৰী কৰ্ম্মচাৰী যদি বদলি হৈ যায়, তেন্তে ৬ মাহ এবছৰলৈ Payslip নাপায়। দৃষ্টান্ত হিচাবে বহুতো কবলৈ আছে যেনে এজন Addl. D.I. জনে ডিব্ৰুগড়ত আজি ৮ মাহ ধৰি payslip পোৱা নাই। তাৰ আগৰ জনেও বহুদিন পোৱা নাছিল, তেওঁলোক ল'ৰাছোৱালী থকা মানুহ আজিৰ দিনত দৰমহা পাইয়ে চলা টান, দৰমহা যদি ৮ মাহ নেপায় মানুহ দুৰ্নীতিত লিপ্ত হবলৈ বাধ্য হয় কাম কৰাৰ কোনো আগ্ৰহ নেথাকে। কাৰণ কোনোৰে দৰমহা নোহোৱাকৈ চলিব নোৱাৰে। গতিকে এই বিলাক কথা দকৈ বিবেচনা কৰি চোৱা উচিত।

তাৰ পাছত কেনো কোনো কৰ্ম্মচাৰীয়ে ভাল সুবিধা থকা ঠাইত য'ত 'কুৱাৰ্টাৰ' থাকে তাতেই ৬/৭ বছৰ থাকে কিন্তু যাৰ কোনো নাই তেওঁ একো সুবিধা নাপায়। এই বিলাক ৰাজনৈতিক হেচা কিয় হব লাগে। এইদৰে দেখা গৈছে যে যি সকলে পাইছে সকলোকে পাইছে আৰু যি পোৱা নাই একোৱে পোৱা নাই। মই আশা কৰো আৰু অনুৰোধ কৰো এনে অসহায় কৰ্ম্মচাৰী সকলক উচ্চ বিষয়া সকলে নিৰপেক্ষ ভাৱে সহায় কৰিব। উচ্চ কৰ্ম্মচাৰী সকলেহে নিজৰ অধীনস্থ কৰ্ম্মচাৰী সকলৰ প্ৰতি সমান চকুৰে চাই সহায় কৰা একান্ত প্ৰয়োজন। তেতিয়া হলেও প্ৰশাসন ভাল হব। চৰকাৰে কৰ্মচাৰী সকলক কিছুমান সুবিধা দিছে যদিও সকলোৱে সেই সুবিধা পোৱা নাই যেনে কেৰানী মহৰী আৰু 4th grade কৰ্মচাৰী সকলৰ চিকিৎসাৰ সুবিধা দিছে অৱশ্যে প্ৰথমতে নিজে ঔষধপাতি কিনিব লাগে আৰু

পইছাৰ কাৰণে চৰকাৰৰ ওচৰলৈ Bill পঠাব লাগে। আজি সৰহ সংখ্যক কৰ্মচাৰীয়ে সেই পইছা পোৱা নাই। এই কৰ্মচাৰী সকলৰ ঘৰৰ বন্দবস্তও নাই। গতিকে এই বিষয়ে মনোনিৱেশ কৰিবলৈ মই চৰকাৰৰ দৃষ্টি আৰ্কষণ কৰিলো।

মই ভাৱো যে, Shillong ৰ অফিচত যদি কাম বিলাক ভালদৰে চলে তেতিয়াহে জিলা বা মহকুমা পৰ্য্যায়ত ভালকৈ চলিব প্ৰত্যেক ক্ষেত্ৰতে প্ৰত্যেক বিষয়তে এটা কাম কৰিবলৈ হলে জিলাৰ পৰা report লব লাগে দেখা গৈছে যে report call কৰোতে বহুত সময় নষ্ট হয় আমাৰ ডিৰেক্টৰ, চেক্ৰেটাৰী মন্ত্ৰী সকলে জিলা বিলাকত যথেষ্ট ভ্ৰমণ কৰে কিন্তু প্ৰতি কথাতেই জিলাৰ report নহলে কাম নকৰে কিয় এই ভয় বা দুৰ্ব্বলতা মই বিচাৰিলে নেপাও। প্ৰত্যেক বিষয়তে চেক্ৰেটাৰী সকলৰ আগত Director সকলৰ হাতত পৰিকাৰকৈ মেপ তথ্যাদি থাকিব লাগে যাতে প্ৰতিবাৰে জিলাৰ report ৰ কাৰণে অযথা সময় নষ্ট নহয়। Seitlement কথা হওক কিবা Settlmentৰ কথা হওক অযথা বহু দিন এইদৰে কামবোৰ নকৰাকৈ সেই ভাবে পৰি পৰি থাকে। এই বিলাক নোহোৱাৰ কাৰণে কামত বৰ পলম হয়। গতিকে দ্ৰুত গতিত কাম কৰিবৰ কাৰণে ব্যৱস্থা অবলম্বন কৰিবলৈ মই চৰকাৰক অনুৰোধ জনালো।

তাৰ পাছত দেখা গৈছে যে আমাৰ প্ৰশাসন বিভাগত যেতিয়ালৈকে Minister এ file call নকৰে তেতিয়ালৈ Minister ৰ ওচৰলৈ file নাহে। সুধিলে কয় মিনিষ্টাৰে নুখুজিলে দিব নোৱাৰি। এইটো হবলৈ পাইছে কিয় ? Officer বিলাকৰ ইমানকৈ ভয় হোৱাৰ কাৰণ কি? Minister এ file call কৰাৰ ওপৰিও কাৰ নামত report আহিছে case টো কলৈ গৈছে এই বিলাকো তন্ন তন্নকৈ চাই officer ক বুজাই দিলেহে officer বিলাকে বুজে। সেই কাৰণে ৰাজহুৱা কাম কাজৰ file বিলাক চোৱাৰ এটা নিৰ্দ্দিষ্ট সময় থাকিব লাগে। আৰু সেই কাৰণেই মই কৈছো যে এই শাসন ব্যৱস্থাটো যদি পৰিবৰ্ত্তন কৰা নহয় তেন্তে আমি সদায় এই কথা কৈ থাকিলেও কোনো কামত নাহিব। তেতিয়া হলে আজিৰ সমাজৰ যিটো চাহিদা আৰু কামৰ পৰিমাণ সেইটো চৰকাৰে কেতিয়াও পূৰণ কৰিব নোৱাৰিব।

মই অলপ কব খোজো Dibrugarh Medical callege ত যি সকলে 4th grade ত কাম কৰি আছে তেওঁলোকৰ কোনো Service rule নাই।

তেওঁলোকে প্ৰায়ে over time ও কৰিব লাগে; কিন্তু তাৰ বাবে তেওঁলোকক একো দিয়া নহয়। তেওঁলোকক প্ৰসূতি বিভাগত বেমাৰীৰ কাপোৰ কানি যক্ষ্মা ৰোগীৰ বাচন বৰ্ত্তন আদি চফা কৰি দিয়াৰ পাচত চাবোন এটুকাৰাও হাত ধুবলৈ দিয়া হোৱা নাই। যক্ষ্মা ৰোগী, চেপটিক আদি প্ৰসূতিৰ কাম কৰিবলৈ তেওঁলোকৰ বাবে কোনো এপ্ৰন বা লিভাৰি নাই আনকি কোনো protective appertars appor দিয়া নহয় ই বৰ দুখৰ আৰু উদ্বেগৰ কথা। স্বাস্থ্য আৰু চাকৰিৰ ও নিৰাপত্তা নোহোৱা হৈ আছে। তেওঁলোকৰ দৰমহাৰ কাৰণে বহী নাই Register বহীও নাই। কোনোবাই এজনক জেৰা কৰি কামৰ পৰা বাহিৰ কৰি দিয়ে আৰু নতুনকৈ এজন নিয়োগ কৰি লয়। আজি বহুত দিন ধৰি এনেকুৱা কাম চলি আহিছে, অসম্ভব শোষণ চলি আছে।

গতিকে সেই 4th grade সকলৰ কাৰণেও Registration ৰ ব্যৱস্থা হব লাগে, Service rule খুলি চিৰস্থায়ী বা permanent চাকৰিৰ ব্যৱস্থা হব লাগে আৰু তেওঁলোকৰ পেন্সন আদিৰ ব্যৱস্থাও হব লাগে।

মাননীয় সদস্যই এটা কথা কৈছে যে, শ্ৰমিক সকলক আমি আজি সুবিধা দিব পৰা নাই। অৱশ্যে এইটো ঠিক। বহুতো কৰিবলৈ আছে। মই আকৌ মেডিকেল কলেজৰ শ্ৰমিক কৰ্মচাৰীৰ কথাকে কওঁ। মেডিকেল কলেজত শ্ৰমিকৰ দৰমহা ২০/২৫ তাৰিখে হয়। নিম্নতম মজুৰী আইন ভঙ্গ কৰা হৈছে। Labour Deptt. আপত্তি দি, কৈও, তালৈ নিয়াব পৰা নাই। এই মানুহ বিলাকৰ দৰমহা নোহোৱাৰ বাবে তেওঁলোকে চৰাসুদত কাবুলীৰ পৰা পইচা ধাৰ কৰিব লগা হয়। যেতিয়া দৰমহা দিয়া হয় তেতিয়া এখন খিড়িকীত দৰমহা দি থাকে আৰু আনখন খিড়িকিত কাবুলী বৈ থাকে। শ্ৰমিকৰ উপাৰ্জ্জন এইদৰেই শেষ হৈ যায়। এই সম্পৰ্কে বেঙ্গলত এখন টকা লবলৈ আইন আছে সেইখন Antibesetting act বোলে। এই act হোৱাৰ পৰা কাবুলীয়ে শ্ৰমিকৰ পৰা উদ্যোগৰ চৌহদত টকা পইচা ঋণ আদায় কৰিব নোৱাৰে। আমাৰ চৰকাৰে অসমত হোৱা তীৰ খেল বন্ধ কৰিছে কিয়নো এই খেলে আমাৰ মানুহক সৰ্ব্বশ্ৰান্ত কৰিছিল। গতিকে এই শ্ৰমিক সকলক কাবুলীৰ পৰা ৰক্ষা কৰিবলৈ আমাৰ চৰকাৰে এই ধৰণৰ আইন প্ৰণোয়ন কৰক, যদি আইন প্ৰনোয়ণ কৰিবলৈ পলম হয় তেন্তে অভিৰ্ণাম্ম জাৰি কৰিব লাগে, অনতি পলমে। মহোদয় আমি সমাজবাদী

সমাজ গঠন কৰিবৰ কাৰণে চেষ্টা কৰিছো। কিন্তু শ্ৰমিক আৰু দুখীয়াক প্ৰকৃততে শোষণ মুক্ত কৰিব পৰা নাই। আমাৰ সমাজে সমাজ সেবক সেবিকা সকলক স্বীকৃতি দি এই বিধান সভালৈ পঠাইছে। আৰু তাৰে পৰা যোগ্য লোক সকলে মন্ত্ৰী হৈছে। গতিকে মন্ত্ৰী সকলে নিশ্চয় তেনে সেৱা কৰিব পাৰিছে। আমাৰ চৰকৰী কৰ্ম্মচাৰী সেই সমাজৰ পৰাই আহিছে গতিকে তেখেত সকলেও এই কথা বুজি পাব লাগে। আৰু সেৱামুলক ভাবেৰে এই শোষণ দূৰীকৰণ কৰিব লাগে। চেয়াৰমেন মহোদয় মই State Transport workers Union ৰ কথা অলপ কব খুজিছো। State transport corporation কৰা হৈছে, আৰু ইয়াৰ দ্বাৰা চৰকাৰে আগৰ মানুহ বিলাকক চাতাই কৰা নহব বুলি কৈছিল আৰু বহুতো প্ৰতিশ্ৰুতি আছিল। কিন্তু সেই লোক সকলে স্বীকৃতি বা প্ৰতিশ্ৰুতি আজি পৰ্য্যন্ত পোৱা নাই। সেই বাবেই অলপতে তেওঁলোকে ধৰ্মঘট কৰিছিল। এই ধৰ্মঘট কৰাৰ বাবে তেওঁলোকৰ ওপৰত পুলিছে অত্যাচাৰ কৰিছে। অৱশ্যে ঠিক সময়তে মুখ্যমন্ত্ৰীয়ে step লোৱাৰ বাবে মই তেখেতক ধন্যবাদ দিছো। মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল যে বাকী বিষয়ে শ্ৰম মন্ত্ৰীয়ে মধ্যস্থতা কৰিব। মুখ্যমন্ত্ৰীৰ এই সিদ্ধান্ত কৰ্তৃপক্ষ আৰু শ্ৰমিকে মানি লৈছিল, আৰু সমূহ শ্ৰমিকে প্ৰস্তাৱ যোগে এই ব্যৱস্থা হাতত লোৱাত মুখ্যমন্ত্ৰীক শলাগ লৈছিল কিন্তু আজিলৈকে মধ্যস্থতা নহল। এই কথাটোত তৎক্ষনাত হস্তক্ষেপ কৰিবৰ কাৰণে মই অনুৰোধ কৰিছো। আমি চৰকাৰক দোষাৰোপ কৰিলেও কেতিয়াও অশান্তি কৰা নাই। কিন্তু আজি এই পৰিবেশটো দুখ লগা গতিকে এই কথা সোনকালে কৰিবলৈ অনুৰোধ কৰি বক্তব্য সামৰিলো।

Mr. Chairman. We are much behind the schedule and it was agreed by the hon. Members of this side of the House and the hon. Speaker that both the grants which were supposed to have been passed yesterday would be passed to-day, and therefore I would request Dr. Das to co-operate with me and conclude his speech within seven minutes so that I can allow Shri Nakul

Das to speak for five minutes.

Dr. Surendra Nath Das—সভাপতি ডাঙৰীয়া, মই সদনত তুলাল বৰুৱাই উত্থাপন কৰা কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুটামান পৰামৰ্শ আগ বঢ়াব খুজিছো। ১৯৬৭ চনত নিৰ্ব্বাচনৰ পাছত যেতিয়া প্ৰথমে সদস্য হিচাবে আহো তেতিয়া আমাৰ মাননীয় সদস্য শ্ৰীলক্ষ্য চৌধুৰীৰ লগত Secretariat লৈ গৈছিলো। তেতিয়া Secretariatৰ Wallত লিখা দেখিছিলো—যে "কেৰাণীৰ কৰ্ণধাৰ টকা মাৰিছে অফিচৰ Proposel মিনিষ্টাৰৰ"। শুই থকা মানুহক জগাবলৈ ভাল কিন্তু জাগি শোৱা মানুহক উঠাবলৈ টান। আমাৰ বয়োবৃদ্ধ অভিজ্ঞ মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই সকলো কথা জানে। যদি নিকা প্ৰশাসন কৰিব খোজে তেন্তে আন্তৰিকতাৰে সৈতে প্ৰচেষ্টা চলাব লাগিব কিন্তু সেই প্ৰচেষ্টা চলাইছেনে নাই সন্দেহ হয়। মই এটা কথা কব খুজিছো যে ১৯৬৮-৬৯ চনতে মই এজন মণ্ডলৰ বিপক্ষে অভিযোগ উত্থাপন কৰিছিলো আৰু এজন S.D.O.ই Enquery কৰি তেওঁক Suspend কৰিলে আৰু শেষত সেই মণ্ডলকে Re-instate কৰিলে।

Speech not correct

Shri Mahendra Mohan Choudhury (Chief Minister)—মণ্ডলজনৰ নাম কি (ক্ৰঃ)

Dr. Surendra Nath Das—নামটো হৈছে গফুৰ মণ্ডল। পাৱঘৰ নগৰ Circleৰ মণ্ডল। তাৰ পাচত ৰাজ্যিক মন্ত্ৰী গগৈদেৱে কৈছিল, কিন্তু তাৰ পাচতো কামটো হোৱা নাই। ইয়াৰ পাচত ৰাজহ মন্ত্ৰী চৌধুৰী ডাঙৰীয়াক সদস্য চৌধুৰী ডাঙৰীয়াই কৈছিল। তেওঁ immedite transfer কৰিবলৈ order দিয়াৰ পাচতো আজি এমাহে একো খবৰ নাই। চৌধুৰী ডাঙৰীয়া আৰু গগৈ ডাঙৰীয়াই অৱশ্যে আমাৰ কথাটো ৰাখিবলৈ চেষ্টা কৰিছিল কিন্তু নোৱাৰিলে। আকৌ ২২ হাজাৰ টকা খৰছ কৰিলে Reinstead কৰিলে বিধান সভাত কৈছিল কিন্তু তাৰ কোনো খবৰেই নাই। কেইটামান পাকিস্থানলৈ গৈছে আৰু কোনোবা মৰিল এইদৰেই অন্য মানুহৰ নাম দি বহুত টকা আদায় কৰিলে। ঠিক তেনেকৈয়েই বহুত কথা আমি কও কিন্তু কামত পূৰণ কৰা নহয়। Supply মন্ত্ৰী জন খুব ভাল জানো। এটা মিলৰ সংক্ৰান্তত এবাৰ লগ ধৰিছিলো Secretary এ order ৰ দিয়াৰ

পাচতো অফিচাৰৰ বাম্বোনত পৰি কামটো কৰিব নোৱাৰিলো। তেতিয়া মোৰ লগত মাননীয় সদস্য বিনয় কৃষ্ণ ঘোচো আছিল। মই ভাৱো সদনাম। অৱশ্যে আনে কি কয় মই নেজানো মই বৰ বেছিকৈ বিনা কাৰণত মন্ত্ৰীৰ ঘৰে ঘৰে বা অফিচে অফিচে ঘূৰি নুফুৰো। কাৰণ যি কোনো কাৰণতেই মন্ত্ৰীক request কৰা অফিচাৰক বিশেষকৈ কেৰাণীৰ ওচৰলৈ যাব মই খুব হেয় অনুভব কৰো। অৱশ্যে বহুতে কয় M.L.A. হৈও এই সকলৰ লগত সম্বন্ধ নাৰাখে। সচাকৈ কৈছো মই Undue Request কৰিব নোখোজো। সেই কাৰণেই মোৰ বহুত কাম হৈ নুঠে। সভাপতি মহোদয়, ৬ লাখ টকা ৰাজহ বিভাগৰ অফিচে Submit কৰা নাই। গতিকে খৰছ কৰিলে। কিন্তু কাগজে পত্ৰে টকা খৰছৰ কোনো হিচাবেই পোৱা নাই কিন্তু এইবিলাক কথাত কোনো গুৰুত্বই দিয়া হোৱা নাই। সচাকৈয়েই এই পদৰ পৰা বিৰত থাকিব লাগিব। মাটি বিতৰণৰ ক্ষেত্ৰত ৰাজহ মন্ত্ৰীয়ে অনুগ্ৰহকৰি বহুত Sechedule Casteৰ মানুহক মাটি দিছে। কিন্তু listত দেখা গৈছে শতকৰা ৫০ ভাগ মানুহেই ৮/৯ বা ৪/৫ খন গাড়ী বা বহুত টকাৰ মালিক। এই-দৰেই বিধান সভাত বহুত কথাই আমি কও কিন্তু কামত হলে একো নেপাওঁ। এই যে S.D.O. বিলাকক তিনিমাহে ৬ মাহে বদলি কৰি থাকে তেতিয়া হলে কামত বহুত ব্যাঘাত জন্মে। কাৰণ এজন S.D.O.ই নতুনকৈ গৈ কামখিনি আয়ত্ত কৰাৰ আগতেই বা পিছতেই Transfer কৰে। তেতিয়াহলে তেওঁ আৰু কাম কৰিবলৈ সময় নেপাই আৰু শেষত suffer কৰিব লাগে আমি। তাৰ পিছত আৰু এটা কথা কব খুজিছো এজন ডাক্তৰ ১৯৬২ চনৰ পৰা ১৯৭১ চনলৈ Condensed Course পঢ়িবলৈ ডিব্ৰুগড়লৈ গৈছিল। ইয়াৰে আবেদন পত্ৰ এখন ১৯৬৭ চনতেই দিয়া হৈছিল আৰু তেতিয়াৰপৰাই চেষ্টা কৰি থকা হৈছে। মানুহজনৰ নাম হ'ল শ্ৰীউদয় চন্দ্ৰ তালুকদাৰ। কিন্তু সেই কাম এতিয়াও হৈ উঠা নাই। এইদৰেই যদি প্ৰশাসন যন্ত্ৰ চলে তেতিয়াহলে সচাকৈয়ে বৰ লাজৰ কথা। এই যে প্ৰত্যেক অফিচে অফিচে যিবোৰ file থাকে তাতে যদি কোনোবা M.L.Aৰ Candidate বা কোনোবা Minister Candidate বুলি লিখা থাকে তেতিয়া আমি দেখিলে বৰ লাজ পাওঁ আৰু ভৱিষ্যতে যাতে তেনেকুৱা নহয় তাকে কামনা কৰো। ইয়াকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

*Shri Nakul Chandra Das—অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাবটোৰ বিৰোধীতা কৰি আমাৰ প্ৰশাসন ব্যৱস্থা ভাল নহয় সেইটো কব নোৱাৰো। আমাৰ প্ৰশাষণ ব্যৱস্থা ভাল কৰিবলৈ সকলোৰে সহযোগৰ দৰ্কাৰ। গতিকে আমি চৰকাৰক অনুৰোধ কৰো যে চৰকাৰে যিবিলাক ব্যৱস্থা গ্ৰহণ কৰা দৰ্কাৰ সেইবিলাক সচিবে গ্ৰহন কৰিব লাগে। প্ৰত্যেকে নিজৰ দায়ীত্ব বুজি যদি কাম কৰি যায় তেতিয়াহলে নিশ্চয় প্ৰশাসন যন্ত ভালদৰেই চলিব। কিন্তু এতিয়া আমি দেখিছো Office বিলাকত যেতিয়া কোনো এটা Important file বিচৰা হয়, তেতিয়া কেৰাণীয়ে কয় Suptt.ৰ ওচৰত আছে, Suptt. কয় U/Secyৰ ওচৰত আছে। U/Secyৰ ওচৰত সুধিলে কয় Dy/Secyৰ ওচৰত আছে। এইদৰে শ শ বাৰ ঘূৰি থাকে। কোনো কৰ্ম্মচাৰী বা অফিচাৰেই সেই ফাইলৰ দায়িত্ব লৈ কাম নকৰে। কোনোবাই দৰ্খাস্ত বা কাগজ এখন দিলে সেই কাগজ কিমান দিনৰ মূৰত Secyৰ ওচৰ পায়গৈ তাৰ কোনো হিচাপ নাই আৰু কেতিয়াবা নাযায়েই। কাৰ ওচৰত কেনেকৈ পলম হল এইটো অনুসন্ধান কৰোতা কোনো নাই। সেই দৰ্খাস্ত বা কাগজত যে একোটা পৰিয়ালৰ প্ৰাণৰ স্পিন্দন থাকে সেই কথা অনুভৱ নকৰে।

আজি প্ৰশাসনীয় বিভাগৰ বিষয়াসকলে দায়িত্ব পালন নকৰি প্ৰত্যেক কামতে অৱহেলা কৰি আহিছে। এই প্ৰশাসনীয় ব্যৱস্থা সুচল কৰাৰ বহুতো সুযোগ সুবিধা আছে। গতিকে সেইবিলাক Policy গ্ৰহণ কৰি প্ৰশাসন শক্তিশালী কৰক আৰু কেনেকৈ সুস্থ সবল কৰিব পাৰি মন্ত্ৰী মহোদয়ে তাৰ ব্যৱস্থা হাতত লওক।

আজি Sectt.ৰ বিভিন্ন বিভাগৰ বৰমূৰীয়া সকলে মুখত সকলো কথাকেই কয়, কিন্তু কাৰ্য্যক্ষেত্ৰত একো ব্যৱস্থাই নকৰে। তেওঁলোকে যি পৰিমাণে দায়িত্ব পালন কৰিব লাগিছিল সেই পৰিমাণে পালন কৰা নাই। প্ৰত্যেকটো কামতে অফিচাৰ সকলৰ লেহেম গতি দেখিবলৈ পোৱা গৈছে। আজি বৰমূৰীয়াসকলে কিয় এই বিষয়াসকলক বা Sectt. অফিচবিলাক Control কৰিব নোৱাৰাৰ কাৰণ কি আছে?

সিদিনা দিল্লীত কংগ্ৰেছ চৰকাৰ গঠন কৰি ভাৰত চৰকাৰে এটা শ্লগান দিছে যে "গৰীৱী হতাও"। গতিকে সেইদৰে যদি আমি দৰিদ্ৰক দুখৰ পৰা

*Speech not correct

মুক্ত কৰিব নোৱাৰো তেতিয়া হলে এই কথাৰ কি যুক্তি আছে? অৱশ্যে দৰিদ্ৰক মুক্ত কৰিবৰ বাবে বহুতো উপায় আছে। সেই কাৰণে মই এই প্ৰশাসন বিভাগৰ কাৰ্য্যকলাপবিলাক শক্তিশালী কৰিবলৈ চৰকাৰক পৰামৰ্শ দি মোৰ বক্তব্য সামৰণি মাৰিলো।

*Shri Benoy Krishna Ghose—অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই চৰকাৰৰ এই প্ৰশাসনৰ বিষয়ে কব বিচাৰিছো যে এই প্ৰশাসনটো এটা বিকলাঙ্গ যন্ত্ৰৰ দৰে চলিছে। কাৰণ কৰ্ম্মচাৰী সকলে তেওঁলোকৰ দায়িত্ব বুজি নাপায়। কৰ্ণধাৰ মন্ত্ৰী সকলৰো কোনো কানসাৰ নাই।

এই সংক্ৰান্তত মই গোৱালপাৰা জিলাৰ জৰীপ কাৰ্য্যৰ কথা কব বিচাৰিছো যে ১৯৬৭ চনৰ এই জৰীপ কাৰ্য্যত বেমেজালি চলি আছে। তেতিয়া মাননীয় মুখ্যমন্ত্ৰী নিজে ৰাজহ মন্ত্ৰী আছিল। এই বিধান সভাত ১৯৬৭ চনৰ পৰাই মই এই অভিযোগ কৰি আহিছো তথাপি চৰকাৰে সেই কাৰ্য্য সুকলমে কৰা নাই। তেখেতে নিজে কৰিম বুলি আশ্বাস দিও এতিয়ালৈকে অৱজ্ঞা কৰি আছে। তাৰ ফলত যিবিলাকে মাটি পাব লাগিছিল সেইবিলাকে পোৱা নাই। যাৰ নামত মাটিৰ পট্টা আছে সেই নামত পট্টা issue নকৰি বেলেগৰ নামত পট্টা দিছে। চৰকাৰৰ এই কাৰ্য্যৰ কাৰণে ৰাইজে civil case ও দিলে। civil case ত চৰকাৰ হাৰিল এই case টো S.D.C. য়ে ডিগ্ৰী দিয়ে কিন্তু D.C. য়ে সেইটো মানি নলয়।

১৯৬৫ চনত ডিগ্ৰী পাইছিল; কিন্তু আজিলৈকে মাটিৰ Record correction হোৱা নাই। এই দুখীয়া খেতিয়ক সকলৰ প্ৰতি D.C. ৰ মৰম নাইনেকি? তেখেতৰ নিজৰ ইচ্ছামতে বহি থাকে, কোনো কাম নাই। অকল সেইটোৱেই নহয়। এইবিলাক file ৰ ধুবুৰী গোৱালপাৰাত case হৈ আছে। D.C. ক কোৱা স্বত্বেও D.C. কোনো কাম নকৰে। D.C. য়ে S.D.C. ক অনুমতি নিদিয়াৰ কাৰণে ১৯৬৫ চনৰ পৰাই এই কামবিলাক আজিলৈকে সম্পূৰ্ণ হোৱা নাই।

তাৰ পাছত চৰকাৰে ভূমিহীনক মাটি দিয়াৰ কাৰণে নীতি গ্ৰহণ কৰিছে। আজি ৭/৮ বছৰৰ পৰা মকুমাধিপতিৰ অফিচত দৰ্খাস্ত পৰি আছে কিন্তু Land advisary Board এ একো কাম কৰিব পৰা নাই। ইয়াৰ

কাৰণ হল দৰ্খাস্ত বিলাক D.C. য়ে S.D.C. লৈ পঠিয়াই দিয়ে আৰু S.D.C. মণ্ডলৈ পঠিয়াই দিয়ে মণ্ডলে যদি দক্ষিণা নাপায় তেতিয়া হলে কাম নকৰে গতিকে মাটিহীন মানুহক মাত্ৰ মাটি দিম বুলি কোৱাহে হয়; কিন্তু কাৰ্য্যকৰী ব্যৱস্থা একো লোৱা নাই।

তাৰ পাছত আন এটা কথা হল S.D.O. মহোদয়ৰ কথা S.D.C. য়ে নুশুনে মাটিয়াবিত ৮৮ জন মানুহে দৰ্খাস্ত দিছিল S.D.O. মহোদয়ে এখন চিঠি S.D.C. লৈ পঠিয়াই দিছে। ৮৮জন মানুহৰ grant টো পঠিয়াই দিছে; কিন্তু এতিয়াও অফিচলৈ যোৱা নাই, S.D.O মহোদয়ে হুকুম দিছে কিন্তু S.D.C. য়ে অৱজ্ঞা কৰিছে। আনহাতেদি S.D.C. ৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লোৱা হোৱা নাই।

প্ৰকৃততে যিসকল মানুহে ঋণ পাব লাগিছিল সেইসকলে পোৱা নাই। যিসকলে S.D.C. ক দক্ষিণা দিব পাৰে তেওঁলোকে Loan পাইছে। এই শাষণ যন্ত্ৰটোত যিবিলাক বিভাগ আছে, এটা বিভাগে আনটো বিভাগৰ লগত সহযোগ নকৰে। এই ধৰণে হলে সমাজবাদ কেনেকৈ প্ৰতিষ্ঠা হব ?

তাৰ পাছত সমবায় কৰিবৰ কাৰণে মাটি লাগিব। কিন্তু যেতিয়া সমবায়টো Register কৰিবলৈ যোৱা হয়, তেতিয়া কয় যে মাটি নহলে Register নহয় এইবিলাক কথা যেতিয়া S.D.O. ক কোৱা হয়, তেতিয়া কয় যে Register নকৰাকৈ মাটি দিব নোৱাৰো। এই ধৰণৰ দুৰ্নীতি হোৱাত সমবায় পদ্ধতিত খেতি কৰিবলৈ মানুহৰ আগ্ৰহ নোহোৱা হয়। এই শাষন যন্ত্ৰটোত যিবিলাক দূৰ্নীতি সোমাইছে সেইবিলাক দূৰ কৰিবৰ কাৰণে দূৰ্নীতি পৰায়ন অফিচাৰ সকলৰ প্ৰতি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

তাৰ পাছত মটিয়া আঞ্চলিক পঞ্চায়তৰ Deep tubewel ৰ কাৰণে চাৰে বাৰ হেজাৰ টকা আহিছিল; কিন্তু তাৰ মাত্ৰ দিলে চাৰেপাচ হেজাৰ টকাহে। গোৱালপৰা জিলাত যিবিলাক Deep tubewell দিছে সেই বিলাকত চাৰে পাচ হেজাৰৰ বেছি পৰা নাই। এই সম্পৰ্কত বাৰে বাৰে চিলংৰ পৰা কৰ্ম্মচাৰী অনুসন্ধানৰ কাৰণে পঠোৱা হয়। কিন্তু তাৰ পৰা একো লাভ হোৱা নাই। ইয়াৰ কাৰণ হৈছে যি এই কামৰ কাৰণে পঠায় তেওঁ কিবা নিৰ্দ্দেশ দিহে, নহয় যত তদন্ত কৰেগৈ তাত টকা খাই ঘূৰি আহে।

অকল সেয়ে নহয় মই এটা প্ৰশ্ন দিছিলো যে বোকাখলি হাত চৰাত

Test relief ৰ কাৰণে ৬ হেজাৰ কোডাল কিনা হৈছিল। কিন্তু আচলতে কোডাল কিনা হোৱা নাছিল। শিক্ষা মন্ত্ৰী শ্ৰীচৈয়দ আহম্মদ আলি থকাৰ সময়ত আমাৰ দলগোমা হাইস্কুলৰ President জন দুৰ্নীতি পৰায়ন বুলি বহুত মানুহে দৰ্খাষ্ট দিছিল। তেওঁক Secretary কৰিব নোৱাৰে বুলি কৈছিল। মই মুখ্য মন্ত্ৰীক এই বিষয়ে দৃষ্টি আৰ্কষণ কৰো যে তেখেতে নিজে গৈ এই স্কুলটোৰ ঘৰ আদি চাই কিবা এটা ভাল ব্যৱস্থা কৰে।

তাৰ পাচত আৰু এটা কথা যে চৰকাৰে ক্ষমতা বিকেন্দ্ৰীকৰণ কৰি গুৱাহাটীত Flood control আৰু E.V.D. ৰ Chief Engineer অফিছ নিজে তাত Errigation Deptt. ও আছে। গোৱালপাৰাত যিটো হব লাগিছিল সেইটো অফিচ গুৱাহাটীৰ west ত কৰা হৈছে। এই অফিচটোৰ পৰিশৰ জন কাচাৰৰ পৰা বকুলৈ ১৫০ মাইল। এই হৃদয়ৰ ভিতৰত ইয়াৰ কাম কিমান হব সেইটো বুজি নাপাও। আমাৰ গোৱালপাৰা জিলা কৃষি প্ৰধান। তাত কোনো Irrigrtion হোৱা নাই গতিকে গোৱালপাৰা জিলাৰ উন্নতিৰ কাৰণে এই অফিছ গোৱালপাৰা জিলালৈ নিব লাগে। তেতিয়া হলে তাৰ কেইজনমান নিবনুৱা লৰাই হয়টো চাকৰীও পাব। ইয়াকে কৈ মই কৰ্ত্তন প্ৰস্তাবটো সমৰ্থন কৰিলো।

*Speech not corrected

Shri A. N. Akram Hussain—চেয়াৰমেন মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই কব খুজিছো যে আমাৰ প্ৰশাসন ব্যৱস্থা ওপৰি গধুৰ হৈছে আৰু এইটো সমাজ তান্ত্ৰীক সমাজ ব্যবস্থাৰ পৰিপন্থী। এই প্ৰশাসনত এজন কেৰাণীৰ দৰ্মহা ১৫০ টকা আৰু চিফ চেক্ৰেটাৰীৰ দৰ্মহা ৩ হেজাৰতকৈয়ো অধিক। সমাজবাদী চৰকাৰৰ এই ব্যবধানটো দুৰ কৰিব লাগে। আৰু ওপৰি গধুৰ শাসকৰ সংখ্যা আৰু দৰ্মহা কমাব লাগে। ৪ৰ্থ শ্ৰেণীৰ চাকৰীয়াল সকলক জীয়াই থাকিব পৰাকৈ দৰ্মহা বঢ়াই দিব লাগে। এই প্ৰসঙ্গতে মই এই কথা কব খুজিছো যে ওপৰ মহলাৰ অধিকাংশ অলাগতিয়াল কৰ্মচাৰী অসমৰ বাহিৰৰ মানুহ। আৰু তেওঁলোকে যোগ্যতা থকা থলুৱা অসমীয়া মানুহৰ কৰ্মসংস্থানত প্ৰতিবন্ধক স্বৰূপ হৈ উঠিছে। এইদৰে প্ৰশাসনীক ব্যৱস্থা চলি থাকিলে আমাৰ কি হব সেই কথা ভগবানে জানে

আৰু ভৱিষ্যতে কি হ'ব তাক বুৰঞ্জীয়েহে কব। এই প্ৰসঙ্গতে মই এই কথা কব খুজিছো যে সংখ্যালঘূ মুছলমান সম্প্ৰদায়ৰ D. C. বা S. D. O. কোনো জিলাতেই নাই। আশাকৰো মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই বিষয়ে দৃষ্টি দিব।

তাৰ পিচত মই কব খুজিছো যে যিবিলাক চাবকুল অফিচ আছে সেইবিলাকত দুৰ্নীতিয়ে শিপাই পেলাইছে। উদাহৰণ স্বৰূপে পলোবাৰী আৰু চয়গাওঁ চাৰকুলত যোৱা বানপানীত প্ৰায় ৬ হাজাৰ গৰু-মহৰ মৃত্যু হৈছিল। কিন্তু যেতিয়া তদন্তৰ কাৰণে কৰ্ম্মচাৰী পঠাই তেতিয়া ৰাইজৰ পৰা প্ৰত্যেকটো মৰা গৰুৰ কাৰণে ২ টকাকৈ ঘোঁচ বিচাৰিছিল। কিন্তু দুখীয়া বান পিড়ীত ৰাইজে সেই টকা দিব নোৱাৰাৰ ফলত তেওঁলোকে ৰিপৰ্ট দিলে যে এটাও গৰু মৰা নাই। তাৰ পাচত যেতিয়া 'কেটেল' লোণৰ ব্যৱস্থা হল তেতিয়া ঋণ বিচাৰি অহা ৰাইজৰ পৰা চাৰকুল অফিচৰ কৰ্ম্মচাৰীয়ে ১০০ টকাকৈ দাবী কৰিছিল। মাননীয় সদস্যা শ্ৰীমতি লিলি সেন গুপ্তাই।

আমাৰ মাননীয় Lily Sen Gupta বাইদেউৱে থিয়েই কৈছে, তেখেতে কথাৰ মাজেদিয়েই চৰকাৰৰ প্ৰতিছবি এটা ৰাইজৰ আগত ডাঙি ধৰিছে। সেই কাৰণে কেনেধৰনেৰে প্ৰশাসন চলাব পাৰি সেইটোত গুৰুত্ব দিব লাগে আৰু ছয়গাওঁত যিটো ঘটনা হৈছে তালৈ দৃষ্টি আকৰ্ষণ কৰি মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

Shri Sarat Chandra Rava—অধ্যক্ষ মহোদয়, এই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মই দুষাৰমান কব খুজিছো আমাৰ এই প্ৰশাসনীয় যন্ত্ৰটো একেবাৰে দুৰ্নীতিপূৰ্ণ হৈছে, আমাৰ গাৱলীয়া ৰাইজে স্থানীয় বিষয়া সকলৰ পৰা যেতিয়া কোনো সহায় নাপায় দৰ্খাস্ত দিলে কাম নহয় আৰু যেতিয়া তেওঁলোকে শ্বিলঙলৈ আহি মন্ত্ৰী সকলক লগ ধৰে। ইয়াতো তেওঁলোকৰ কাম নহয়। উদাহৰণস্বৰূপে জনাও যে বৰপেটা মহকুমাত গোবিন্দপুৰত ভগনীয়া সকলক মাটি দিয়াৰ হুকুম হৈছিল আৰু তেওঁলোকে সেই মাটি চমজি লবলৈ দৰ্খাস্ত কৰিছিল কিন্তু বিষয়া সকলক টকা নিদিলে মাটি চমজি লবৰ উপায় নাই। বৰপেটা মহকুমাধিপতিৰ দ্বাৰা মাটি বুজি নপোৱাত কিছুমান মানুহে Rev. Ministerৰ ওচৰলৈ আহিছিল। তেওঁলোক ভগনীয়া

হেতুকে ৰাজ্যিক ৰিলিফ এণ্ড ৰিহেবিলিটেচন মন্ত্ৰী মাননীয় সাধনৰঞ্জন সৰকাৰৰ জৰীয়তে দৰ্খাস্ত দিলে। কিন্তু তেওঁৰ Pion জনে কলে টকা নিদিলে কাম নহয়, তেতিয়া Pionটোক এটকা দিয়াত সি দলি মাৰি পঠিয়ালে আৰু কলে ১০০ টকা নিদিলে নহব। তেওঁলোকৰ হাতত টকা নাই, তাৰোপৰি ঘোৰৰ পৰা হাত সাৰিৱলৈকে মন্ত্ৰীৰ ওচৰ চাপিছিল। যাহক তেওঁলোকে টকা দিব নোৱাৰি উভতি আহি গধুলী কথাযাৰ মোক জনালে। মই তেতিয়া পিচদিনা মন্ত্ৰীক জনাবলৈ কোৱামতে জনালত মন্ত্ৰীয়ে সেই পিয়নজনক চাকৰীৰপৰা চাচ্পেন কৰা বুলি জানিব পাৰিছো। যাহক পিয়নজনৰ চাকৰী গল কিন্তু এই মানুহবিলাকে কি অপৰাধ কৰিছিল যে তেওঁলোকে পোৱা মাটিখিনিকে চমজি লব পৰা নাই। বৰপেটা মহকুমাৰ ৯ ঘৰ মানুহক ২ বিঘাকৈ মাটি দিয়াৰ order হৈছিল, সেই orderটো বৰপেটাৰ S.D.O. R. Dattৰ হুকুম No. R. H. N. 123/67/50 dated 15/2/69 R. R. Branch (B) in by list.

এইটো order আজিলৈকে কাৰ্য্যকৰী নহল, স্থানীয় officeৰ পৰা কাম নহলে তেওঁলোক মন্ত্ৰীৰ ওচৰ পাইহি কিন্তু ইয়াতো কাম নহয় আৰু ইয়াত দালালক টকা দিয়াৰ ফাণ্ডত পৰেহি। এইদৰে গোটেই দেশতে চৰকাৰৰ ফালৰপৰা দুৰ্নীতি হৈছে। এনে ধৰণৰ ঘটনাৰ যথেষ্ঠ উদাহৰণ আছে। চৰকাৰে স্কুলৰ জৰীয়তে প্ৰশাসন কেন্দ্ৰীভূত কৰিবলৈ চেষ্টা কৰিছে। অহা নিৰ্ব্বাচনত যাতে অনায়াসে জিকিব পাৰে। এই বিষয়ে এটা উদাহৰণ তুধনৈ ছোৱালী হাইস্কুল আৰু মাজজখিলী এম, ই স্কুলত তাৰ ৰাইজে পতা স্কুল কমিটিক ওপৰৰ পৰা ভাঙি দি ৰংজুলীৰ পৰা আঞ্চলিক পঞ্চায়ত প্ৰেচিডেণ্ট শ্ৰীগোপেন বসুমতাৰীক তুধনৈ ছোৱালী হাইস্কুলত, দলগোমাৰ পৰা মাটিয়া A.P. প্ৰেচিডেণ্ট শ্ৰীবত্নেশ্বৰ দাসক মাজজাখিলী এম, ই, স্কুলৰ সভাপতি পতা হৈছে। আগৰ কমিটিৰ দুৰ্নীতি টকা আত্মসাৎ এইবোৰ ধৰিবলৈ গৈ তুধনৈ ছোৱালী হাইস্কুল কমিটিয়ে খেদা খাব লগীয়া হল ওপৰ মহলৰ পৰা। সেইটো থিক হয় চিলংৰ পৰাহে। এই সম্পৰ্কে তুধনৈৰ সমষ্টিৰ পৰা কেইজন মান মানুহ আহি Chief minister ৰ ওচৰত অভিযোগ দাখীল কৰিছিল তেওঁলোকৰ অভিযোগ আছিল যে ৯/৩/৬৯ তাৰিখে তুধনৈ স্কুলৰ Head mistress ৰ বেতন বৃদ্ধি দেখুৱাইছে কিন্তু প্ৰচিডিং বহীত

তেনেধৰণৰ প্ৰস্তাবেই নাই আনকি সেই তাৰিখে এই সম্পৰ্কত কোনো Meeting হোৱা নাছিল। আৰু এটা দুৰ্নীতি হৈছে ১৯/৩/৬৯ তাৰিখে তুৰনৈ Meeting খন হোৱা কথা আছিল তাতো বেতন বৃদ্ধিৰ প্ৰস্তাৱৰ কোনো উল্লেখ নাই, আনপিনে ২, ৩, ৪, মেৰ ১৯৬৯ তাৰিখত সভাপতি, হাকিম চন্দ্ৰ ধাবাই চিলংত অহা দেখুৱাই T.A. bill ১০০ বো ওপৰ টকা আদায় কৰিছে আনপিনে Managing committee ৰ proceading ত লিখা আছে আৰু বহুতো দুৰ্নীতি আছে। যেতিয়া তাৰ কৈফিয়ত বিচৰা হল তেতিয়া এই দুৰ্নীতি পৰায়ন মানুহ বিলাকে চিলংলৈ আহি কাক কত কেতিয়া লগ ধৰি কি কৰিলে কব নোৱাৰো। যিটো Committee য়ে এই দুৰ্নীতি বিলাক ধৰিছিল সেই কমিটিটোকে ভাঙি দিয়া হল। যদি দুৰ্নীতি ধৰি দিয়াৰ কাৰণে কমিটিটোকে অপৰাধ কৰা হয় তেনেহলে কেনেকৈ দেশত ভালদৰে প্ৰশাসন চলিব? এই কাৰণে ৰাইজৰ ধাৰণা হৈছে যে দুৰ্নীতি পৰায়ণ মানুহক চৰকাৰে পশ্ৰয় দিয়ে আৰু যি সৎভাৱে চলিব খোজে তেওঁলোকে কোনো সুবিধাই নাপায়। সেই কাৰণে দুৰ্নীতি দুৰ কৰিবৰ বাবে যদি মুখ্য মন্ত্ৰীয়ে চেষ্টা নকৰে তেনেহলে দেশখন ধ্বংসৰ ফালে যাব।

শৰৎ চন্দ্ৰ ৰাভা এম, এল, এ,

Shri Matilal Nayrk—মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱটোৰ ওপৰত কেইটামান কথা কওঁ মাননীয় সদস্য সকলে আজি কোৱাৰ দৰে প্ৰত্যেক বছৰে কৈ আহিছে কিন্তু Lily Sen Gupta বাইদেউয়ে যি কলে তাৰ দ্বাৰা প্ৰকৃত অৱস্থাটো বুজিব পৰা নাই। সবাতোকৈ দুখ লগা যে Bimala Chaliha বহুদিন বিছনাত পৰি থকা সময়তে প্ৰশাসনৰ ভিতৰত নানা দুৰ্নীতি সোমাই পৰিছে আৰু বিচল মুখ্যমন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীৰ দিনতো সেইবিলাক দূৰ হোৱা নাই ওপৰৰ পৰা order হলেও তাত কাম নহয়। বৰ্ত্তমান মুখ্যমন্ত্ৰী যেতিয়া ৰাজহ মন্ত্ৰী আছিল তেতিয়া বিজনীত কিছুমান মাটিহীন মানুহক মাটি দিবলৈ order হৈছিল পঞ্চায়তক মাটি দিব লাগে বুলি হুকুম দিয়া হৈছিল কিন্তু সেই পঞ্চায়তৰ শতকৰা ৮০ ভাগ ধনী মানুহকহে মাটি দিছিল। পঞ্চায়তে যি ভুল কাম কৰিলে, কৰিলেই কিন্তু চৰকাৰেও সেই একে ভুলকে কৰিলে। তদুপৰি শতকৰা ৮০ ভাগ মাটিয়েই বেদখল হৈ আছে। কোনোবাই কয় কমিউনিষ্টে বেদখল কৰি আছে আৰু কোনোবাই কৈছে আন কোনোবাইহে বেদখল কৰি আছে যি কাৰণে উচিত

মানুহক মাটি চমজাই দিব পৰা নাই।

*Speech not correct

**Complaint of Breach of Privilege—Obstruction in introducing the Assam Agriculture Produce Marketing Bill, 1970**

Shri Govinda Kalita—Sir, I beg to move the following Privilege Motion under rule 158 of the Rules and Procedure and Conduct of Business in Assam Legislative Assembly. "That the Minister, Agriculture, Govt. of Assam has committee gross breach my of privilege of introducing a Bill in the Assembly, by intentionally and deliberately not sending the comments asked for by the Govt. of India on certain suggestions made by them on my Bill for grants of previous sanction of the President for infroductions of my Bill Assam Agricultural Produce Marketing Bill, 1970 in the Assam Legislative Assembly."

Sir, supporting my Motion, I beg to state that I submitted a Bill, 1970 on 14-9-70 to the Secretary, Assam Legislative Assembly to take necessary action so that I can introduce the Bill in the Assembly. That Sir, this is a privilege of a Member of the Legislative Assembly to move a Bill under rule 65 of the Rules and Procedure and Conduct of Business in the Assam Legislative Assembly. That Sir, in cases where previous sanction of the President is required for introduction of the Bill in the Assembly, necessary steps are to be taken by the Secretary Legislative Assembly. Though the steps were

taken by the Secretary, Assembly and the Bill was forwarded to the President for sanction, that Sir, in connection with the grant of sanction of the President, certain comments were asked for from the Government of Assam by the Govt. of India which were not responded to with an intention to obstruct for grant of sanction for intpoduction of my Bill and in the meantime to prepare a Government Bill on the same subject. That Sir, the Govt. of Assam did not take necessary steps in matter in spite of repeated reminders by the Secretary, Legislative Assembly and even in spite of so far I know the D.O. letter written by the Hon'ble Speaker of this House to the Chief Minister. So far I know, Sir, there are letters and communications between the Secretary, Agriculture and the Secretary, Legislative Assembly that the Secretary Agriculture of Govt. of Assam has written to the Secretary Legislative Assembly where in it has been stated that on account of the Government's desire to prepare a Bill on the subject the steps are not taken for sanction of my Bill, the Government has gone to the extent of utilisi g my Bill and even suggestions made by the Govt. of India on my said Bill in preparation of their own Bill on the same subject. Sir, if you kindly bring the File and particularly letters dated 6th April, 1971 and letter dated 25th November, 1970 written by Secretary, Agriculture, Govt. of Assam to the Secretary Legislative Assembly I can show you Sir, that the Government deliberately is trying to debar me from my privilege to intrhduce the Bill in the House. That Sir, all these

manipulations are being done by the Govt. with an object to debar me from my privilege of introducing a Bill on the subject in the Legislative Assembly. That in this way by putting obstruction to the grant of sanction of my Bill, the Govt. of Assam has committed a gross breach of privilege as a Member of this House to introduce the Bill in the House and thereby has committed contempt of this august House. That the Bill should have been ready for introduction in this Session of the House but on account of the deliverate action of the Government sanction could not be obtained. This is a matter of recent occurrence and requires intervention of the House.

Shri Ataur Rahaman (Minister, Agriculture, etc.)— Mr. Speaker, Sir, a Bill on Agricultural Produce Marketing as given notice of by Hon'ble Shri Govinda Kalita required some comments from the Govt. of Assam on the comments made on it by the Ministry of Food and Agriculture of the Govt. of India. I regreat that there has been some delay in making those comments available to the Assembly Secretariat. However, these will be sent very shortly. So far as the subject matter of the Bill is concerned, the Govt. of Assam had carlier i.e., in 1968, prior to Mr. Kalita's notice of the Bill had drafted a Bill of their own. This had been sent to the Govt. of India and then it transpired that the Govt. of India also had a model Bill on the subject, a lat of processing had to be done to meet the special circumstances obtai-

ning in Assam. This processing has taken place and this Bill is now in the final form. President sanction had been obtained and with the formal approval of the Cabinet, if possible, the Bill will be introduced in this very session. (Voice—which Bill) This Govt. Bill. It was farthest from the mind of the Govt. to put any obstackles in the way of Mr. Kalita or to show any disrespect to him. In view of this Sir, I request the Motion may be withdrawn.

Shri Sailen Medhi—Mr. Speaker, Sir. This is a serious matter and sober consideration must be given on the subject. Sir, Shri Govinda Kalita has not only submitted this Assam Agriculture Produce Marketing Bill alone, but on a different occasion, he submitted another bill viz. The Guwahati Municipal Corporation Bill. In that case also he was debarred from introducing the bill in the Assembly and there was not discussion in this August House as to why bill could not be allowed for introduction in the Assembly. After submission of Shri Kalita's bill, the Government came forward with a bill which had all the provisions as laid down by Shri Kalita. As Shri Kalita had given the notice first, his bill should get precedence. But it was not done.

This is the second time Shri Kalita has given notice for introduction of his bill—The Assam Agriculture Produce Marketing Bill, in the Assembly. According to the rule, Shri Kalita submitted his bill to the Secretary, Legislative Assembly to take necessary action. As Shri

Kalita's bill involves some monetary provision, the President's assent is required and consequently it was sent to the President after taking necessary steps by the Secretary, L.A. The President referred it back to the Minister in charge of Agriculture for some comments, but the Minister did not take any step in the matter and instead of sending these comments asked for by the Govt. of India on certain suggestions made by them, the Secretary, Agriculture Department, Govt. of Assam has written a letter to the Secretary, L.A. where in it has been stated that Govt. of Assam desire to prepare an identical bill which will cover all the points of Shri Kalita's bill. We do not know the contents of the letter. We only want to know what actually the fact for which Govt. prepare the bill ignoring Shri Kalita's bill. Sir, it was Shri Kalita who first gave notice of the bill for introduction in the Assembly and after submission of his bill, the Govt. of Assam prepare this bill on the same subject. It is difficult to prevent his bill being introduced in the Assembly.

So, it is a serious matter. We do not know what Govt. of India has written back to the Secretary, Agriculture Department. Unless we know all the correspondencess made in this connection between the Govt. of Assam and the Govt. of India, we cannot dispose the matter. The Hon'ble Minister has got no right to put a side Shri Kalita's bill and bring a new bill for introduction in this House on the same subject. If there is some technical defects in Shri Kalita's bill, that is a different

matter and that will be decided by your hanour. If otherwise there is nothing, he must get an opportunity to introduce his bill. Here, there are two points for consideration. (1) The Govt. of India sent back the bill of Shri Kalita to the Minister incharge of Agriculture, Govt. of Assam for some comment, but the Minister made delay in giving the reply and (2) instead of giving the reply to the Govt. of India, the Govt. of Assam is preparing another bill on the same sabject and is going to be introduced in the Assembly which we have never heard before. This is the first time we have heard from the Minister in charge of Agriculture, Assam. So, this bill cannot get precedence and by doing this the Govt. of Assam is going to deprive the privilege of a member of the Legislative Assembly to move a bill and the Minister in charge of Agriculture has also committed a gross breach of privilege by not sending the comments asked for by the Govt. of India and not giving precedence to Shri Kalita's bill. We can proced with the matter only after getting all the correspondences made between the Govt. of India and the Govt. of Assam, other wise not.

Shri Atul Chandra Goswami— অধ্যক্ষ মহোদয় আমাৰ যি Rules & Procedure and conduct of business আছে Rule no.৬৫ ২ নং উপধাৰাত কোৱা হৈছে—

"Rule 65 (2)—If the Bill is a Bill which under the Constitution, cannot be intorduced without prior sanction or recommendation of the President or the Governor, the

Secretary shall take necessary steps with a view to obtaining the sanction or recommendation of the President or the Governor, as the case may be. A copy of the Bill shall be sent to the Minister concrned for information. If no such sanction or recommendation is obtained, the notice shall not be valid and the Bill shall not be intorduced, moved or taken into consideration."

মাননীয় সদস্য শ্ৰীগোবিন্দ কলিতাৰ যিখন বিল দিছিল এই বিলখনৰ কাৰণে আমাৰ ফালৰ পৰা যিখিনি দৰ্কাৰ সেইমতে কৰা হৈছে আৰু পঠিওৱাও হৈছে তাৰ জবাব মাননীয় সদস্য গৰাকীক মন্ত্ৰী মহোদয়ে জনোৱা নাই। আনহাতে আমাৰ কৃষি মন্ত্ৰীয়ে কৈছে যে এই দুয়োখন indentical বিল গতিকে বিলখন House ত উথোৱা নাই। ৬৫ (A) ত কোৱা হৈছে।

"65 A—When a Bill is pending before the House, notice of an identical Bill, whether received before or after the introduction of the pending Bill, shall be removed from or not entered in, the list of pending notices, as the case may be, unless the Speaker otherwise directs."

যদি ইতিমধ্যে এই বিলখন চৰকাৰৰ তৰফৰ পৰা আহিলহেতেন তেতিয়া হলে ইয়াক identical বিল বুলি কব পাৰি আৰু তেতিয়া মাননীয় সদস্য বিলখনে priority নাপালেহেতেন মাননীয় সদস্যই কাৰ্য্য পৰিচালনা বিধি অনুযায়ী বিল দিছে আৰু সচিবে বিভাগীয় মন্ত্ৰী তথা যত যত পঠিওৱা লাগে পঠিয়ালে। কিন্তু ইচ্ছাকৃত ভাৱে এইজন সদস্যক এই বিলখনৰ পৰা বঞ্চিত কৰা হল। গতিকে Rules মতে জানিশুনিও মন্ত্ৰী গৰাকীয়ে সদস্য গৰাকীৰ সন্মান লাঘৱ কৰিছে আৰু সদনক অৱমাননা কৰিছে। গতিকে এইটো এটা case, এইটো priviledge committee লৈ পঠিয়াব লাগে।

Shri Dulal Chandra Barua—Mr. Speaker, Sir. It is a very important question. Apart from committing a gross

breach of privilege by the Minister in charge of Agriculture, it has committed a contempt of this house. Sir, it has been observed that not only in respect of this particular case, but in the past also when the same honourable member wanted to bring the Gauhati Municipal Corporation Bill, the Government have debarred him from introdueing the bill on the plea that they were preparing for introduction of the same kind of bill. The whole point.......

The whole point is Sir, the privilege that we are enjoying it is upto to you to decide whether this impeded by the Minister incharge of Agriculture. The privileges we are enjoying are granted the Constitution and also by the Rules of procedure and Conduct of Business in the Assam Legislative Assembly. If you examine it Sir, then you will find that the action of the Minister has impeded upon our rights and automatically it becomes a breach of privilege. I want quote here from the Kaul's Parliamentary Practice wherein it has been clearly mentioned the object of parliamentary privileges is to safeguard the fre:dom, the authority and the digaity of Parliament". Here by action Govt. have dishonoured the authority of the House. That means every member of the House has got equal rights to discharge their duties. But by action of the Minister or by the action of the Govt. they have put a barier which they cannot do. They are dishonouring not only the individual member but the entire House as such. It also hampers the dignity of the Chair as well. "Privileges are necessary for the

proper exercise of the functions entreusted to Parliament by the Constitution". Now the privilege which has been enturstel to the House by the Constitution and according to that privilege every member has got the right to introduce a bill according to his or her likings. If you would examine it you will find it as such. Sir, the functions of the House has been obstructed by the upperhand action and I should say the method, the back door policy that has been adopted by the Govt. shows that they are against the idea of socialistic pattern of society. They have got no right to disregard the privilege of an hon. member "They are enjoyed by individual members because House cannot perform its functions without unimpeded use of the services of its members; and by each House collectively for the protection of its members and the vindication of its own authority and dignity". Now, the House is there to function according to the provisions of the constitution and according to the provisions of the Rules of Procedure and therefore we are functioning here collectively. The action of the Govt. is affecting such kind of function and thereby we are deprived of our legitimate rights. When the notice has reach you Sir, the Govt. ought not to have come forward with a bill without informing the House. If the Govt. is going to introduce the bill without obtaining the opinion of the House it is ultravires. Govt. should not have come with such a bill which goes against the interest of the House. The House can only function through the members as the members are mouth piece of the whole thing. The constitution

has clearly defined the rights and privileges of the members so that the House can function properly under the provisions of the constitution. By the action of the Minister incharge of Agriculture the Govt. have willfully dishonoured the House and he is going to obstruct the individual members without whom the House cannot function. Such an action is going against discharging ones duties properly. Now, here again "In interpreting these privileges, therefore, regard must be had to the general principle that the privileges of Parliament are granted to members in order that" they may be able to perform their duties in Parliament without let or hindrance", Now, by action of the hon. Minister incharge of agriculture hindrances are put. He did not send these things for obtaining commentc. In the same way what he has done he has dishonoured the rights of the members by floating the rights of the members and also dishonoured the Rules of Procedure of this House. This tentamounts to breach of Privilege. He is standing as a hindrance which he should not do, and therefore, it is clearly a case of Breach of Privilege.

Here also it has been said "they apply to individual members" only in so far as they are necessary in order that the House may freely perform its functions. They do not discharge the member from the obligations to society which apply to him as much and perhaps more closely in that capacity, as they apply to other subjects". Sir, we have come here to perform the duties we are supposed to do. And for that reason proper safeguard

has been given by the constitution and also by our Rules. We are not individuals here we are collective. We are the representatives of the people and we are having collective responsibility. We are to discharge the duties on behalf of the people and therefore these provisions has been made here. If anybody wants to flout those provisions intentionally and wilfully then it tentamounts to breach of privilege. "When any individual authority disregards or attacks any of the privileges, rights and immunities, either of the members individually or of the House in its collective capacity, the offence is termed a breach of privilege,, and is punishable by the House. Besides, actions in the nature of offences against the authority or dignity of the House, such as disobedience to its legitimate orders or libels upon itself, its members or officers are also punishable". Now, Sir, the hon. Minister incharge of Agriculture comes under this category. He has been flouting the provisions of the constitution and by dishonouring the rights and privileges of the individual member he has committed a breach of privilege and that is way he is to be punished by the House. Now coming to the page 199 of the same book........ "The term" breach of privilege means a disregard of any of the rights, privileges and immunities either of members of Parliament individually, or of the House in its collective capacity. After due enquiry a breach of privilege punished in the same way as courts of law punish for contempt of their dignity or authority". Mr. Speaker, These are all definitions of contempt and breach of privilege.

Shri Dulal Chandra Barua—I am trying to convince you how this is a case of breach of privilege and how the Minister-in-charge is guilty of it. The Minister concerned has flouted the rights and privileges of the Member concerned and of the House. Therefore, Sir, a prima facie case has been established against the Minister-in charge of Agriculture for putting hindrance in the matter of performance of duty by an hon. Member of the House. Moreover, the Minister has misguided the House by not informing the House about the position of the Bill, nor has he obtained the consent as required under the rules and provisions of the Constitution Sir, I have tried to convince you by quoting the relevant rules and procedure and I hope you will kindly consider this matter very seriously. Their intention is that they will not allow a single Private Member's Bill to be introduced in this House for cosideration which they cannot and should not. The action of the Minister, Agriculture has clearly proved that they are trying to curtail to curtail the rights and privileges of the Members, and by doing so the Minister has committed a breach of privilege of the House. Therefore, Sir, I think it is a fit case to be referred to the Privileges Committee and by doing so you will create a precedence so that this practice is stopped forthwith and the Members are allowed to function properly under the rules.

Mr. Speaker—I have heard both sides and I will give my ruling afterwards. Now, Shri Barua.

**Re : Hunger-strike by the Post-Graduate Students of Dibrugarh University.**

Shri Dulal Chandra Barua—Sir, under Rule 301 I want to raise a matter of a very important nature which I placed before you in the form of an adjournment motion. Sir, you know about the development that has taken place in the Dibrugarh University. We discussed this matter here and the Chief Minister who is also the Education Minister assured us that he would do something for the restoration of peace and normalcy in that educational institution.

Shri Mahendra Mohan Chaudhury—Sir, whether it will be discussed under adjournment motion.

Shri Dulal Chandra Barua—The hon. Speaker has informed me that the matter will be discussed under Rule 301. Sir, a batch of students waited upon the Chief Minister and they have placed their grievances to the Chief Minister. Their demand was immediate acceptance of the resignation of the Vice Chancellor and also conduct an enquiry into the whole affairs of the Dibrugarh University and restoration of peace so that the examination which is postponed can be held in due time, i.e., in May. The Chief Minister also assured them that he would see to their grievances sympathetically. The Chief Minister also made an arrangement to discuss this matter with us outside this House, and we have conveyed our feelings to the Chance'lor tarough the

Chief Minister. Of course, from the legal point of view the resignation of the Vice Chancellor cannot be accepted as a formal resignation because the rules and the Act of the University do not permit such acceptance. There are some procedure through which the resignations are to come. But as the Vice Chancellor said that under duress he had to submit his resig ation and the students carried the resignation after proper seal. But from the moral point of view, when the Vice Chancellor could not stand before the students and he had to submit his resignation according to the whims, as he said of the students, he cannot continue there anymore as Vice Chancellor. This is my opinion and it is the opinion of the people of the State. We have been told that the Vice Chancellor saw the Chancellor but we do not know what discussion took place between the two. We feel that due respect ought to have been shown to the wishes of the people of the State. People desire that whatever qualifications the Vice Chancellor may poss—he is a scholar no doubt—he has lost the confidence of the students and the people at large. Therefore, he should not be allowed to continue as Vice Chancellor and by allowing him the Government, the Chancellor and the University should welcome any trouble. When he went back to the University students started demonstrating before him and I am told that he had left for an unknown destination. Now, the question is that the examinations are going to be held from 11th May and there is no Controller to look after the examinations. I am

told that the D.P.I. has appointed and Inspector of Schools who has some experience Controller of Examinations. Now, he Registar has no idea about examinations, nor has he any idea about administration. We have left the entire institution at the hands of some people who have very little experience and if these things are allowed to continue, the future of the Univ.rsity will be doomed. But as the authorities have not taken any action, the students have started hunger strike from 21st April last. Yesterday I have received two telegrams and these are as follows :—

**"Indefinite fast of P G Students cross 104 hours no response from the authority acute situation immediate action solicited**

**General Secretary DU Students Union."**

**"The Meeting of the DU ICS union decided to Launch hunger strike for indefinite period in front of Assembly if authority concerned do not convey any exact solution to students of DU within 24 hours."**

Sir, I am not going to defend our students. I am also not going to say that they have acted in the manner in which they should have acted. But, at the same time I submit that they had no other alternative but to do so. We are responsible for creating this sort of affairs by keeping so many anomalies pending for years together. That is why I am submitting to the Chancellor through the Chief Minister that we have to find out a via media. The via media should be like this the Vice Chancellor

who is due to retire in the month of May, may be requested to go on leave. He need not come back to the Dibrugarh University. He may be allowed to go in that way honourably. In the meantime a temporary arrangement may be made by appointing a person to act as Vice-Chancellor, so that examinations and other affairs are conducted without any difficulty. A Controller or Examinations has also to be appointed meanwhile for taking the examinations, and an enquiry is to be instituted because unless we go to the background of the entire affair, I am afraid that same kind of incidents may be repeated in future. Just to put a full-stop to such kind of occurrences I feel a high-power enquiry should be instituted. After the enquiry is completed and the report submitted Government should take into consideration this report along with the report already submitted by another Enquiry Committee and by comparing boto these reports Government should take proper action even by amending he Act, if necessary. If the advice of the Chief Minister and the Chancellor is not listened to by the Vice-Chancellor immediately, an ordinance should be passed for removal of the Vice-Chancellor not with a view to conceding the demand of the students but for the normalcy and welfare of the university. With the end in view I have raised this matter. I am thankful to you for giving me this oportunity. When such a kind of situation has arisen and the House is in session, I think we should interven

Government should take prompt action on the matter so that the hunger-strike can be withdrawn and normaley brought back to the University.

Atul Chand Goswami—মই বৰ বেছিকৈ কব খোজা নাই। কিন্তু অধ্যক্ষ মহোদয়, পাচজন ছাত্ৰই ২১ তাৰিখৰ পৰা বিশ্ববিদ্যালয় চৌহদত অনশন কৰিছে। মই যি খবৰ পাইছো সেইমতে সেই ৫ জনৰে দুজনৰ অৱস্থা একেবাৰে সংকট জনক হৈছে আৰু তেওঁলোকক Hospital লৈ স্থানান্তৰিত কৰা হৈছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিষয়ে যথেষ্ট কথাই আলোচনা হৈ গৈছে আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কৰ্টৰ সদস্য হিচাবে মই এইবিলাকৰ বিষয়ে আগতেও কৈছিলো।

কাৰণ তাত যি ধৰণে Vice-Chancellor জনে বিশ্ববিদ্যালয়ৰ কাম সম্পাদন কৰিব লাগিছিল সেইদৰে কৰিব পৰা নাই আৰু ফলত তেওঁ অকৃতকাৰ্য্য হৈছে আৰু তাৰ আৱশ্যভাম্ভী ফলস্বৰূপে আজি ছাত্ৰ সকলে এনেকুৱা এটা পন্থা গ্ৰহণ কৰিবলৈ বাধ্য হৈছে।

আমাৰ ছাত্ৰকেইজনমানৰ জীৱন ৰক্ষা কৰাৰ কাৰণে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চৌহদত এটা ভাল পৰিবেশ সৃষ্টিৰ কাৰণে যিখিনি কৰিব পাৰে সেইখিনি অলপো পলম নকৰাকৈ কৰিবলৈ মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাই এই প্ৰস্তাৱটো ডাঙি ধৰিলো।

Shri Mahendra Mohan Choudhury—Sir, the Government have followed with anxiety the developments which have taken place in the Dibrugarh University. They have also discussed the matter with the Chancellor and the Vice-Chancellor of the University. The Vice-Chancellor has applied for leave preparatory to retirement. The Chancellor has decided to grant the leave preparatory to retirement to the Vice-Chancellor effective from the 15th May 1971. The question of selecting a new Vice-Chancellor will take some time, and the Chancellor is taking

steps to make arrangements for the interim period.

The Government have noticed with considerable anxiety the developments taking place in the administration of the three Universities of the State, and taken note of these portents.

The Government have, therefore, decided to set up a Commission to examine the requirements of the Universities under the changed circumstances.

The terms of reference of the Commission for this purpose are under consideration, and when they are finalised they will be announced together with the personnel.

I appeal to the hon.members, the students and the professors of the Dibrugarh University to render co-operation for toning up the administration of the University.

Shri Lakshyadhar Choudhury— আমাৰ বক্তৃতা ডাঙৰীয়াই কেইটামান পৰামৰ্শ আগ বঢ়াইছিল। তাৰ ভিতৰত যি সকল ছাত্ৰই অনশন কৰি আছে সেই অনশন কাৰী ছাত্ৰ সকলৰ জীৱন ৰক্ষাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে।

Shri Mahendra Mohan Choudhury—অধ্যক্ষ মহোদয়, মই নিজে অনশন কাৰী ছাত্ৰ সকলক লগ ধৰিছিলো। আৰু সেই মৰ্ম্মে বাতৰি কাকতত এটা বিবৃতিও দিছিলো। যোৱা ২৪ এপ্ৰিল তাৰিখে মই ডিব্ৰুগড়লৈ যাওতে বাততে সেই অনশনকাৰী ছাত্ৰ সকলক লগ ধৰিছিলো। তাৰ পাচত বিশ্ববিদ্যালয়ৰ ছাত্ৰ আৰু প্ৰফেচৰ সকলৰ লগত মই ৫ ঘণ্টা ধৰি আলোচনা কৰিছিলো। আৰু তাত কৈ আহিছিলো যে মই চিলঙলৈ গৈ তাত সিদ্ধান্ত লম। চিলঙত পৰহি চেঞ্চেলৰৰ লগত আলোচনা হোৱাৰ কথা আছিল। কিন্তু প্লেন অহাত দেৰি কৰাত যোৱা কালি গধুলি চেঞ্চেলৰৰ লগত আলোচনা কৰি এই সিদ্ধান্তলৈ আহিছো। ছাত্ৰ সকলৰ দাবী আছিল যে ভাইচ চেঞ্চেলৰক আতৰাব লাগে আৰু এই ঘটনা বিলাকৰ তদন্ত হব লাগে।

সেই দাবী বিলাক আমি মানি লৈছো আৰু সেই মৰ্ম্মে ভাইচ চেঞ্চেলৰক ১৬ তাৰিখৰ পৰা বিদাই দিছো। যেতিয়ালৈকে নতুন ভাইচ চেঞ্চালৰ নাহে তেতিয়ালৈকে তেখেতেই কাম চলাই যাব। এই ব্যৱস্থা ১৭ জুলাইৰ পাচৰ ফালেহে কৰিব পৰা হব। আৰু যিবিলাক বিভিন্ন দাবী ছাত্ৰ সকলে কৰিছিল সেই বিলাক প্ৰকাৰন্তৰে আমি মানি লৈছো। আমাৰ তিনিওখন বিশ্ববিদ্যালয়তে যেনে গুৱাহাটী, যোৰহাট আৰু ডিব্ৰুগড়ত নানা ৰকমৰ আসোৱাহ চলি আছে। গতিকে এই বিলাক কথা বিবেচনা কৰি যি বিলাক আইনৰ ক্ৰুতি আছে সেই বিলাক সংশোধন কৰাৰ ব্যৱস্থা কৰা হৈছে। এটা কথা আছে যে বিশ্ববিদ্যালয়ৰ যিটো স্বায়ত্ব শাসন আছে তাত চৰকাৰৰ ফালৰ পৰা হস্তক্ষেপ কৰিব নোৱাৰি। যিমান পৰা যায় বিশ্ববিদ্যালয় বিলাকক স্বাধীনতা দিব লাগে। সেই কাৰণে আমাৰ চৰকাৰৰ ফালৰ পৰা আইনৰ সংশোধন কৰিবলৈ কোনো লৰা-লৰি কৰা নাই। ভালকৈ পৰীক্ষা কৰি চোৱা হব বুলি কৈছিলো, গতিকে ছাত্ৰ সকলৰ পৰা যি দাবী আহিছিল সেইটো মই মানি লৈছো। এটা কথা যে Baruah ডাঙৰীয়াই কৈছে Vice-Chancellor য়ে ইস্তফা দিছিল আৰু সেই ইস্তফা গ্ৰহণ কৰা নাই, মই কৈছিলো ইস্তফা পত্ৰখন লৰাবিলাকে কৈছিল আৰু সেই ইস্তফা পত্ৰ Chancellor হাতত পৰা নাই, লৰা বিলাকে সেই ইস্তফা পত্ৰখন মোক দেখুৱাইছিল, তেতিয়া মই কৈছিলো যে সেই পত্ৰখন মোক দিয়া যাতে মই Chancellor ক দিব পাৰো তেতিয়া তেওঁলোকে কৈছিল যে আমি Photostate copy আৰু Type copy দিব পাৰো। তেতিয়া মই কৈছিলো যে তেনে কোনো copy ৰ ওপৰত কোনো action লব নোৱাৰি আৰু কৈছিলো কাগজ বিলাক দিয়া কি ব্যৱস্থা কৰিব পাৰি চাম। কিন্তু ছাত্ৰ বিলাকে সেই কাগজ মোক নিদিলে। কিন্তু Type কৰি দিয়া কাগজৰ ওপৰত সততে কোনো ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰি। আমি সকলোৱে চেষ্টা কৰিব লাগে যাতে University ৰ পৰিবেশটো ভাল হয়। আৰু মই সেই পৰিবেশ ভাল হব বুলি আশা কৰিছো।

Shri Atul Chandra Goswami– এই কথাটো ছাত্ৰ সকলক Comunicate কৰি দিয়া ভাল।

Shri Dulal Chandra Baruah— ১৭ তাৰিখলৈকে সময় দিয়া হৈছে কিয় ?

Shri Mahendra Mohan Choudhury—তেখেতৰ লৰা ছোৱালী আছে বস্তু-বাহানী আছে কাগজ-পত্ৰ সকলো আছে সেই কাৰণে তেখেতক কিছু সময় দিয়া উচিত। আনকি ঘৰত কাম কৰা মানুহ এটা এৰি দিলেও সময় দিয়া হয় কিন্তু ইমান সন্মানিয় মানুহ এজনক সময় নিদিলে বেয়া দেখা হব।

## Re : Cancellation of Matriculation Examination at Jorhat

*Shri Dulal Chandra Baruah—মই আৰু এটা কথা মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো, এইটো হল আমাৰ যোৰহাটত যোৱা ১৯ তাৰিখে High School Leaving Certificate পৰীক্ষা হৈ থাকোতে যি ঘটনা ঘটিল সেইটোত মূলতে কেনেকৈ ঘটিব পালে সেই কথা মুখ্যমন্ত্ৰীয়ে জানেনে নাজানে কব নোৱাৰো। এটা Centre পৰা এজন লৰাক নকল কৰাৰ কাৰণে বাহিৰ কৰি দিয়া হৈছিল তাৰ কাৰণে সেই লৰাজনে লগত বহুত মানুহ আনি পৰীক্ষা বন্ধ কৰি দিবলৈ চেষ্টা চলালে। পুলিচ অনা হৈছিল যদিও ডাঙৰ গোলমাল হোৱাৰ আশঙ্কা কৰি পুলিচৰ Protection লোৱা নহল। তাৰ পিচত এটা ডাঙৰ দল আহি সকলো Centreৰ পৰীক্ষা বন্ধ কৰি দিলে আনকি ছোৱালী হাইস্কুলৰ I.B আৰু Debicharan স্কুলৰ Centreত সোমাই সকলো কাগজ পত্ৰ ফালি পেলালে আৰু মহিলা invigilatorকো মাৰধৰ কৰিলে অথচ যিসকল অধ্যাপক শিক্ষাবীদ আছিল তেওঁলোকেও ইয়াত বাধা দিব নোৱাৰিলে। আৰু 1st 2nd হবৰ কাৰণে যি কেইজন ছাত্ৰই আশা কৰিছিল এই ঘটনা ঘটাৰ পিছত তেওঁলোকৰ মগজেই বেয়া হৈছে। ৩জন ছাত্ৰ-ছাত্ৰীৰ এটা মগজৰ বিকৃতি ঘটিছে গতিকে এই অৱস্থাৰ এটা সাংঘাটিক Back Ground আছে। মই যদিও সেই সময়ত যোৰহাটত উপস্থিত নাছিলো তথাপিও জানিবলৈ পাইছো যে এই

ঘটনাৰ সংক্ৰান্তত এজন ডাঙৰ শিক্ষাবীদ জৰীত আছে, এইটো এটা বৰ দুখ লগা কথা। লৰাবিলাকক উচতাই দিয়াত তেওঁয়েই জৰীত আছে বুলি জানিবলৈ পাইছো। সিদিনা Jorhatৰ D.C চিলঙলৈ আহোতে মই কৈছিলো যে যি ধৰণে পুলিচে ব্যৱস্থা লব লাগিছিল সেই ধৰণে লোৱা হোৱা নাই বুলি মই শুনিছো। এই ঘটনাটো আমাৰ Jorhatৰ ৰাইজৰ কাৰণে বৰ অপমানজনক কথা হৈ পৰিছে, ইয়াৰ এটা তদন্ত হব লাগে আৰু যিটো পৰীক্ষা হবলৈ বাকী থাকিল সেই পৰীক্ষাটো হোৱাৰ ব্যৱস্থা হব লাগে বুলি মই সংশ্লিষ্ট বিভাগক অনুৰোধ জনালো আৰু এই ঘটনাৰ কাৰণে যিবিলাক দোখী সেইবিলাকৰ শাস্তী হব লাগে মাত্ৰ ২ জন ছাত্ৰৰ বাহিৰে প্ৰায়বিলাকেই বাহিৰৰ মানুহ যি এই ঘটনাৰ সৃষ্টি কৰিছিল। নিজ চকুৰে দেখা মানুহে এই কথা কৈছে গতিকে এই কথাটো কিমান সত্য তাৰ এটা অনুসন্ধান হব লাগে বুলি ৰাইজে চহী দি এখন কাগজ মুখ্যমন্ত্ৰীক দিবলৈ ৰাইজে মোক দি পঠিয়াইছে।

যি সকলে আজি আমাৰ এই উঠি অহা লৰা-ছোৱালীবিলাকৰ ভৱিষ্যত ধ্বংশ কৰাৰ প্ৰয়াস কৰিছে তেওঁলোকৰ যথা-যথ অনুসন্ধান কৰি শাস্তিৰ ব্যৱস্থা কৰিব লাগে বুলি অনুৰোধ জনালো। দ্বিতীয়তে, আমি জনা-শুনামতে তাত বেছ ভাল result কৰিব পৰা লৰা-ছোৱালীও আছিল। গতিকে কোনো Prolonged-gap নোহোৱাকৈ যাতে তেওঁলোকে আকৌ পৰীক্ষাত বহিব পাৰে আৰু তেওঁলোকৰ Marksৰো যাতে increase কৰিব পাৰি তাৰ কাৰনেও সম্ভৱপৰ ব্যৱস্থা লব লাগে। তদুপৰি অধ্যাপক আৰু শিক্ষাবিদ সকলেও ঐক্যমত প্ৰকাশ কৰি কৈছে যে এই ঘটনাৰ পৰিপ্ৰেক্ষিতত ছাত্ৰ-ছাত্ৰী সকলৰ ভৱিষ্যতেও কিবা অসুবিধা হব পাৰে। গতিকে এই ক্ষেত্ৰত এই লৰা-ছোৱালীবিলাকৰ ভৱিষ্যত যাতে ধ্বংস হব নোৱাৰে তাৰ কাৰণে সম্ভৱপৰ সকলো ব্যৱস্থা লবৰ কাৰণে মুখ্যমন্ত্ৰীক অনুৰোধ জনাবৰ কাৰণেই মই আজি সদনত এই বিষয়টো উত্থাপন কৰিলো।

*Speech not corrected

Shri Mahendra Mohan Choudhury (Chief Minister)— মহোদয়, অসম মাধ্যমিক শিক্ষাবোৰ্ডে পৰিচালনা কৰা প্ৰবেশিকা পৰীক্ষা এই বছৰৰ ১৯/৪/৭১ তাৰিখৰ পৰা আৰম্ভ হৈছে। সেইদিনাই আগবেলা যি ইংৰাজীৰ পহিলা প্ৰশ্ন কাকতখনৰ পৰীক্ষা আৰম্ভ হৈছিল তাত এজন প্ৰাইভেট হিচাবে পৰীক্ষা দিয়া লৰাই নকল কৰাত ধৰা পৰাত তেওঁক উলিয়াই দিয়া হয়। তাৰ পিছত সেইদিনাই ভাটিবেলা যেতিয়া ইংৰাজীৰ দ্বিতীয় কাকতখন চলি আছিল, তেতিয়া সেই বহিষ্কাৰ কৰা পৰীক্ষাৰ্থীজনৰ কাৰণে অন্যান্য কিছুমান পৰীক্ষাৰ্থী গোট খাই এটা শোভাযাত্ৰা কৰিছিল আৰু পৰীক্ষা ঘৰত সোমাই যাতে পৰীক্ষা হব নোৱাৰে তাৰ কাৰণে তেওঁলোকে গোলমালৰ সৃষ্টি কৰিছিল। এইটো হল যোৰহাট পৰীক্ষা কেন্দ্ৰত। তাৰ পিছত পৰীক্ষকসকলে পৰীক্ষা বন্ধ কৰি দিবলৈ বাধ্য হৈছিল। প্ৰায় ৬৯০ জন পৰীক্ষাৰ্থীয়ে ইংৰাজীৰ দ্বিতীয় কাকতখনৰ পৰীক্ষা দিব নোৱাৰিলে। তাৰ পিছৰ বাকী পৰীক্ষাবিলাক আগৰ routine মতেই হৈ গল। যিবিলাক লৰা-ছোৱালীয়ে পৰীক্ষা দিব নোৱাৰিলে তেওঁলোকৰ সম্পৰ্কত কি কৰা যায় সেই বিষয়ে আলোচনা কৰিবলৈ মাধ্যমিক শিক্ষা-বৰ্ডৰ পৰীক্ষা কমিটিয়ে অহা ৫ মে তাৰিখে এখন মিটিং আহ্বান কৰিছে। তাত তেওঁলোকে যি অনুমতি দিয়ে তাক ৮/৫/৭১ তাৰিখে বৰ্ডৰ মিটিঙত দাঙি ধৰা হব আৰু সেই সময়ত Boardএ সিদ্ধান্ত গ্ৰহণ কৰিব। মোৰ বিশ্বাস, নিজৰ দোষ নথকা স্বত্বেও পৰীক্ষা দিব নোৱাৰিলে সেইবিলাক পৰীক্ষাৰ্থীয়ে পৰীক্ষা দিয়াৰ কোনো বাধা থাকিব নোৱাৰে। তেওঁলোকক পৰীক্ষা দিবলৈ অনুমতি দিব। কিন্তু সোনকালেই পৰীক্ষা পতাৰ ক্ষেত্ৰত অসুবিধাও কিছু নথকা নহয়। কাৰণ আকৌ নতুনকৈ পৰীক্ষাৰ প্ৰশ্নকাকত set কৰিব লাগিব। তাৰ পিছত ছপা কৰিব লাগিব আৰু ছপা কৰি বিভিন্ন কেন্দ্ৰলৈ তাক প্ৰেৰণ কৰিব লাগিব। সেই কাৰণেই বোধকৰো লগে লগেই পৰীক্ষা পাতিব পৰা হয় নে নহয় সেইটো খাটাংকৈ কব নোৱাৰো। কিন্তু আমাৰ ফালৰ পৰা আমি এইটো চেষ্টা কৰিম যে যি সকল পৰীক্ষাৰ্থীয়ে নিজৰ দোষ নথকা স্বত্বেও পৰীক্ষা দিব নোৱাৰিলে তেওঁলোকে যাতে পৰীক্ষাত appeare হব পাৰে।

Shri Dulal Chandra Barua—অনুসন্ধান কৰিবনে নকৰে ।

Shri Mahendra Mohan Choudhury—অনুসন্ধান কৰা ভাল হব ।

## Adjournment

The Assembly then adjourned till 10 A. M. on Wednesday, the 28 April 1971.

U. Tahbildar,
Secretary,
Legislative Assembly,
Assam.

Shillong
The 27th April, 1971